# তৃতীয় খণ্ড

## অসমীয়া ভাষাঃ সাংস্কৃতিক আৰু ভাষিক সংযোগ

**প্ৰথম বিভাগ** ঃ সাংস্কৃতিক আৰু ভাষিক সংযোগ

**দ্বিতীয় বিভাগ** ঃ মধ্যযুগীয় অসমীয়া ভাষা

**তৃতীয় বিভাগ** ঃ ব্ৰজাৱলীৰ উত্থান

**চতুৰ্থ বিভাগ** ঃ চৰিত পুথিৰ ভাষা

**পঞ্চম বিভাগ** ঃ বুৰঞ্জী পুথিৰ ভাষা

## প্ৰথম বিভাগ
# সাংস্কৃতিক আৰু ভাষিক সংযোগ

**বিভাগৰ গঠন**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ সংস্কৃতিৰ স্বৰূপ
১.৪ ভাষাৰ স্বৰূপ
১.৫ ভাষা আৰু সংস্কৃতিৰ আন্তঃসম্পৰ্ক
১.৬ ভাষা আৰু সংস্কৃতি পৰিৱৰ্তনশীল
১.৭ সাৰাংশ (Summing Up)
১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

## ১.১ ভূমিকা (Introduction)

ইতিমধ্যে আপোনালোকে আগৰ খণ্ডত অসমীয়া ভাষাৰ উত্থানত ৰজাঘৰীয়া পৃষ্ঠপোষকতাৰ ভূমিকা সম্পৰ্কে অৱগত হৈছে। পিছে ৰাজপৃষ্ঠপোষকতাৰ সমান্তৰালভাৱে আন কেতবোৰ কাৰকেও ভাষাৰ উত্থান আৰু সমৃদ্ধিত সহায় কৰে। কোনো ভাষাৰ পৰিপুষ্টিত সেই ভাষাটো প্ৰচলিত হৈ থকা অঞ্চলৰ আন ভাষা আৰু সংস্কৃতিসমূহৰ বিশিষ্ট অৱদান থাকে। ভাষা আৰু সংস্কৃতি সদায় ওতঃপ্ৰোতভাৱে সম্পৰ্কযুক্ত আৰু পৰিৱৰ্তনশীল। ভাষা-সংস্কৃতিক এটা নিৰ্দিষ্ট কাঠামোত আৱদ্ধ কৰি ৰখা সম্ভৱ নহয়। এটা ভাষাই আন ভাষাৰ সৈতে সম্পৰ্ক গঢ়ি তোলে। সংস্কৃতিও অন্য সংস্কৃতিৰদ্বাৰা প্ৰভাৱিত হয়। এনে পাৰস্পৰিক প্ৰভাৱে ভাষা-সংস্কৃতিৰ বিকাশক বাৰুকৈয়ে ত্বৰান্বিত কৰে।

মানুহ সাংস্কৃতিক প্ৰাণী। কোনো ভূখণ্ডত এটা সমষ্টি বা সম্প্ৰদায় হিচাপে জীৱন নিৰ্বাহ কৰা মানুহে নানা ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধৰণ-কৰণেৰে জীৱন যাত্ৰা সু-সংবদ্ধ আৰু সুশৃংখলিত কৰি তোলে। মানুহৰ জীৱন-যাপনৰ এনে বিভিন্ন ব্যৱস্থা, আচাৰ-প্ৰকৃতিৰ সামগ্ৰিকতাই হৈছে সংস্কৃতি। এক কথাত, ই মানুহৰ জীৱন চৰ্চাৰ সামগ্ৰিক অভিব্যক্তি। ভাষা হৈছে সংস্কৃতিৰ অংগীভূত উপাদান। ভাষাৰ জৰিয়তে ভাব বিনিময় কৰি মানুহে পৰস্পৰৰ মাজত সম্বন্ধ স্থাপন কৰি এটা থুপ হিচাপে বাস কৰি থাকে। গতিকে ভাষা হৈছে সামাজিকতাৰ প্ৰধান চৰ্ত।

ভাষাৰদ্বাৰা সমাজবদ্ধ মানুহৰ জীৱন যাত্ৰা সুষমভাৱে চলি থাকে। তেওঁলোকৰ জীৱন প্ৰণালীৰ নানা দিশৰ প্ৰকাশ-উপস্থাপনো ঘটে ভাষাৰদ্বাৰা। লক্ষণীয় যে, তেনে দিশবোৰে ভাষাৰ প্ৰকৃতিও নিৰ্দ্ধাৰণ কৰে। সেইবাবে সংস্কৃতি ভেদে, সমাজ ভেদে ভাষাৰ স্বকীয়তা থাকে। আকৌ একেটা অঞ্চলত এটাতকৈ অধিক ভাষা আৰু সংস্কৃতি থাকিলে

সিহঁতৰ মাজৰ সম্বন্ধ আৰু অলপ বেলেগ হয়। ভিন্ন ভাষা-সংস্কৃতিৰ মাজৰ সংযোগে ভাষা বিশেষৰ গতি-প্ৰকৃতিক বিশিষ্টতা প্ৰদান কৰে। এইটো বিভাগত আমি ভাষা-সংস্কৃতিৰ মাজত থকা তেনে সম্বন্ধৰ বিষয়ে আলোচনা কৰিম।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ পাছত আপুনি—

- সংস্কৃতি সম্পৰ্কে জ্ঞান লাভ কৰিব,
- ভাষাৰ স্বৰূপ সম্পৰ্কে অৱগত হ'ব,
- সংস্কৃতি আৰু ভাষাৰ আন্তঃসম্পৰ্কৰ বিষয়ে জ্ঞান লাভ কৰিব,
- ভাষা বিশেষৰ পৰিপুষ্টিত আন ভাষা আৰু সংস্কৃতিৰ ভূমিকা সম্পৰ্কে অৱগত হ'ব।

## ১.৩ সংস্কৃতিৰ স্বৰূপ (Summing Up)

ইংৰাজী 'Culture' শব্দৰ সমাৰ্থক ৰূপে অসমীয়াত 'সংস্কৃতি' শব্দটো ব্যৱহাৰ কৰা হয়। ইংৰাজী 'Culture' শব্দটো লেটিন 'কোল' ধাতুৰ পৰা অহা। ইয়াৰ অৰ্থ মাটি চহোৱা, কৃষি কৰা। কৰ্ষণৰ দ্বাৰা বা চহ কৰি মাটিৰ উন্নতি সাধনেৰে তাক শস্য উৎপাদনৰ উপযোগী কৰি তোলা হয়। কৰ্ষণে মাটিৰ উন্নতি আনে। 'কালচাৰ'ৰ মূল অৰ্থই পোনতে শস্যভূমি কৰ্ষণক বুজালেও পিছলৈ সি সংস্কাৰ বা উন্নতি সাধন, বিশেষকৈ মনোভূমি কৰ্ষণক বুজাবলৈ ধৰে ('সংস্কৃতিৰ অৰ্থ আৰু তাৎপৰ্য ঃ কেইটিমান দিশ' প্ৰৱন্ধ ; বীৰেন্দ্ৰনাথ দত্ত)। 'Culture' -ৰ সমাৰ্থকৰূপে ব্যৱহৃত 'সংস্কৃতি' শব্দয়ো সংস্কাৰৰ ধাৰণা বহন কৰে। সংস্কৃতিয়ে মানুহৰ জীৱন-চৰ্যাৰ বস্তুগত আৰু মনোগত দিশৰ সংস্কাৰ বা উৎকৰ্ষ সাধনক বুজায়। মানুহ সামাজিক প্ৰাণী যদিও জন্মতে সামাজিক হৈ নাহে। জন্মৰ পিছতহে সামাজিক হ'বলৈ শিকে। "জন্মৰ সময়ত মানৱ শিশু পশু-শাৱকৰ তুল্য হৈ থাকে। ক্ৰমাগত সংস্কাৰ সাধনৰ দ্বাৰা তাৰ উত্তৰণ হয় মানৱত্বলৈ ঃ সংস্কৃতিয়ে মানুহক মানুহ কৰে। (প্ৰাগুক্ত প্ৰৱন্ধ ঃ বীৰেন্দ্ৰ নাথ দত্ত)

সংস্কৃতিৰ মাজত পৰিশীলন আৰু সৌন্দৰ্যবোধ প্ৰোথিত হৈ থাকে। ইয়াৰ পৰিসৰ অতি ব্যাপক। ই মানুহৰ জৈৱিক, আধ্যাত্মিক, ভৌতিক, নান্দনিক বিষয়ৰ লগত জড়িত সকলো দিশক সামৰি লয় আৰু সামূহিক জীৱন চৰ্যাৰ মাজেৰে তাৰ পৰিস্ফুৰণ ঘটে। এডৱাৰ্ড বাৰ্ণেট টাইলাৰৰ ভাষাত ঃ "সমাজৰ অংগীভূত সদস্যৰূপে মানৱে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থ্যৰ সামগ্ৰিক যৌগিক ৰূপেই সংস্কৃতি।" এনে আচৰণসমূহ সামাজিক উত্তৰাধিকাৰ ৰূপে অব্যাহত থাকে।

সংস্কৃতিবিদসকলে সংস্কৃতিৰ বিদ্যায়তনিক মাত্ৰা বা আয়তন (Academic Dimension) এটাৰো কথা কয়। নৃতত্ত্ববিদ আৰু সমাজতত্ত্ববিদসকলৰ মাজত প্ৰচলিত

এই মাত্রা মতে সংস্কৃতি হৈছে 'The man made part of the environment.' প্রকৃতিৰ সন্তান মানুহে প্ৰকৃতিৰ বুকুৰপৰা খাদ্য সংগ্ৰহ কৰোঁতে, শীত-তাপ নিয়ন্ত্ৰণৰ বাবে আচ্ছাদন প্ৰস্তুত কৰোঁতে, ঘৰ সাজি সমূহীয়াভাৱে বাস কৰোঁতে প্ৰয়োজনসাপেক্ষে প্ৰকৃতিৰ উপকৰণৰ ৰূপ সলনি কৰে। নিজৰ নান্দনিক চেতনা আৰু সৌন্দৰ্যবোধেৰে অনুপ্ৰেৰিত হৈ নিজৰ পাৰিপাৰ্শ্বিকতাক সুন্দৰ-পৰিশীলিত বা সংস্কাৰিতও কৰিব খোজে। নিজৰ প্ৰয়োজন সাপেক্ষে প্ৰকৃতিক এনেদৰে ৰূপ দি তাৰ সৈতে খাব খাব খোজাৰ প্ৰয়াসতে সংস্কৃতিয়ে আত্মপ্ৰকাশ কৰে।

সমাজক আধাৰ বা ভিত্তি কৰি সংস্কৃতি গঢ় লৈ উঠে। অৰ্থাৎ ব্যক্তিৰ সমূহীয়া জীৱন যাত্ৰাত সংস্কৃতি বৰ্তি থাকে। সমাজভুক্ত প্ৰাণী হিচাপে মানুহে তেওঁ বাস কৰা সমাজখনৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, ধৰ্ম-বিশ্বাস আদি পৰম্পৰাগতভাৱে শিকে আৰু তাৰ প্ৰদৰ্শন কৰে। প্ৰত্যেক মানৱ গোষ্ঠী, সম্প্ৰদায়ৰ নিজস্ব সংস্কৃতি আছে। সকলো সম্প্ৰদায়ৰ জীৱন নিৰ্বাহৰ নিজা শৈলী আছে। তেওঁলোকৰ থকা-মেলা, খোৱা-পিন্ধা, আচাৰ-ব্যৱহাৰৰ স্বকীয়তা আছে। তেনে স্বকীয়তাৰ বাবেই স্থান-গোষ্ঠী-সম্প্ৰদায় লৈ সংস্কৃতিক 'অসমীয়া সংস্কৃতি', 'বড়ো সংস্কৃতি', 'ৰাভা সংস্কৃতি' আদি বুলি নামকৰণ কৰা হয়।

অসমৰ বিশিষ্ট লোক-সংস্কৃতিবিদ নবীন চন্দ্ৰ শৰ্মাই সংস্কৃতিৰ তিনিটা বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে ঃ

(ক) মানৱ-অভিজ্ঞতাত সংস্কৃতি বিশ্বজনীন; তত্ৰাচ ইয়াৰ স্থানীয় আৰু আঞ্চলিক ৰূপ আছে।

(খ) সংস্কৃতি স্থবিৰ অথচ ই গতিশীল।

(গ) সংস্কৃতিয়ে আমাৰ জীৱনক পৰিপূৰ্ণ কৰিলেও আমি সংস্কৃতিৰ বিষয়ে সচেতন নহয়।

**১.৪ ভাষাৰ স্বৰূপ**

ভাষা কি ? তাৰ সন্তোষজনক উত্তৰ দিয়া কঠিন হ'লেও ভাষাৰ ব্যৱহাৰিক প্ৰকৃতি পৰ্যবেক্ষণ কৰি ভাষাৰ বিষয়ে এটি ধাৰণা কৰিব পাৰি।

নিজৰ মনৰ ভাব আনৰ আগত প্ৰকাশ কৰিবলৈ মানুহে ভাষা ব্যৱহাৰ কৰে। ভাব বিনিময়েৰে মানুহে আনৰ সৈতে সম্বন্ধ গঢ়ি তোলে। গতিকে পাৰস্পৰিক যোগাযোগৰ বাবে মানুহে ভাষা ব্যৱহাৰ কৰে। যোগাযোগৰ আন মাধ্যমো আছে। পোহৰ, ছবি, প্ৰতীক, ধ্বনি, শাৰীৰিক অংগী-ভংগী আদিৰেও মানুহে নিজৰ ভাব ব্যক্ত কৰিব পাৰে। কিন্তু এই মাধ্যমবোৰৰ তুলনাত ভাষাৰ জৰিয়তে ভাব প্ৰকাশৰ পৰিসৰ আৰু সুবিধা বহুত। সেয়ে ভাষাক যোগাযোগৰ অন্যতম মাধ্যম বুলি কোৱা হয়। মানুহে ভাষাৰ জৰিয়তে ভাব বিনিময় কৰি এটা সমষ্টি হিচাপে এখন ঠাইত থূপ খাই থাকে। পৰম্পৰাগতভাৱে সেই ভাষাটো সেই মানুহখিনিয়ে ব্যৱহাৰ কৰে, আহৰণ কৰে আৰু এখন সমাজ হিচাপে বাস কৰি থাকে।

মানুহে জন্মতে ভাষা শিকি নাহে। মানৱ মনত ভাষাৰ সাৰ্বজনীন নিয়ম কিছুমান জন্মৰেপৰা থাকিলেও, ভাষা আহৰণৰ ক্ষমতা সহজাত হ'লেও শিশু এটাই তেনে নিয়মসমূহ খটুৱাই পাৰিপাৰ্শ্বিকতাত প্ৰচলিত ভাষাটো শিকে। সমাজ এখনৰ প্ৰেক্ষাপটত ভাষা হৈছে সাংস্কৃতিক আচৰণ; সংস্কৃতিৰ গুৰুত্বপূৰ্ণ অংগ। সমাজৰ অংগীভূতৰূপে মানুহে কাৰ লগত, কেতিয়া, কিদৰে ভাষা ব্যৱহাৰ কৰিব লাগে সেয়া পৰিস্থিতিক্ৰমে শিকি লয়। প্ৰত্যেক সমাজৰে ৰীতি-নীতি, বিচাৰ-মূল্যবোধৰ ভিন্নতা আছে। সেয়ে জনসমষ্টিভেদে ভাষা আচৰণো বেলেগ হয়। তথাপি একেধৰণৰ নীতি-নিয়ম আচৰণ কৰা মানুহ কিছুমানে তেনে নীতি-নিয়মৰ লগত সংগতি ৰাখি ভাষা ব্যৱহাৰ কৰিলে তেওঁলোকক এটা ভাষাগোষ্ঠী বুলি ধৰা হয়। কেইবাশ মানুহেৰেও এটা ভাষাগোষ্ঠী হ'ব পাৰে, কেইবা হাজাৰেৰেও হ'ব পাৰে। কিন্তু তেওঁলোক একসূত্ৰী নিয়মেৰে বান্ধ খাই থাকিব লাগিব।

প্ৰকৃতি জগতত মানুহ একমাত্ৰ প্ৰাণী, যাৰ উৎপাদনক্ষম ভাষা পদ্ধতি আছে। আন জীৱ-জন্তুয়েও নানা মাত মাতি নিজৰ মাজত যোগাযোগ কৰে। কিছুমান চৰায়ে মানুহৰ দৰে মাত মাতিবও পাৰে। ভাটৌ, মইনা, শালিকা আদি পোহনীয়া চৰাইৰ কথা এই প্ৰসংগত প্ৰণিধানযোগ্য। কিন্তু সিবিলাকৰ ভাষা আৰু মানুহৰ ভাষাৰ মাজত পাৰ্থক্য আছে। মানুহে পৰিস্থিতি অনুযায়ী, প্ৰয়োজন অনুসৰি ভাষা উৎপাদন-ব্যৱহাৰ কৰিব পাৰে। মানুহে ব্যৱহাৰ কৰা প্ৰতিটো বাক্যই নতুন। আন জীৱ-জন্তুৰ মাত-কথাত এনে উৎপাদনশীলতা পৰিলক্ষিত নহয়।

ভাষাৰ এটা প্ৰণালী আছে। ধ্বনি, ৰূপ, বাক্য, অৰ্থ— এই প্ৰণালীৰ চাৰিটা উপাদান। তাত ধ্বনি ক্ষুদ্ৰতম আৰু বাক্য সৰ্ববৃহৎ উপাদান। ভাষা প্ৰণালীৰ ধ্বনিসমূহ বাগিন্দ্ৰিয়ৰ জৰিয়তে উচ্চাৰিত হয়। ধ্বনি অকলে অৰ্থহীন। ধ্বনিসমূহক এটা ক্ৰমত সজাই ললেহে অৰ্থ ওলায়। পিছে সেই অৰ্থ আৰু ধ্বনিৰ মাজৰ সম্বন্ধ সদায় যাদৃচ্ছিক। সিহঁতৰ মাজত এটা মানি লোৱা সম্বন্ধ থাকে। এটা ভাষাসমষ্টিয়ে ধ্বনিৰে গঠিত একোটা শব্দৰে একোটা ধাৰণা বুজায়। ক'ব পাৰি, তেওঁলোকে স্বনিৰ্ধাৰিত শব্দত একেটা অৰ্থ আৰোপ কৰি লয় আৰু সি পৰম্পৰানুগামী হৈ চলি থাকে। তাক লৈ প্ৰশ্ন কৰা নহয়। উদাহৰণস্বৰূপে, অসমীয়া ভাষাত 'ঘৰ' শব্দটো চলি আহিছে। 'ঘৰ' শব্দটোৱে বুজোৱা ধাৰণা আৰু শব্দটোৰ মাজত কোনো সহজাত সম্বন্ধ নাই। সেই ধাৰণাটোক বুজাবলৈ শব্দটো আমি নিজেই নিজেই নিৰ্দ্ধাৰণ কৰিছোঁ আৰু সি প্ৰজন্ম ধৰি তেনেদৰে চলি আহিছে। মনত ৰখা ভাল, জনসমষ্টি এটাই বাস কৰা ভূখণ্ডত বিশেষত তেওঁলোকৰ নিজস্ব ধ্যান-ধাৰণা, আচাৰ-বিচাৰ অনুযায়ী সুকীয়া সুকীয়া সম্পদ, বিষয়বস্তু, ধাৰণা আদি থাকে। সিবোৰক বুজাবলৈ তেওঁলোকৰ নিজস্ব শব্দও থাকে। আন ভাষা বা জনসমষ্টিৰ মাজত তাৰ প্ৰচলন নাথাকে। এনে স্বকীয় সম্পন্ন শব্দবোৰেই ভাষাসমূহক এটাৰ পৰা আনটোক পৃথক কৰি তোলে। গতিকে যাদৃচ্ছিকতা গুণৰ বাবে পৃথিৱীৰ ভাষাসমূহ বেলেগ বেলেগ হয়।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। সংস্কৃতিৰ স্বৰূপ কি।

.................................................................................................

.................................................................................................

.................................................................................................

২। ভাষা কি?

.................................................................................................

.................................................................................................

.................................................................................................

## ১.৫ ভাষা আৰু সংস্কৃতিৰ আন্তঃসম্পৰ্ক

ভাষা আৰু সংস্কৃতিৰ সম্পৰ্ক অতি ঘনিষ্ঠ। প্ৰথমটোৰ সমৃদ্ধি-বিকাশ দ্বিতীয়টোৰ ওপৰত নিৰ্ভৰশীল, তেনেদৰে দ্বিতীয়টোৱেও আত্ম প্ৰকাশৰ বাবে প্ৰথমটোৰ ওপৰত নিৰ্ভৰ কৰে। ইতিমধ্যে উল্লেখ কৰি অহা হৈছে, জনসমষ্টিৰ সামূহিক জীৱন চৰ্যাই হৈছে সংস্কৃতি। ব্যক্তিৰ সমষ্টিগত জীৱনেহে সেয়া সম্ভৱ কৰি তোলে। ভাষাৰে ভাব বিনিময় কৰিহে ব্যক্তিয়ে সমূহ হিচাপে সমাজবদ্ধ হৈ থাকে আৰু জীৱন নিৰ্বাহ কৰে, য'ত অনুক্ৰমে নানা ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণ, নৃত্য-বাদ্য, স্থাপত্য-ভাস্কৰ্য আদিৰ দৰে প্ৰবৃত্তিসমূহ শিকে। তাৰ অনুৰূপত আচৰণ কৰে আৰু পৰৱৰ্তী প্ৰজন্মকো অভ্যাস কৰিবলৈ শিকায়। এনে শিকন-শিক্ষণৰ মাধ্যম হৈছে জনসমষ্টিটোৰ ভাষা। অৰ্থাৎ ভাষাই হৈছে সংস্কৃতি প্ৰকাশৰ মাধ্যম। সংস্কৃতি জনসমষ্টিৰ সামূহিক জীৱন চৰ্যা হ'লে, ভাষা হৈছে সেই সামূহিকতাক তুলি ধৰাৰ উপায়। ভাষাই সংস্কৃতিৰ স্বকীয়তাকো তুলি ধৰে। ভাষাৰ মাজেৰেহে জনসমষ্টিৰ চিন্তা-চেতনা, ভাৱ-অনুভূতিৰ প্ৰকাশ ঘটে। তাৰ সৈতে পৰিচিত হ'বলৈ সেই জনসমষ্টিৰ ভাষাৰ জ্ঞান থাকিবই লাগিব। ভাষাক বাদ দি সংস্কৃতিৰ অধ্যয়ন অসম্পূৰ্ণ।

আকৌ ভাষাৰ বিকাশ বহু পৰিমাণে সংস্কৃতিৰ ওপৰত নিৰ্ভৰশীল। ভাষাৰ প্ৰচলন এখন সমাজত হয়। প্ৰত্যেক সমাজৰ নিজস্ব ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ থাকে। তেনে সাংস্কৃতিক দিশসমূহক বুজাবলৈ স্বকীয় শব্দও থাকে, যিটো আন ভাষাত নাথাকে। উদাহৰণস্বৰূপে, অসমৰ বয়ন শিল্পৰ লগত জড়িত শব্দসমূহৰ কথাই ক'ব পাৰি। বিহু উৎসৱ-অসমৰ জাতীয় উৎসৱ। তেনেদৰে প্ৰত্যেক জনগোষ্ঠীৰে নিজা নিজা উৎসৱ-অনুষ্ঠান আছে। তাৰ লগত নানা বিশ্বাস, ৰীতি-নীতি, ধ্যান-ধাৰণা প্ৰোথিত হৈ আছে। সিবোৰক বুজাবলৈ ব্যৱহাৰ কৰা শব্দ, বাক্য, বাক্যাংশ সেই জনসমষ্টিৰ একান্তই স্বকীয় সম্পদ। আন ভাষালৈ তাৰ অনুবাদ দুৰূহ। সেয়ে তেনে শব্দবোৰ আন ভাষী লোকে

তাৰ মৌলিক ৰূপতে গ্ৰহণ কৰি লয়। কিবা কাৰণত সাংস্কৃতিক বৈশিষ্ট্যৰ বা সেই অনুষ্ঠান-সম্পদৰ পৰিৱৰ্তন হ'লে তাৰ লগত জড়িত ভাষিক দিশটোও প্ৰভাৱিত হয়। ভাষা বিশেষৰ শব্দ কিছুমান লোপ পাব পাৰে। নতুন শব্দৰ আগমনো হ'ব পাৰে। এটা সংস্কৃতিৰ আচৰণকাৰীসকলে অন্য সংস্কৃতিৰ ৰীতি-নীতি গ্ৰহণ কৰিলে তাৰ লগত জড়িত শব্দৰাজিকো গ্ৰহণ কৰি লয়। কেতিয়াবা নিজাকৈ শব্দ নিৰ্মাণো কৰি লয়। তাৰ দ্বাৰা সেই ভাষাটো সমৃদ্ধ হৈ পৰে। অসমীয়া সংস্কৃতিৰ ভৌতিক দিশৰ পৰিৱৰ্তনলৈকে এই ক্ষেত্ৰত আঙুলিয়াই দিব পাৰি। অসমীয়া মানুহৰ থলুৱা খাদ্যাভ্যাস, বাঁহ-বেঁতৰ গৃহ নিৰ্মাণৰ লগত জড়িত ভালেমান শব্দ লোপ পাইছে বা লোপ পোৱাৰ উপক্ৰম হৈছে। তাৰ ঠাইত দেশী-বিদেশী খাদ্য সম্ভাৰে আমাৰ গৃহ প্ৰৱেশ কৰাত সেইবোৰক বুজোৱা শব্দবোৰেও ভিৰ কৰিছেহি। বাঁহ-বেতৰ ঘৰৰ ঠাইত পকী দালান নিৰ্মাণ হ'বলৈ ধৰাত তেনে নতুন কৌশল-সামগ্ৰীক বুজোৱা শব্দ-প্ৰকাশভংগী আমাৰ ভাষাত অন্তৰ্ভুক্ত হৈছে। এতেকে সংস্কৃতিৰ গতি-প্ৰকৃতিয়ে ভাষাৰ স্বৰূপকো প্ৰভাৱিত কৰে।

সেইবুলি ভাষাক সংস্কৃতিৰ সীমাৰে বান্ধি ৰাখিবও নোৱাৰি। সংস্কৃতিৰ সীমা অতিক্ৰমিও ভাষা ব্যপ্ত হয়। উদাহৰণস্বৰূপে, কোনো বিস্তৃত ভৌগোলিক এলেকাত বেলেগ বেলেগ সংস্কৃতিৰ মানুহে বাস কৰিব পাৰে; তেওঁলোকৰ নিজা ভাষাও থাকিব পাৰে। নিজৰ নিজৰ মাজত যোগাযোগ কৰিবলৈ তেওঁলোকে প্ৰত্যেকে নিজৰ ভাষা ব্যৱহাৰ কৰিলেও বৃহত্তৰ প্ৰেক্ষাপটত এটা ভাষাহে উমৈহতীয়া ভাষা হিচাপে প্ৰচলিত হৈ থাকে। তেনে প্ৰেক্ষাপটত অন্য ভাষীসকলেও সেই ভাষাটোক সমূহীয়া ক্ষেত্ৰত ব্যৱহাৰ কৰে। আনকি পৰৱৰ্তী প্ৰজন্মৰ বাবে উক্ত ভাষাটোৱেই প্ৰধান ভাষা হৈ পৰিব পাৰে। গতিকে সংস্কৃতি ভিন্ন হৈ থাকিও ভাষা একেটা হ'ব পাৰে। অসমীয়া ভাষাৰ ক্ষেত্ৰতে এই কথা প্ৰযোজ্য। অসম বিভিন্ন জনগোষ্ঠীৰ বাসভূমি। জনগোষ্ঠীসমূহৰ নিজা ভাষা আছে। তেওঁলোকে নিজৰ মাজত নিজৰ ভাষাৰে যোগাযোগ কৰিলেও সমূহীয়া ক্ষেত্ৰত অসমীয়া ভাষাৰে ভাব বিনিময় কৰে। বহু জনগোষ্ঠীৰ নবীন প্ৰজন্মৰ বাবে নিজা ভাষাটো অচিনাকি হৈ পৰিছে। স্বকীয় সংস্কৃতিৰ অন্য আচৰণ যেনে— বিশ্বাস-অবিশ্বাস, ৰীতি-নীতি, উৎসৱ-পাৱণ আদি প্ৰদৰ্শন কৰিলেও তেওঁলোকৰ ভাব প্ৰকাশৰ ভাষা হৈছে অসমীয়া। ইয়াৰদ্বাৰা অসমীয়া ভাষাই সংস্কৃতিৰ পৰিধি অতিক্ৰমি গৈছে।

কেতিয়াবা সংস্কৃতি একে হৈও ভাষা ভিন্ন হ'ব পাৰে। অৰুণাচল, নাগালেণ্ডৰ প্ৰেক্ষাপটত ইয়াৰ সত্যতা ওলাই পৰে। উদাহৰণস্বৰূপে, নাগালেণ্ডৰ জনগোষ্ঠীসমূহৰ প্ৰত্যেকৰে ভাষা বেলেগ। কিন্তু তেওঁলোকৰ সাংস্কৃতিক আচৰণ একে। ইয়াৰপৰা ধাৰণা কৰিব পাৰি, ভাষা আৰু সংস্কৃতিৰ মাজত অতি ঘনিষ্ঠ সম্পৰ্ক থাকিলেও কোনোবাখিনিত এটা আনটোৰপৰা স্বতন্ত্ৰ।

**অগ্ৰগতিৰ খতিয়ান**

১। যোগাযোগৰ মাধ্যম হিচাপে ভাষাৰ গুৰুত্ব কিমান?

..............................................................................................

..............................................................................................

..............................................................................................

## ১.৬ ভাষা আৰু সংস্কৃতি পৰিৱৰ্তনশীল

সংস্কৃতি স্থিৰ নহয়; ই পৰিৱৰ্তনশীল। সময়ৰ সোঁতত নানা কাৰণত সংস্কৃতিৰ পৰিৱৰ্তন ঘটে। কোনো জনসমষ্টিৰ সংস্কৃতিৰ নিজা ৰং-ৰূপ থাকিলেও সি সদায় মৌলিক ৰূপত নাথাকে। অন্য সংস্কৃতিৰ সংস্পৰ্শলৈ আহিলে সিহঁত পাৰস্পৰিকভাৱে প্ৰভাৱান্বিত হয়। এটা সংস্কৃতিৰ আচৰণকাৰীসকলে অন্য সংস্কৃতিৰ আচাৰ-ব্যৱহাৰ, ধৰণ-কৰণ, অভ্যাস-বিশ্বাস, সচেতন-অসচেতনভাৱে অনুসৰণ কৰে। তাৰদ্বাৰা উভয় সংস্কৃতিৰ মাজত এক প্ৰকাৰৰ সমন্বয় সাধিত হয়। অৰ্থাৎ সংস্কৃতিত নতুন উপাদানৰ প্ৰৱেশ ঘটে। কেতিয়াবা অনুকৰণৰ মাত্ৰা প্ৰবল হ'লে অনুকৰণকাৰী সংস্কৃতিটো আনটো সংস্কৃতিৰ দ্বাৰা গ্ৰাসিতও হ'ব পাৰে। গোলকীকৰণৰ প্ৰভাৱত বৰ্তমানৰ সংস্কৃতিসমূহৰ মাজত এনে আদান-প্ৰদান প্ৰক্ৰিয়া স্পষ্টতৰ হৈছে। উদাহৰণস্বৰূপে, অসমীয়া মানুহৰ খাদ্যাভ্যাস, সাজপাৰ, উৎসৱ-পাৰ্বন, ৰীতি-নীতি আদিৰ ক্ষেত্ৰতো অন্য সংস্কৃতিৰ প্ৰভাৱ মনকৰিবলগীয়া। এনে প্ৰভাৱ হৈছে সংস্কৃতিৰ মাজৰ সংযোগজনিত পৰিঘটনা।

সংস্কৃতিৰ অংগীভূত হিচাপে ভাষাও পৰিৱৰ্তনশীল। সময়ৰ সোঁতত ভাষাৰো পৰিৱৰ্তন হয়। ভাষা সদায় সৰলীকৰণৰ দিশে আগবাঢ়ে। ৰাজনৈতিক, সামাজিক, ভৌগোলিক আদি নানা কাৰণত ভাষাৰ পৰিৱৰ্তন ঘটিব পাৰে। ভাষাক কোনো সামাজিক, ভৌগোলিক পৰিসীমাত আৱদ্ধ কৰি ৰাখিব নোৱাৰি। ৰাজনৈতিক আধিপত্য বা ক্ষমতাৰ বলেৰেও ভাষাক এটা কাঠামোত বান্ধি থ'ব নোৱাৰি। ভাষাই নিজৰ ধৰণে গতি কৰে। ভাষাৰ গতি-প্ৰকৃতিক কালানুক্ৰমিকভাৱেও বিচাৰ কৰিব পাৰি বা এছোৱা সময়ৰ স্থিৰীকৃত ৰূপকো পৰ্যালোচনা কৰিব পাৰি।

ভাষাৰ প্ৰচলন এখন সমাজত হয়। কোনো ভাষা সম্প্ৰদায়ে এখন ঠাইত থাকি পৰস্পৰৰ মাজত ভাব বিনিময় কৰিবলৈ ভাষাটো ব্যৱহাৰ কৰে। কোনো ভূ-খণ্ডত এটা মাত্ৰ ভাষা থাকিলে আৰু তালৈ আন ভাষী লোকৰ আগমন নঘটিলে অথবা উক্ত ভাষা কোৱা লোকো বেলেগ ভাষা কোৱা মানুহৰ ঠাইলৈ নগ'লে ভাষাটো মৌলিক ৰূপত থাকিব। কিন্তু বাস্তৱত তেনে নহয়। ব্যৱহাৰিক প্ৰয়োজনত কেইবাটাও ভাষা-সম্প্ৰদায়ৰ লোকে একেখন ঠাইত বাস কৰিব পাৰে। তেনে ক্ষেত্ৰত তেওঁলোকৰ ভাষাসমূহৰ মাজত পাৰস্পৰিক বিনিময় ঘটে আৰু ভাষাসমূহৰ মাজত সংযোগ সাধিত হয়। এটা ভাষাই আন এটা ভাষাৰ উপাদান গ্ৰহণ কৰে। সামৰিক, ৰাজনৈতিক বা প্ৰাকৃতিক কাৰণত কোনো ভাষা সংখ্যালঘুত পৰিণত হ'লে

তেওঁলোকে সংখ্যাগৰিষ্ঠৰ ভাষাক নিজৰ বুলি গ্ৰহণ কৰে। পাৰস্পৰিক বুজাবুজি নথকা কেইবাটাও বা দুটা ভাষা সম্প্ৰদায়ৰ লোকে এঠাইত বসতি আৰম্ভ কৰিলে যোগাযোগৰ খাতিৰত তেওঁলোকৰ ভাষাসমূহৰ মাজত সংযোগ ঘটি সম্পূৰ্ণ নতুন ভাষা ৰূপৰ জন্ম হ'ব পাৰে। সিয়ে হৈছে 'পিজিন'। হাৱাইন পিজিন, ইংৰাজী চীনা পিজিন ইয়াৰ নিদৰ্শন। লাহে লাহে তেনে পিজিন সেই ঠাইৰ যোগাযোগৰ সাধাৰণ মাধ্যম হৈ পৰে। তেতিয়া তাক ক্ৰেওল বোলে। জামাইকান ক্ৰেওল, হাৱাইন ক্ৰেওল এনে ভাষিক সংযোগৰ ক্ৰমাগত পৰিণতি। আকৌ ভিন্ন ভাষী আৰু সংস্কৃতিৰ মানুহ একেখন ঠাইত থাকিলে তেওঁলোকৰ ভাষা-সংস্কৃতিৰ সংযোগ আন এক ধৰণেও ঘটে। সংস্কৃতিৰ বিভিন্ন দিশ, যেনে— খোৱা-পিন্ধা, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, বিশ্বাস, ধ্যান-ধাৰণাৰ আদান-প্ৰদান ঘটাৰ দৰে ভাষিক উপাদানৰো সংমিশ্ৰণ ঘটে। এটা ভাষাৰ ধ্বনিগত-ৰূপগত বৈশিষ্ট্য আন এটা ভাষাত সোমাই পৰি ভাষাটোক সুকীয়া প্ৰকৃতি প্ৰদান কৰিব পাৰে। অসমীয়া ভাষাৰ ক্ষেত্ৰত এই কথা সুন্দৰকৈ খাটে। ই মগধীয় ভাষা হোৱা স্বত্বেও দন্ত্য-মূৰ্দ্ধণ্য ধ্বনিৰহিত ভাষা। তাৰ সলনি দন্তমূলীয় ধ্বনিৰে ভাষাটো মগধীয় ভাষাসমূহৰ পৰা পৃথক হৈ পৰিছে। নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ বহুলতা, পুৰুষবাচক নিৰ্দিষ্টতাবাচক বিভক্তি, ক্ৰিয়াৰ নঞৰ্থকতা, আদিৰ ক্ষেত্ৰতো ভগ্নীস্থানীয় ভাষা (বঙলা, উড়িয়া, মৈথিলী, মগধী, ভোজপুৰী)-ৰ পৰা অসমীয়া ভাষা স্বকীয়তাৰে সমৃদ্ধ। ই হ'ল চৌপাশৰ আৰ্যভিন্ন ভাষাসমূহে অসমীয়া ভাষাৰ ওপৰত পেলোৱা প্ৰভাৱৰ ফল। বিভিন্ন ভাষাৰ সংযোগমূলক পৰিঘটনাই ভাষাৰ শব্দসম্ভাৰকো প্ৰভাৱিত কৰে। সাংস্কৃতিক উপাদানৰ বিনিময়ৰ লগে লগে সেই উপাদানৰ লগত জড়িত শব্দৰাজিও এটা ভাষাৰপৰা আন এটা ভাষালৈ আহে। ইচ্ছাকৃতভাৱেও এটা ভাষাই আন এটা ভাষাৰপৰা শব্দ গ্ৰহণ কৰিব পাৰে। অসমীয়া ভাষাৰ আইন-আদালত, শিক্ষা, খাদ্য আদি সম্পৰ্কীয় অনেক শব্দ বিদেশী ভাষাৰপৰা অহা। তেনেদৰে মাছ-কাছ, ঠাই, নদীবাচক শব্দ কিছুমান তিব্বতবৰ্মীয় ভাষাৰপৰা গ্ৰহণ কৰা হৈছে। এনে সংযোগৰ দ্বাৰাই অসমীয়া ভাষাই সমৃদ্ধিশালী হৈ উঠিছে।

কোনো ভাষাৰ আন ভাষা আৰু সংস্কৃতিৰ সৈতে ঘটা সংযোগৰ ফলত তিনিপ্ৰকাৰৰ শব্দগত আমদানি ঘটিব পাৰে। একে ৰূপ আৰু একে অৰ্থতে মূল শব্দ অন্য ভাষাই গ্ৰহণ কৰিব পাৰে। যেনে— ইংৰাজী ভাষাৰ চাইকেল, ৰেডিঅ', টিভি, মটৰ, ফাইল, স্কুল, কলেজ, অফিচ, পুলিচ, ডেস্ক আদি শব্দ, পৰ্তুগীজ ভাষাৰ আনাৰস, আলমাৰী, আহোম ভাষাৰ বুৰঞ্জী, কিংখাপ, নিচাদেউ, আপাদেউ, স্বৰ্গদেউ আদি শব্দ অসমীয়া ভাষাত হুবহু ৰূপতে সোমাইছে। নিজৰ ভাষাৰ এটা অংশৰ লগত বিদেশী বা আন ভাষাৰ অইন এটা অংশ জোৰা পাতি বহিও কিছুমান শব্দ সৃষ্টি হয়। ইও ভাষা-সংযোগৰে পৰিণতি। অসমীয়া ভাষাৰ মাষ্টৰণী, ডাক্তৰণী, হেডপণ্ডিত, ৰেলগাড়ী, উৰাজাহাজ, চাহাবী, ফিল্মী, বেআইনী, বেকায়দা আদি শব্দ অইন ভাষা, যেনে— ইংৰাজী, আৰবী আদি ভাষাৰ সৈতে হোৱা সংযোগৰ ফলত সৃষ্টি হৈছে। অন্য সংস্কৃতিৰ পৰম্পৰাৰ প্ৰভাৱতো ভাষাত কিছুমান শব্দ বাক্যাংশৰ সৃষ্টি হ'ব পাৰে। ইংৰাজী ভাষাৰ Good morning, Good evening, Good night, Happy Birthday, Happy New Year, আদিৰ অসমীয়া ৰূপ হিচাপে সুপ্ৰভাত,

শুভ সন্ধিয়া, শুভ ৰাত্ৰি, শুভ জন্মদিন, শুভ নৱবৰ্ষ আদি খণ্ডবাক্যৰ ব্যৱহাৰএনে সাংস্কৃতিক সংযোগৰ নিদৰ্শন।

| **আত্মমূল্যায়ণ প্ৰশ্ন** |
| --- |
| সংস্কৃতিৰ পৰিবৰ্তনে ভাষাৰ পৰিবৰ্তন ঘটাব পাৰেনে? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক) |
| ................................................................................................................ |
| ................................................................................................................ |
| ................................................................................................................ |

## ১.৭ সাৰাংশ (Summing Up)

দৰাচলতে সময়ৰ সোঁতত হোৱা ভাষাৰ পৰিৱৰ্তনত ভাষিক-সাংস্কৃতিক সংযোগে গুৰুত্বপূৰ্ণ ভূমিকা লয়। ভাষিক-সাংস্কৃতিক সংযোগত একোটা নতুন ভাষাৰো উত্থান ঘটিব পাৰে। অসমীয়া ভাষাৰ বিকাশ আৰু সমৃদ্ধিৰ ক্ষেত্ৰতো এনে সংযোগৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। অসমীয়া ভাষা মূলগতভাৱে আৰ্যগোষ্ঠীৰ ভাষা হ'লেও ই অসম ভূ-খণ্ডৰ প্ৰাচীন অধিবাসী অষ্ট্ৰিক আৰু কিৰাট গোষ্ঠীৰ ভাষাৰ দ্বাৰা প্ৰভাৱিত হৈ বিকশিত হৈছিল আৰু সময়ে সময়ে ইয়ালৈ প্ৰব্ৰজন ঘটা বিভিন্ন ভাষা গোষ্ঠীৰ ভাষা আৰু সংস্কৃতিৰ সমল গ্ৰহণেৰে সমৃদ্ধ আৰু পৰিবৰ্দ্ধিত হৈছে।

## ১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১। সংস্কৃতি কিদৰে ভাষাৰ ওপৰত নিৰ্ভৰশীল?

২। ভাষাৰ পৰিপুষ্টিত সংস্কৃতিয়ে কিদৰে সহায় কৰে?

৩। ভাষাৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ যত্ন কৰক।

## ১.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


| | | |
| --- | --- | --- |
| উপেন্দ্ৰনাথ গোস্বামী | ঃ | ভাষা বিজ্ঞান, ১৯৭০, অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ, ১৯৯১ |
| খগেশ সেন ডেকা (সম্পা.) | ঃ | ভাষা-চিন্তা-বিচিত্ৰা, ২০০০ |
| নবীন চন্দ্ৰ শৰ্মা | ঃ | অসমীয়া লোক-সংস্কৃতিৰ আভাস, ১৯৯৫ |
| ——— | ঃ | অসমৰ কৃতি-কৃষ্টি-সংস্কৃতি, ২০১২ |
| নাহেন্দ্ৰ পাদুন (সম্পা.) | ঃ | ভাষাৰ তত্ব কথা, ১৯৯৩ |
| ৰমেশ পাঠক | ঃ | ভাষাবিজ্ঞানৰ ভূমিকা, ১৯৯১ |
| ৰামেশ্বৰ শ' | ঃ | সাধাৰণ ভাষা বিজ্ঞান ও বাংলা ভাষা, ১৯৯২ |

| | | |
|---|---|---|
| শৈলেন ভৰালী (সম্পা.) | ঃ | অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতি, ১৯৯৬ |
| সুকুমাৰ বিশ্বাস | ঃ | ভাষাবিজ্ঞান পৰিচয়, ১৯৬৮ |
| সুকুমাৰ সেন | ঃ | ভাষাৰ ইতিবৃত্ত, ১৯৮৭ |
| Edward Sapir | : | Language, 1921 |
| Leonard Bloomfield | : | Language, 1935 |


* * *

## দ্বিতীয় বিভাগ
## মধ্যযুগীয় অসমীয়া ভাষা

**বিভাগৰ গঠন ঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ অসমীয়া ভাষাৰ জন্ম-উৎস
২.৪ অসমীয়া ভাষাৰ বিকাশৰ স্তৰ বিভাজন
২.৫ মধ্যযুগীয় অসমীয়া ভাষাৰ বৈশিষ্ট্য
২.৬ মধ্যযুগীয় অসমীয়া ভাষাত সমন্বয়ৰ ধাৰণা
২.৭ সাৰাংশ (Summing Up)
২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ২.১. ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত সাংস্কৃতিক আৰু ভাষিক সংযোগৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত মধ্যযুগৰ অসমীয়া ভাষাৰ বিষয়ে পৰ্যালোচনা কৰা হ'ব।

অসমীয়া ভাষা— অসমৰ প্ৰধান ভাষা। ই উত্তৰ-পূৱ ভাৰতৰ সংযোগী ভাষাৰূপেও প্ৰচিলত। ২০১১ চনৰ লোকপিয়ল অনুসৰি ৰাজ্যখনৰ প্ৰায় ডেৰ কোটি লোকে এই ভাষাটো কয়। অনেক কালজয়ী সাহিত্যৰে সমৃদ্ধিশালী অসমীয়া ভাষাৰ ইতিহাসো বেচ প্ৰাচীন। ভাষা পৰিয়ালৰ দৃষ্টিকোণেৰে এই ভাষা ইণ্ড' ইউৰোপীয় ভাষা পৰিয়ালৰ ইণ্ড' ইৰাণীয় শাখাৰ অন্তৰ্গত ভাৰতীয় আৰ্যভাষাৰ নব্য স্তৰৰ ভিতৰুৱা ভাষা। ভাষাতাত্ত্বিকসকলৰ মতে খৃষ্টীয় দশম শতিকামানত মধ্য ভাৰতীয় আৰ্যভাষাৰ অৱহট্‌ঠ স্তৰৰ পৰা নব্য ভাৰতীয় আৰ্যভাষাসমূহ বিকশিত হৈছে আৰু তেতিয়াৰেপৰা নানা পৰিৱৰ্তনৰ মাজেৰে আহি বৰ্তমানৰ পৰ্যায় পাইছেহি। নিশ্চিতভাৱে এই দীঘলীয়া সময়ছোৱাত (খ্ৰীষ্টীয় ১০ম শতিকাৰ পৰা খ্ৰীষ্টীয় ২১ শতিকালৈ) আন আৰ্যভাষাসমূহৰ দৰে অসমীয়া ভাষায়ো নানা কাৰকৰ প্ৰভাৱত বিভিন্ন পৰিৱৰ্তন লভিছে। আৰ্যসকল অসমলৈ অহাৰ আগতে অসমত কিবা উমৈহতীয়া কথিত ভাষা আছিল নেকি, সেয়া নিশ্চিত হ'ব নোৱাৰিলেও এটা কথা ঠিক যে, আৰ্যসকল অসমৰ আদিম অধিবাসী নহয়। গতিকে পিছৰ কালত প্ৰৱেশ কৰা আৰ্যসকলৰ অসমীয়া ভাষা অসমৰ প্ৰধান ভাষাৰূপে গঢ়ি উঠিবলৈ ধৰোঁতে সি নিশ্চিতভাৱে থলুৱা ভাষাসমূহৰদ্বাৰা প্ৰভাৱিত হৈছিল বুলি অনুমান কৰিব পাৰি। কিয়নো ভাষা সদায় তাৰ পাৰিপাৰ্শ্বিকতাত প্ৰচলিত আন ভাষা-ধৰ্ম-সংস্কৃতিৰ দ্বাৰা প্ৰভাৱিত হয়। সিবোৰৰ সংস্পৰ্শলৈ অহাৰ ফলত ভাষাত আন ভাষাৰ উপাদান সোমাই পৰে। অসমীয়া ভাষাত আৰ্যভিন্ন ভাষাৰ উপাদান প্ৰাপ্তিয়ে

এনে ভাষিক-সাংস্কৃতিক সংযোগৰ কথাকে প্ৰমাণিত কৰে। এই বিভাগটোত অসমীয়া ভাষাৰ মধ্যযুগৰ প্ৰেক্ষাপটত সমকালীন ভাষিক বৈশিষ্ট্য আৰু সিবোৰৰ ক্ষেত্ৰত ঘটা ভাষিক সাংস্কৃতিক সংযোগৰ কথা বিচাৰ কৰা হ'ব।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ অন্তত আপুনি—

১। অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ গতি-প্ৰকৃতি সম্পৰ্কে অৱগত হ'ব পাৰিব,

২। মধ্যযুগৰ অসমীয়া ভাষাৰ বৈশিষ্ট্য সম্পৰ্কে জানিব পাৰিব,

৩। মধ্যযুগীয় অসমীয়া ভাষাৰ বিকাশৰ পটভূমি সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব।

## ২.৩ অসমীয়া ভাষাৰ জন্ম-উৎস

অসমীয়া ভাষা নব্য ভাৰতীয় আৰ্য ভাষা বুলি সৰ্বজন স্বীকৃত হ'লেও তাৰ উৎস সম্পৰ্কত কেইবাটাও মত আছে। জৰ্জ আব্ৰাহাম গ্ৰীয়াৰ্চন, তাৰাপৰোৱালা, সুনীতি কুমাৰ চেটাৰ্জী, বাণীকান্ত কাকতি, বিৰিঞ্চি কুমাৰ বৰুৱা, উপেন্দ্ৰনাথ গোস্বামী, গোলোকচন্দ্ৰ গোস্বামী, মহেশ্বৰ নেওগ, নগেন ঠাকুৰ, ভীমকান্ত বৰুৱা আদি ভাষাবিজ্ঞানীসকলে— মাগধী অপভ্ৰংশৰ পৰা অসমীয়া ভাষাৰ উৎপত্তি হোৱা বুলি মত পোষণ কৰিছে। গ্ৰীয়াৰ্চনৰ মতে, ভাৰতীয় আৰ্যভাষাৰ বহিবৃত্ত দলৰ অন্তৰ্গত পূৰ্বী শাখাৰ মাগধী অপভ্ৰংশৰপৰা উড়িয়া, বিহাৰী, বাংলা ভাষাৰ লগতে অসমীয়া ভাষাৰ জন্ম হয়। সুনীতি চেটাৰ্জীয়ে মাগধী অপভ্ৰংশৰ অন্তৰ্গত কামৰূপ উপভাষাৰপৰা অসমীয়া ভাষাৰ জন্ম হৈছে বুলিছে। বাণীকান্ত কাকতিয়েও 'Assamese : Its Formation and Development' গ্ৰন্থত অসমীয়া ভাষা মাগধী অপভ্ৰংশৰ পৰা উদ্ভুত বুলি মন্তব্য কৰিছে। আনহাতে, বেণীমাধৱ বৰুৱা, ডিম্বেশ্বৰ নেওগ, বিশ্বেশ্বৰ হাজৰিকাৰ মতে অসমীয়া ভাষাৰ জন্ম মাগধী প্ৰকৃতৰ সলনি কামৰূপী প্ৰাকৃতৰ পৰাহে হৈছে। প্ৰাক্-আহোম যুগৰ কামৰূপৰ হিন্দু ৰজাসকলৰ সংস্কৃতত লিখিত তাম্ৰফলিবোৰত প্ৰাপ্ত আৰ্যভিন্ন শব্দসমূহৰ মাজেৰে সমকালীন জনসাধাৰণৰ মাজত প্ৰচলিত কথিত ভাষাটোৰ সুকীয়া অস্তিত্ব ঘোষিত হোৱা বুলি ধৰি লৈ এইসকল ভাষাতাত্ত্বিকে তাক 'কামৰূপী প্ৰাকৃত' নাম দিছে আৰু তাৰ পৰা অসমীয়া ভাষাৰ উৎপত্তি হোৱা বুলি কৈছে। বিশ্বেশ্বৰ হাজৰিকাই তেওঁৰ 'অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ' গ্ৰন্থত খ্ৰীঃ ৪ৰ্থ শতিকাৰপৰা অষ্টাদশ শতিকাৰ শিলালিপি, তাম্ৰ শাসনসমূহৰ আখৰৰ গঢ়ৰ বিষয়ে চিত্ৰসহ আলোচনা কৰি অসমীয়া ভাষাৰ মূল 'কামৰূপী প্ৰাকৃত' বুলি সাব্যস্ত কৰিবলৈ যত্ন কৰিছে। তেওঁৰ মতে, প্ৰাচীন প্ৰাগ্‌জ্যোতিষলৈ খ্ৰীঃপূঃ ৫ম শতিকাত অহা আৰ্যসকলে প্ৰাচ্য অশোকীয় প্ৰাকৃত ভাষাৰ প্ৰাচীনতৰ মধ্যকালীন ভাৰতীয় আৰ্যভাষা এটা কৈছিল। এই মধ্যকালীন আৰ্যভাষাটোৰ ক্ৰমবিৱৰ্তনৰ ফলশ্ৰুতিত ক্ৰমে প্ৰাগজ্যোতিষ প্ৰাকৃত, কামৰূপী প্ৰাকৃত আৰু ইয়াৰ অপভ্ৰংশ ৰূপৰ পৰাই অসমীয়া

ভাষাৰ জন্ম হৈছে। ‘অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব’ গ্ৰন্থত কালিৰাম মেধিয়ে মাগধী আৰু শৌৰসেনী অপভ্ৰংশৰ সংমিশ্ৰণত অসমীয়া ভাষাৰ জন্ম হৈছে বুলি মন্তব্য কৰিছে। অসমীয়া ভাষাতত্ত্ব অধ্যয়ন আৰু চৰ্চা কৰোঁতাসকলৰ ভিতৰত দেৱানন্দ ভৰালি অগ্ৰণী আৰু স্মৰণীয় ব্যক্তি। ভৰালিৰ মতে অসমীয়া ভাষাত মাগধী প্ৰাকৃতৰ উপৰিও সৌমাৰ প্ৰাকৃত আৰু কামৰূপী প্ৰাকৃত নামৰ দুটা প্ৰাকৃতৰ অস্তিত্ব পোৱা যায়। দুয়োটা প্ৰাকৃতক একেলগে ‘অসমীয়া প্ৰাকৃত’ নামকৰণ কৰি তেওঁ অসমীয়া ভাষাৰ দীঘে-বাণিয়ে দুয়োটা প্ৰাকৃতৰ বিশেষত্বখিনি সোমাই আছে। কনকলাল বৰুৱাই পৈশাচী প্ৰাকৃতক অসমীয়া ভাষাৰ মূল বুলি অভিহিত কৰিছে। অৰুণোদই যুগৰ মিছনেৰী বৈয়াকৰণিক ড° নাথান ব্ৰাউনে ১৮৪৮ চনত ৰচনা কৰা তেওঁৰ ‘Grammatical Notes on the Assamese Language’ গ্ৰন্থৰ পাতনিত অসমীয়া ভাষাৰ ওপৰত অনাৰ্য উপাদানৰ প্ৰাচুৰ্যলৈ লক্ষ্য কৰি কোনো এক অনাৰ্য ভাষাৰ ওপৰত সংস্কৃত ভাষাৰ গাঁথনি আৰোপ কৰাৰ ফলত অসমীয়া ভাষাৰ উদ্ভৱ হৈছে বুলি কৈছে। এনেদৰে অসমীয়া ভাষাৰ মূল সম্পৰ্কে কেইবাটাও মত থাকিলেও সৰহ সংখ্যক পণ্ডিতে মাগধী প্ৰাকৃতেই অসমীয়া ভাষাৰ মূল বুলি মত পোষণ কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

(১) মাগধী অপভ্ৰংশৰ পৰা অসমীয়া ভাষাৰ উৎপত্তি হৈছে বুলি কোন কেইগৰাকী পণ্ডিতে কৈছে?

..........................................................................................

..........................................................................................

..........................................................................................

(২) আপোনাৰ বিচাৰত অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কীয় কোনটো মত সবাতোকৈ গ্ৰহণযোগ্য?

..........................................................................................

..........................................................................................

..........................................................................................

## ২.৪ অসমীয়া ভাষাৰ বিকাশৰ স্তৰ বিভাজন

মাগধী প্ৰাকৃতৰ অপভ্ৰংশ ৰূপৰপৰা অসমীয়া ভাষাৰ জন্ম বুলি ধৰিলে ভাষাটোৰ জন্ম সময় দশম শতিকা। কিন্তু তাৰো আগত ৬৪৩ খ্ৰীঃত কুমাৰ ভাস্কৰবৰ্মাৰ ৰাজত্বকালত কামৰূপলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙে তেওঁৰ টোকাত অসমীয়া ভাষাৰ স্বকীয়তা প্ৰসংগত লিখি থৈ গৈছিল ঃ “তেওঁলোকৰ (কামৰূপৰ মানুহৰ) ভাষা মধ্য ভাৰতৰ ভাষাৰপৰা সামান্য বেলেগ।” এই মন্তব্যই খ্ৰীষ্টীয় সপ্তম শতিকাৰেপৰা অসমীয়া ভাষাই

সুকীয়া গঢ় লোৱা কথাৰ প্ৰমাণ দিয়ে। ইয়াৰ উপৰিও খৃষ্টীয় ৫ম-৬ষ্ঠ শতিকামানত সংস্কৃতত লিখিত হিন্দু ৰজাসকলৰ তামৰ ফলি, খ্ৰীষ্টীয় ৮ম-১২শ শতিকাৰ ভিতৰত ৰচিত বৌদ্ধ সহজযান পন্থাৰ ধৰ্মীয় গীত 'চৰ্যাপদ', বড়ু চণ্ডীদাসৰ 'শ্ৰীকৃষ্ণ কীৰ্ত্তন' গ্ৰন্থতো খণ্ডিত ৰূপত অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক, শব্দতাত্ত্বিক নিদৰ্শন কেতবোৰ পৰিলক্ষিত হয়। সেয়ে এনে নিদৰ্শনবোৰৰ ঐতিহাসিক গুৰুত্বলৈ লক্ষ্য ৰাখি উপেন্দ্ৰনাথ গোস্বামী প্ৰমুখ্যে কিছুসংখ্যক ভাষাবিজ্ঞানীয়ে ভাষাটোৰ ক্ৰমবিকাশৰ যুগ বিভাজন কৰোঁতে ইহঁতক 'উদ্ভৱকালীন যুগ'ৰ নিদৰ্শন বুলি ধৰিছে। গোস্বামীয়ে অসমীয়া ভাষাৰ যুগ বিভাজন এনেদৰে কৰিছে—

১। প্ৰত্ন অসমীয়া বা উদ্ভৱকালীন যুগ (৭ম -১৩শ শতিকা)
২। প্ৰাচীন যুগ বা প্ৰাচীন অসমীয়া (১৪শ১৬শ শতিকা)
৩। মধ্য যুগ বা মধ্য অসমীয়া (১৭-১৯ শতিকাৰ আদিলৈ)
৪। আধুনিক যুগ বা আধুনিক অসমীয়া (১৯শ-বৰ্তমানলৈ)

উল্লেখ্য যে, প্ৰত্ন অসমীয়া বা উদ্ভৱকালীন যুগৰ বুলি ধৰি লোৱা 'চৰ্যাপদ', 'শ্ৰীকৃষ্ণ কীৰ্ত্তন' গ্ৰন্থ আৰু তামৰ ফলিত অসমীয়া ভাষাৰ খণ্ডিত নিদৰ্শনহে প্ৰাপ্ত হয়। নিভাঁজ অসমীয়া ভাষাত ৰচিত পূৰ্ণ পুথি চতুৰ্দশ শতিকাৰ পৰাহে পোৱা যায়। চতুৰ্দশ শতিকাৰ কবি হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যই হৈছে প্ৰথমখন অসমীয়া কাব্য। সেয়ে বাণীকান্ত কাকতিয়ে এই কাব্যৰপৰা অসমীয়া ভাষাৰ যুগ বিভাজন আৰম্ভ কৰিছে। তেখেতে চৰ্যাপদ আৰু 'শ্ৰীকৃষ্ণ কীৰ্ত্তন' গ্ৰন্থৰ ভাষাক 'প্ৰত্ন অসমীয়া'ৰ নিদৰ্শন বুলি যুগবিভাগত সামৰি লোৱা নাই। 'Assamese : Its Formation and Development' গ্ৰন্থত তেখেতে ভাষাটোৰ যুগ বিভাগ এনেদৰে কৰিছে—

(ক) পুৰণি অসমীয়া (১৪শ শতিকা-১৬শ শতিকা)
— প্ৰাক্-বৈষ্ণৱ
— বৈষ্ণৱ যুগ
(খ) মধ্যযুগৰ অসমীয়া (১৭শ শতিকা-১৯শতিকাৰ আৰম্ভণিলৈ)
(গ) আধুনিক অসমীয়া (১৯শতিকাৰ আৰম্ভণিৰপৰা বৰ্তমানলৈ)

অৱশ্যে কাকতিয়ে শংকৰদেৱৰ সময়ৰপৰা বৈষ্ণৱ যুগৰ আৰম্ভণি ধৰিলেও তাৰো আগৰেপৰা অসমীয়া সাহিত্যত বৈষ্ণৱ আদৰ্শ প্ৰৱাহিত হৈ আহিছে। সেই দিশেৰে কাকতিৰ প্ৰাচীন অসমীয়া ভাষাৰ উপস্তৰ দুটিক লৈ পৰৱৰ্তী পণ্ডিতসকলৰ পুনৰ আলোচনাৰ অৱকাশ থাকিলেও মধ্য অসমীয়া আৰু আধুনিক অসমীয়া ভাষাৰ সময়সীমা সন্দৰ্ভত দ্বিমত দেখা নাযায়।

অসমীয়া ভাষাৰ নিদৰ্শন খণ্ডিত ৰূপতহে প্ৰাপ্তি হয় বুলি ইতিমধ্যে উল্লেখ কৰা হৈছে। শিলালেখ-তাম্ৰলেখ, 'চৰ্যাপদ', 'শ্ৰীকৃষ্ণ কীৰ্ত্তন' গ্ৰন্থত পৰিলক্ষিত হোৱা স্বৰভক্তিৰ জৰিয়তে তৎসম শব্দৰ অৰ্দ্ধ তৎসম ৰূপ গ্ৰহণ; ক্ষ>খ; কৰ্ত্তা কাৰকত -এ,

নিমিত্ত কাৰকত -লৈ, সম্বন্ধ পদত -ৰ, অধিকৰণ কাৰকত -ত বিভক্তি; {-ইব} প্ৰত্যয়েৰে ভৱিষ্যত কাল নিৰ্দেশ; {-ইল} প্ৰত্যয়েৰে অতীত কালৰ নিৰ্দেশ আদি লক্ষণবোৰক উদ্ভৱকালীন সময়ৰ লক্ষণ বুলি ঠাৱৰ কৰা হৈছে। এই সময়ছোৱাত অসমীয়া ভাষাৰ এনে দুই-এটা লক্ষণেৰে ভাষাটো ছেগা-ছোৰোকাকৈ গঢ় লৈ উঠিছিল। ভাষাটোৰ পূৰ্ণাংগ গঠন এটা চতুৰ্দশ শতিকালৈ পৰিলক্ষিত হয়। এই শতিকাত ৰচিত হোৱা 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যৰ পৰা 'প্ৰাচীন অসমীয়া' যুগৰ আৰম্ভণি ধৰা হৈছে। প্ৰাক্-শংকৰী যুগৰ কবি হেম সৰস্বতী, ৰুদ্ৰ কন্দলি, হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী, মাধৱ কন্দলিৰ কাব্য, শংকৰদেৱ-মাধৱদেৱৰ সাহিত্য, ভট্টদেৱৰ 'কথা-গীতা', 'কথা-ভাগৱত' গ্ৰন্থ এই যুগৰ সাহিত্যিক তথা ভাষিক নিদৰ্শন। যুক্তাক্ষৰৰ সৰলীকৰণ, হ্ৰস্ব-দীৰ্ঘ স্বৰৰ পাৰ্থক্যহীনতা, শ-ষ-সৰ যাদৃচ্ছিক প্ৰয়োগ, দন্ত্য ধ্বনিৰ সঘন ব্যৱহাৰ, ইব-প্ৰত্যয়ান্ত অতীত কৃদন্ত ৰূপ, {গোট}, {-টো}, {-খান} আদি নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ প্ৰাচীন যুগৰ ভাষাৰ নিদৰ্শন। দৰাচলতে ৫ম-৬ষ্ঠ শতিকাৰপৰা ১৩শ শতিকাৰ ভিতৰত উন্মেষিত হোৱা অসমীয়া ভাষাই চতুৰ্দশ শতিকাত হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত' কাব্যত পূৰ্ণ ভাষাৰূপে গঢ় লৈ উঠে আৰু সমকালত মাধৱ কন্দলিৰ 'সপ্ত কাণ্ড ৰামায়ণ' যোগে পৰিপুষ্টি লাভ কৰে। পৰৱৰ্তী কালত এই সাহিত্যিক ভাষা অসমৰ ধৰ্ম-ভাষা-সংস্কৃতিৰ কাণ্ডাৰী পুৰুষ শংকৰদেৱৰ বিশাল পৰিমাণৰ সাহিত্যৰ মাজেৰে ন ন শৈলীসমৃদ্ধ হ'ল। ভাষাটোৰ এনে সমৃদ্ধি বিকাশত মাধৱদেৱ, পীতাম্বৰ, মনকৰ, দুৰ্গাবৰ, সুকবি নাৰায়ণদেৱ, ৰাম সৰস্বতী, অনন্ত কন্দলি আদি কবিসকলৰো অৱদান যথেষ্ট আছিল। ষষ্ঠদশ শতিকাৰ মাজভাগত ভট্টদেৱৰ 'গীতা', 'ভাগৱত' গ্ৰন্থ অসমীয়াত কথালৈ ভাঙনি কৰা কাৰ্যয়ো অসমীয়া ভাষাৰ বিকাশক নতুন গতি প্ৰদান কৰে আৰু সপ্তদশ শতিকাত বুৰঞ্জী পুথি আৰু চৰিত পুথিসমূহে তাক বলিষ্ঠতা প্ৰদান কৰে। প্ৰাচীন যুগত অসমীয়া ভাষা ঘাইকৈ কাব্যকেন্দ্ৰিক হোৱাৰ বিপৰীতে মধ্যযুগত অৰ্থৎ সোতৰ শতিকাৰপৰা ই গদ্যকেন্দ্ৰিকো হ'বলৈ ধৰে। ৰজাঘৰ আৰু সত্ৰৰ পৃষ্ঠপোষকতাত গদ্য সাহিত্যৰ উত্থান আছিল এইটো যুগৰ সবাতোকৈ গুৰুত্বপূৰ্ণ দিশ। আহোম ৰজাৰ পৃষ্ঠপোষকতাতে এই সময়ছোৱাত গদ্যত অলেখ বুৰঞ্জী পুথি, ব্যৱহাৰিক বিষয়ৰ পুথি ৰচিত হৈছিল আৰু ভাষাটো নতুন ধৰণে সমৃদ্ধ হৈছিল। এই স্তৰত পুৰণি অসমীয়া ভাষাৰ কিছুমান বৈশিষ্ট্য পৰম্পৰানুগামী হৈ প্ৰবাহিত হোৱাৰ সমান্তৰালভাৱে ভালেমান নতুন বৈশিষ্ট্য গঢ় লৈ উঠিছিল। সত্যেন্দ্ৰনাথ শৰ্মাই তেখেতৰ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থত এই যুগটোক 'বিস্তাৰ যুগ' ৰূপে অভিহিত কৰি তাৰ সাহিত্যিক নিদৰ্শনক কেইবাটাও ভাগত বিভক্ত কৰিছেঃ চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য, আদি ৰসাত্মক সাহিত্য, শাক্ত সাহিত্য, ব্যৱহাৰিক সাহিত্য আৰু বিবিধ বিষয়ৰ সাহিত্য। বাকী কেইবিধ সাহিত্যক বাদ দি চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য আৰু ব্যৱহাৰিক সাহিত্যসমূহৰ অধিকাংশই আছিল গদ্যত ৰচিত। সেয়ে বহু সংখ্যক ভাষাতাত্ত্বিকে এই যুগটোক 'গদ্য সাহিত্যৰ বিকাশৰ যুগ' বুলি অভিহিত কৰিছে।

অসমীয়া ভাষাৰ আধুনিক যুগৰ আৰম্ভণি ১৯৪৬ চনত প্ৰকাশিত 'অৰুণোদই' কাকতৰ পৰা হয়। পোনতে উচ্চাৰণ ভিত্তিক বৰ্ণ বিন্যাস ৰীতি অনুসৰণ কৰা এই সংবাদপত্ৰখনে শিৱসাগৰ অঞ্চলৰ উপভাষাটোক মান্য অসমীয়া ৰূপে প্ৰতিষ্ঠিত হোৱাত প্ৰভূত অৰিহণা যোগাইছিল। খৃষ্টান আৰু অখৃষ্টীয়ান লেখকসকলে অসমীয়াত গদ্য-পদ্য ৰচনা কৰি ১৮৪৬ চনত অসমৰ ৰাজকাৰ্যৰপৰা বিতাড়িত হোৱা অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠা লাভত সহায় কৰিছিল। অৱশ্যে ইংৰাজী বাক্য-ৰীতিৰ প্ৰভাৱে এই সময়ৰ গদ্যৰ ভাষা গঠনৰ দিশেৰে পূৰ্বৰ গদ্যতকৈ পৃথক হৈছিল। ১৮৮৯ চনত 'জোনাকী' আলোচনীৰ প্ৰকাশে অসমীয়া ভাষাৰ প্ৰতিষ্ঠা আৰু বিকাশৰ গতি ত্বৰান্বিত কৰিলে। গল্প, কবিতা, উপন্যাস, নাটক, ৰম্য ৰচনা, জীৱনী আদি ন ন শাখাৰ সাহিত্য ৰচনাই ভাষাটোক প্ৰকাশিকা শক্তি বঢ়াই তুলিলে। লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ নেতৃত্বত এই সময়ছোৱাত অনেক সাহিত্যিকে সাহিত্য চৰ্চাৰে ভাষাটোৰ স্থিতি শক্তিশালী কৰি তুলিছিল। ৰোমাণ্টিক ভাৱধাৰাৰ পৰিস্ফুৰণে ভাষাকো কোমলতা-আবেগধৰ্মিতা প্ৰদান কৰিছিল। অৰুণোদয় যুগৰ হেনা-হুচা গদ্যৰ বিপৰীতে এই সময়ত অসমীয়া গদ্যই জতুৱা ঠাঁচ-খণ্ডবাক্য, তদ্ভৱ শব্দ আদিৰে স্বকীয় ৰূপত আত্মপ্ৰকাশ কৰিছিল। যুদ্ধোত্তৰ কালত ভাষাটোৰ ৰূপ অধিক বৈচিত্ৰ্যপূৰ্ণ হ'ল। পূৰ্বৰ যুগৰ ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন আদি কমিল আৰু দেশী-বিদেশী অলেখ শব্দৰ অন্তৰ্ভুক্তিয়ে ভাষাটোৰ প্ৰকাশভংগীক বৈচিত্ৰ্য আনি দিলে। ধ্বনিতাত্ত্বিক-ৰূপতাত্ত্বিক দিশতো বিদেশী ভাষাৰ দুই-এক উপাদানে ভুমুকি মাৰিলে। এক কথাত যুদ্ধোত্তৰ বা আধুনিক যুগত ভাষাৰ গাঁঠনি ঈষৎভাৱে শিথিল বা নমনীয় হ'ল।

**২.৫ মধ্যযুগীয় অসমীয়া ভাষাৰ বৈশিষ্ট্য ঃ**

পৃথিৱীৰ সকলো ভাষাৰ সাহিত্য পোনতে পদ্য বা ছন্দৰ মাজেৰে গঢ় লৈ উঠে। তাৰ পিছত লাহে লাহে সি গদ্যৰ মাজেৰে গতিশীল হ'বলৈ ধৰে আৰু ভাষাও পৈণত হৈ উঠে। অসমীয়া ভাষাৰো সাহিত্যিক উক্‌মুকনি পদ্যৰ মাজেৰে আৰম্ভ হৈছিল আৰু যোড়শ শতিকাত গদ্যৰ মাজেৰে নৱজন্ম লাভ কৰে। ভট্টদেৱে 'গীতা' আৰু 'ভাগৱত' গ্ৰন্থ কথাৰ ভাঙনি কৰাৰ পাছৰ কালত চৰিত পুথি, বুৰঞ্জী পুথি, ব্যৱহাৰিক জ্ঞানৰ পুথিয়ে গদ্য সাহিত্যৰ ধাৰাটোক শক্তিশালী কৰি তুলিছিল। প্ৰাচীন যুগত শংকৰদেৱৰ অংকীয়া নাটৰ কথা অংশৰ মাজেৰে অসমীয়া গদ্যৰ উদ্‌গম ঘটা বুলি কোনো কোনেও ক'বলৈ প্ৰয়াস কৰিলেও লয়ধৰ্মিতাই তাক প্ৰকৃত গদ্যৰ শাৰীলৈ উঠাত বাধা দিছে। তেনেদৰে ভট্টদেৱৰ গদ্যও অধিক সংস্কৃতানুগ হোৱাত সি জনসাধাৰণৰ ওচৰ চাপিব পৰা নাছিল। মধ্য যুগত ৰচিত চৰিত আৰু বুৰঞ্জীপুথিৰ গদ্য এনে দুৰ্বলতাৰপৰা মুক্ত আছিল। চৰিত সাহিত্যত কামৰূপী উপভাষাৰ আৰু বুৰঞ্জী সাহিত্যত আহোম ভাষাৰ প্ৰভাৱ আছিল। এই প্ৰভাৱে উভয় প্ৰকাৰৰ ভাষাক দৈনন্দিন জীৱনৰ ওচৰ চপাই আনিছিল। 'অসমীয়া কথা সাহিত্য' গ্ৰন্থত বিৰিঞ্চি কুমাৰ বৰুৱাই চৰিত পুথিৰ ভাষা সম্পৰ্কে এনেদৰে মন্তব্য কৰিছে ঃ "বৰ্ণনীয় বিষয়ৰ লগত প্ৰকৃত অসমীয়া জীৱনৰ

সম্বন্ধ হোৱাত আৰু সাধাৰণ প্ৰজাৰ অনুপ্ৰেৰণাৰ কাৰণে সংকলন কৰাৰ হেতু চৰিত পুথিত সৰল আবেগময়ী কথ্য ভাষা ব্যৱহৃত হৈছে।" বুৰঞ্জীসমূহো ৰাজ পৰিয়ালৰ ঘৰুৱা বৃত্তান্ত হোৱা হেতুকে তাতো সমকালীন কথ্য ভাষাৰ প্ৰয়োগ পৰিলক্ষিত হয়। 'হস্তী বিদ্যাৰ্ণৱ', 'ঘোৰানিদান', 'কামৰত্ন তন্ত্ৰ', 'নীতি লতাঙ্কুৰ' আদি ব্যৱহাৰিক শ্ৰেণীৰ পুথিবোৰত পশ্চিম অসম আৰু পূৱ অসমৰ ভাষাৰ লগতে সংস্কৃত ভাষা, পুৰণি অসমীয়া ভাষাৰ উপাদান মিশ্ৰিত হৈ থাকিলেও সামগ্ৰিক ৰূপত তাৰো ভাষা স্বাভাৱিক গদ্যৰ ঠাঁচৰ।

থোৰতে মধ্যযুগীয় অসমীয়া ভাষাৰ কেতবোৰ বৈশিষ্ট্য তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি —

(ক) -ভোৰ, -ভুৰ, -বোৰ, -সব, -বিলাক, -হঁত, -সকল আদি বহুবচনাত্মক প্ৰত্যয়ৰ ব্যৱহাৰ

(খ) -টা, -টি, -টো, -যোৰ/-জোৰ, -যুৰি/-জুৰি, -খান, -জনা, -জনী, -ডাল, -পাট আদি নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ,

(গ) কৰ্ত্তা কাৰকত -এ, কৰ্ম কাৰকত -ক, কাৰণ কাৰকত -ৰে, নিমিত্ত কাৰকত -লৈ, সম্বন্ধ পদত -ৰ, অধিকৰণ কাৰকত -ত বিভক্তি ব্যৱহাৰ,

(ঘ) -চাৰেক, -মান আদি অনিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ।

(ঙ) -ইবাক, -ইব, -ইবলৈ প্ৰত্যয়ান্ত তুমুনন্ত ৰূপ,

(চ) -ইবৰ, -অন্তে প্ৰত্যয়ান্ত কৃদন্ত ৰূপৰ ব্যৱহাৰ

(ছ) পূব অসম আৰু পশ্চিম অসমৰ ভাষাৰ শব্দ, আহোম শব্দ, আৰবী-পাৰ্চীমূলীয় শব্দৰ সন্নিবেশ; ইত্যাদি।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

(১) পণ্ডিতসকলে অসমীয়া ভাষাৰ যুগ বিভাগ কিদৰে কৰিছে?

.................................................................................................

.................................................................................................

.................................................................................................

(২) মধ্যযুগীয় অসমীয়া ভাষাৰ বিশেষত্ব উল্লেখ কৰক।

.................................................................................................

.................................................................................................

.................................................................................................

## ২.৬ মধ্যযুগীয় অসমীয়া ভাষাত সমন্বয়ৰ ধাৰণা

প্ৰাচীন যুগৰপৰা আধুনিক যুগলৈকে অসমীয়া ভাষাৰ বৈশিষ্ট্য বিচাৰ কৰিলে দেখা যায় যে, সমন্বয়-সমাহৰণৰ মাজেৰে আহি ভাষাটো বৰ্তমানৰ পৰ্যায়ত উপনীত

হৈছেহি। ভাষাটোৰ নানা ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, শব্দতাত্ত্বিক বৈশিষ্ট্যই এনে সমন্বয়-সমাহৰণক প্ৰতিফলিত কৰে। অসম ভূখণ্ডৰ বৈচিত্ৰপূৰ্ণ জনগাঁথনিয়ে ভাষাটোৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা সমন্বয় প্ৰক্ৰিয়াৰ মূল কাৰক। অসমীয়া ভাষা আৰ্যভাষা হ'লেও আৰ্যসকল অসমৰ আদিম অধিবাসী নহয়। অষ্ট্ৰিক ভাষাগোষ্ঠী আৰু চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ লোকসকলহে ইয়াৰ আদিম অধিবাসী আছিল। ভাষাতাত্ত্বিকৰ অনুমানত, বৰ্তমান খাচীয়া-জয়ন্তীয়া পাহাৰত বাস কৰা অষ্ট্ৰিক ভাষাগোষ্ঠীৰ লোকেই এই অঞ্চলৰ সৰ্বপ্ৰাচীন বাসিন্দা আছিল। আৰ্যসকলৰ অসম আগমন খ্ৰীষ্টীয় পঞ্চম শতিকামানতহে ঘটিছিল আৰু খ্ৰীষ্টীয় সপ্তম শতিকাত হিন্দু ৰাজ্য স্থাপন হোৱাত উক্ত প্ৰব্ৰজন প্ৰবলতৰ হৈছিল।

আৰ্যসকলৰ অসম আগমনৰ পাছত খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাত মংগোলীয় গোষ্ঠীৰ টাই-চীনীয়সকলৰ প্ৰব্ৰজন আছিল ভাষাগত দৃষ্টিকোণেৰে অন্য এক গুৰুত্বপূৰ্ণ ঘটনা। অসম ভূমিত নিগাজীকৈ খোপনি পুতি লোৱাৰ পাছত এই লোকসকলে নিজৰ ভাষা এৰি অসমীয়া ভাষাক গ্ৰহণ কৰিছিল।

চতুৰ্দশ শতিকাত অসমীয়া ভাষাই পূৰ্ণ ৰূপ গ্ৰহণ কৰাৰ আগতে অসমত কোনো উমৈহতীয়া ভাষা প্ৰচলিত আছিল নে অথবা সেই সময়ত থকা জনগোষ্ঠীসমূহৰ ভাষা কেনে আছিল সেয়া খাটাংকৈ ক'ব নোৱাৰিলেও আৰ্য, আৰ্যেতৰ গোষ্ঠীৰ অধিবাসীসকলৰ ভাষাৰ মাজত যে সংযোগ ঘটিছিল সেয়া নিশ্চিত হ'ব পাৰি। খ্ৰীষ্টীয় পঞ্চম-ষষ্ঠ শতিকাত সংস্কৃত ভাষাত খোদিত শিলালেখ তাম্ৰলেখসমূহত থকা অনেক দেশী শব্দ আৰু উপাদানৰ সমাবিষ্টিয়ে এনে ভাষিক সংযোগৰ ধাৰণা দিয়ে। গতিকে অনুমান কৰিব পাৰি যে প্ৰাগ্‌জ্যোতিষপুৰ-কামৰূপ নামে পৰিচিত ভূখণ্ডৰ থলুৱা অধিবাসীৰ ভাষা আৰু বিভিন্ন সময়ত প্ৰব্ৰজন ঘটা জনগোষ্ঠীৰ ভাষাৰদ্বাৰা বিভিন্ন সময়ত প্ৰভাৱিত হৈ আৰ্যভাষা অসমীয়া গঢ় লৈ উঠিছিল আৰু কালক্ৰমত যোগাযোগৰ উমৈহতীয়া মাধ্যমৰূপে ভিন্ন গোষ্ঠীৰদ্বাৰা ব্যৱহৃত হৈছিল। ভিন্ন প্ৰজাতিৰ লোকে একেলগে বাস কৰা কোনো ভূখণ্ডত যোগাযোগৰ মাধ্যমৰূপে এটা উমৈহতীয়া ভাষাৰ ব্যৱহাৰ হ'লে সেই ভাষাৰূপত প্ৰজাতিসমূহৰ ভাষা-সংস্কৃতিৰ প্ৰভাৱ পৰাটো স্বাভাৱিক কথা। সেই হেতুকেই অসমীয়া ভাষা আৰ্য ভাষা হ'লেও তাৰ ধ্বনি, ৰূপ আৰু শব্দৰ ক্ষেত্ৰত নানা থলুৱা ভাষাৰ প্ৰভাৱ অতি স্পষ্ট। আৰ্য ভাষা-সংস্কৃতিৰ প্ৰভাৱ অনা-আৰ্য অধিবাসীসকলৰ ওপৰত পৰাৰ দৰে অনা আৰ্যৰ লোকাচাৰ, লোকবিশ্বাস, দেৱ-দেৱী আদিয়েও আৰ্য গোষ্ঠীক প্ৰভাৱিত কৰিছিল। ফলত আৰ্যগোষ্ঠীৰ অসমীয়া ভাষাত অনা-আৰ্য ভাষা-সংস্কৃতিৰ অলেখ উপাদান সোমাই পৰি ভাষাটোক অন্য মাত্ৰা প্ৰদান কৰিছিল।

অসমীয়া ভাষাৰ প্ৰথম কাব্য হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যৰ ভাষা আৰু মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষাৰ মাজত পাৰ্থক্য থাকিলেও এটা কথা ঠিক যে তেওঁলোকে চৰ্চা কৰা ভাষাটো সাহিত্যিক ৰূপৰ আছিল আৰু সি পৰম্পৰানুগামী হৈ শংকৰ যুগলৈ প্ৰবাহিত হৈছিল। শংকৰদেৱৰ হাতত সি অধিক পৈণত ৰূপ লাভ কৰিছিল। শংকৰদেৱৰ পূৰ্বকালত হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলি, হৰিবৰ বিপ্ৰ আৰু মাধৱ কন্দলিৰ

হাতত সুনির্দিষ্ট ৰূপ পৰিগ্ৰহ কৰা সাহিত্যিক অসমীয়া ভাষাৰ উত্থানত ৰাজকীয় পৃষ্ঠপোষকতাই মূল কাৰক ৰূপে ক্ৰিয়া কৰিছিল। এই সময়ছোৱাত নামনি অসম আছিল সাংস্কৃতিক প্ৰাণ কেন্দ্ৰ। নামনি অসম এক ৰাজশক্তিৰ অধীনত নাথাকিলেও ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যসমূহেই কাব্য চৰ্চাৰ অনুকূল বাতাবৰণ সৃষ্টি কৰিছিল। কমতা ৰাজ্য, কছাৰী ৰাজ্যৰ পৃষ্ঠপোষকতাত প্ৰাক্‌শংকৰ যুগৰ কবিসকলে কাব্য ৰচনা কৰিছিল আৰু সাহিত্যিক ভাষাৰূপ এটাৰ বিকাশত অব্যাহতভাৱে অৰিহণা যোগাইছিল। পঞ্চদশ শতিকাত শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মই ইয়াৰ পৰিপুষ্টিত অধিক সাৰ-জীপ যোগাইছিল। সাহিত্যক ধৰ্ম প্ৰচাৰৰ বাহন কৰি লোৱাত বিভিন্ন প্ৰকাৰৰ সাহিত্যই ভাষাটোৰ প্ৰকাশিকা শক্তি বৃদ্ধি হোৱাত সহায় কৰিছিল। শংকৰদেৱৰ সময়তো ধৰ্ম-সাহিত্য চৰ্চাত ৰজাঘৰীয়া পৃষ্ঠপোষকতা আছিল অনন্য। কোচৰজা নৰনাৰায়ণ আৰু তেওঁৰ ভ্ৰাতৃ চিলাৰায় দেৱানৰ ছত্ৰছায়াত থাকি কৰা শংকৰদেৱৰ সাহিত্য-চৰ্চা আৰু ধৰ্মৰ আদৰ্শ প্ৰচাৰ কাৰ্যই সমকালীন লিখিত ভাষাটোক নিৰৱচ্ছিন্নভাৱে প্ৰবাহিত হোৱাত নিঃসন্দেহে সহায় কৰিছিল। গুৰুত্বপূৰ্ণ কথা এয়ে যে শংকৰদেৱে অসমীয়া ভাষাৰ লগতে সংস্কৃত আৰু ব্ৰজাৱলী ভাষাত সাহিত্য ৰচনা কৰিছিল। ব্ৰজাৱলী ভাষা হৈছে সেই কালত হোৱা ভাষিক-সাংস্কৃতিক সংযোগৰ আন এক অনিবাৰ্য ফলশ্ৰুতি। বৈষ্ণৱ ধৰ্ম প্ৰসাৰৰ উদ্দেশ্যে শংকৰদেৱে ৰচনা কৰা বৰগীত আৰু অংকীয়া নাটসমূহৰ ভাষা আছিল ব্ৰজাৱলী। ই ভিন ভিন ভাষিক সমল আৰু সংস্কৃতিৰ সমন্বয়ৰ প্ৰতীক। কোনো কোনো পণ্ডিতৰ মতে অসমীয়া আৰু মৈথিলী ভাষাৰ সমাহাৰত ভাষাটোৰ বিকাশ ঘটিছে। আন কিছুমান পণ্ডিতৰ মতে, অসমীয়া, পশ্চিমা হিন্দী, ব্ৰজ ভাষাৰ সমাহাৰত ভাষাটোৱে জন্ম লাভ কৰিছে। ব্ৰজাৱলী ভাষাৰ গঠনমূলক উপাদান যি ভাষাৰে নহওক কিয়, ভাষাটোৰ পৰা এটা কথাৰ নিশ্চিত হয় যে ভাষাৰ নিৰ্মাণ আৰু বিকাশত ভাষিক সংযোগৰ অন্যতম ভূমিকা থাকে।

সপ্তদশ শতিকাৰপৰা আৰম্ভণি হোৱা বুলি ধৰা মধ্যযুগীয় অসমীয়াত এই ধৰণৰ সংযোগৰ প্ৰৱণতা অধিক চকুত লগা। চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য আৰু ব্যৱহাৰিক সাহিত্যৰ গদ্যই এই যুগৰ ভাষাক অভিনৱ ধৰণে সমৃদ্ধ কৰিছিল। প্ৰাচীন অসমীয়াৰ দৰে মধ্য যুগৰ ভাষিক সমৃদ্ধিত ৰজাঘৰ আৰু ধৰ্মৰ অৱদান অসামান্য আছিল। সাংস্কৃতিক-ৰাজনৈতিক প্ৰাণকেন্দ্ৰ ৰূপে গড়গাঁৱৰ উত্থানে ভাষিক প্ৰাধান্যৰ গতিকে সলাই পেলাইছিল। আহোম ৰাজত্বৰ চাৰিশ বছৰ অতিক্ৰমি যোৱাৰ পাছতো সপ্তদশ শতিকালৈ পশ্চিম বা নামনি অসমত সেই প্ৰাধান্যই স্থায়িত্ব লাভ কৰিব পৰা নাছিল। কোচ ৰাজবংশৰ প্ৰভুত্ব আৰু শংকৰদেৱ প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্মৰ অভিকেন্দ্ৰ কামৰূপ হৈ থকা হেতুকে ষোড়শ শতিকালৈ সাহিত্যৰ ক্ষেত্ৰত পশ্চিম অসমৰ ভাষাৰ গুৰুত্ব আছিল বেছি। কিন্তু কোচ ৰাজবংশৰ পতনৰ পাছত পূৰ অসমৰ ৰাজনৈতিক আধিপত্য বৃদ্ধি পায়। ৰাজকীয় পৃষ্ঠপোষকতাত বিবিধ সাহিত্য ৰচনা হ'বলৈ ধৰাত অঞ্চলটোৰ ভাষিক গুৰুত্বও বাঢ়ি যায়। এনেদৰে মধ্যযুগত ৰাজনৈতিক অনুষংগই অসমীয়া ভাষাৰ গতি-প্ৰকৃতি নিৰূপণত মুখ্য ভূমিকা লোৱা পৰিলক্ষিত হ'ল।

অৱশ্যে উক্ত সময়ছোৱাত পশ্চিম অসমৰ ৰাজনৈতিক গুৰুত্ব কিঞ্চিত হ্রাস পালেও সাহিত্যৰ দিশেৰে অঞ্চলটোত এক শ্রেণীৰ নতুন ধর্মীয় সাহিত্য লিপিবদ্ধ হ'ল। সত্র সমাজৰ পৃষ্ঠপোষকতাত ধর্মপ্রচাৰক সকলৰ জীৱন আৰু কার্যক লৈ 'চৰিত পুথি' নামেৰে এক শ্রেণীৰ সাহিত্য লিপিবদ্ধ হৈছিল। ই আছিল অসমীয়া ধর্ম-সাহিত্যৰ ক্ষেত্রত নতুনত্ব সংযোগকাৰী বিষয়। কিয়নো বৈষ্ণৱ ধর্ম গুৰুসকলৰ জীৱনৰ কার্য-ঘটনাক লৈ ৰচিত হোৱা এই জীৱনী সাহিত্যই ধর্মীয় দিশেৰে জনগণৰ ওপৰত বৈষ্ণৱ ধর্মৰ অপৰিসীম প্রভাৱক নির্দেশ কৰাৰ লগতে অসমীয়া ভাষাক গদ্যশৈলীৰে সমৃদ্ধ কৰিছিল। পশ্চিম অসমৰ ভাষাৰ উপৰিও পুথিসমূহৰ ভাষাত পূৱ অসমৰ ঔপভাষিক ৰূপ, তৎসম উপাদান তথা আৰবী-পার্চী শব্দৰ সমাহাৰো মন কৰিবলগীয়া। বুৰঞ্জী পুথিসমূহৰ ক্ষেত্রতো এনে ভাষিক সমন্বয় চকুত পৰা। পূৱ অসমৰ কথ্য ভাষাক প্রতিনিধিত্ব কৰিলেও বুৰঞ্জীৰ ভাষাত নানা ধৰণৰ শব্দৰ মিশ্রণ আছে। ইয়াত পশ্চিম অসমৰ ভাষাৰ ৰূপো প্রচুৰ পৰিমাণে আছে।

| **আত্মমূল্যায়ণ প্রশ্ন** |
|---|
| শংকৰদেৱৰ সময়ত অসমীয়া ভাষাৰ কেনেদৰে সমন্বয় সাধন হৈছিল? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক) |
| .................................................................................................... |
| .................................................................................................... |
| .................................................................................................... |

## ২.৭ সাৰাংশ (Summing Up)

অসম ৰাজ্যলৈ বিভিন্ন জনগোষ্ঠীৰ প্রব্রজন প্রক্রিয়া আর্যগোষ্ঠীৰ প্রব্রজনতে অন্ত পৰা নাছিল। বৰং তাৰো পিছত নানা কাৰণত নানা জনগোষ্ঠীৰ মানুহ অসমলৈ আহিছে। ত্রয়োদশ শতিকাত মংগোলীয় প্রজাতিৰ চীন-তিব্বতীয় পৰিয়ালৰ ভাষা কোৱা আহোম গোষ্ঠীৰ এটা ফৈদৰ অসমলৈ প্রব্রজন ঘটাটো অসমৰ ৰাজনীতি আৰু ভাষা উভয় দিশতে তাৎপর্য বহনকাৰী ঘটনা আছিল। নিজা ধর্ম-ভাষা লৈ অসমত প্রৱেশ কৰা আহোমসকলে কালক্রমত অসমৰ ভাষা-সংস্কৃতি গ্রহণ কৰিছিল। সামগ্রিক প্রেক্ষাপটত অসমীয়া ব্যৱহাৰ কৰিলেও আহোম ভাষাও তেওঁলোকৰ মাজত সণ্চালনি ৰূপত চলিছিল। এনে দ্বিভাষিক স্থিতিত স্বাভাৱিকতে অসমীয়া ভাষাত আহোম ভাষাৰ উপাদান সোমাই পৰিছিল। গতিকে বুৰঞ্জীৰ ভাষাত কমকৈ হ'লেও আহোম ভাষাৰ উপাদানৰ অন্তর্ভুক্তি সেই সংযোগৰ স্বাভাৱিক পৰিণতি আছিল। আকৌ, উজনি অসমত আহোম ৰাজত্ব দীর্ঘদিন স্থায়ী হৈ থকাৰ বিপৰীতে নামনি অসম প্রায়ে মোগল আক্রমণত আক্রান্ত হৈছিল। মোগল সেনাৰ উপর্যুপৰি আক্রমণৰ সুদূৰ প্রসাৰী প্রভাৱ ভাষাৰ ক্ষেত্রত পৰিলক্ষিত হৈছিল। যুদ্ধ বন্দীৰূপে অসমত ৰৈ যোৱা মোগল সেনা বা আক্রমণৰ বাবে অহা মোগল সেনা-বিষয়াৰ সৈতে

হোৱা বাক্ বিনিময় কাৰ্যই নামনি অসমৰ ভাষাত নিশ্চয় আৰবী-পাৰ্চী ভাষাৰ প্ৰৱেশৰ পথ প্ৰশস্ত কৰিছিল। গতিকে চৰিত পুথিৰ ভাষাত প্ৰাপ্ত আৰবী-পাৰ্চীয় উপাদানবোৰ তেনে ভাষিক সংযোগৰ ফল। বুৰঞ্জীৰ ভাষাতো আৰবী-পাৰ্চী ভাষাৰ অলেখ শব্দ আছে। আহোম ৰাজ্যৰ সৈতে মোগল সাম্ৰাজ্যৰ ৰাজনৈতিক সম্পৰ্কই উভয় অঞ্চলৰ মাজত ভাষিক-সাংস্কৃতিক সংযোগো ঘটাইছিল। সেয়ে অসমীয়া ভাষাত লিখা হোৱা সত্বেও 'পাদশ্যাহ' বুৰঞ্জী বা অন্য বুৰঞ্জী পুথিৰ ভাষাত হোৱাহোৱে আৰবী-পাৰ্চীমূলীয় শব্দ-বাক্য সোমাইছে। এনেধৰণে মধ্যযুগীয় অসমীয়া ভাষাত বিভিন্ন ঔপভাষিক ৰূপৰ লগত সংস্কৃত, আহোম, আৰবী-পাৰ্চী ভাষাৰ উপাদান যোগ হৈ থকা বাবে ভাষা বিজ্ঞানীসকলে মধ্যযুগীয় অসমীয়া ভাষাক 'সমন্বয়ৰ ভাষা' আখ্যা দিছে।

## ২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

(ক) অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কীয় মতসমূহ আলোচনা কৰক।

(খ) মধ্যযুগীয় অসমীয়া ভাষা সম্পৰ্কে এটি নিৰন্ধ যুগুত কৰক।

(গ) মধ্যযুগীয় অসমীয়া ভাষাৰ সাহিত্যিক নিদৰ্শন সম্পৰ্কে আলোচনা কৰক।

(ঘ) মধ্যযুগীয় অসমীয়া ভাষাত ভাষিক সংযোগ কিদৰে ঘটিছে?

(ঙ) মধ্যযুগীয় অসমীয়া ভাষাৰ উত্থানত ৰাজকীয় পৃষ্ঠপোষকতাই কিদৰে সহায় কৰিছিল?

## ২.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

মহেশ্বৰ নেওগ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, ১৯৮৩

সত্যেন্দ্ৰনাথ শৰ্মা ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, ১৯৮৬

হেমন্ত শৰ্মা ঃ *অসমীয়া সাহিত্যত দৃষ্টিপাত*

উপেন্দ্ৰ নাথ গোস্বামী ঃ *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ*, ১৯৯১

Banikanta Kakati ঃ *Assamese : Its Formation and Development*, 1941

মুকুল চক্ৰৱৰ্তী ঃ *গুৰুচৰিত-কথা অধ্যয়ন*, ২০১২

দীপ্তি ফুকন পাটগিৰি ঃ *মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙনি*, ১৯৯৭

শিৱনাথ বৰ্মন (সম্পা.) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (২য় খণ্ড), ১৯৯৭

* * *

# তৃতীয় বিভাগ
# ব্ৰজাৱলীৰ উত্থান

**বিভাগৰ গঠন ঃ**


৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ ব্ৰজাৱলীৰ সাধাৰণ পৰিচয়
৩.৪ ব্ৰজাৱলী ভাষাৰ প্ৰকৃতি
    ৩.৪.১ ব্ৰজাৱলী স্বাভাৱিক ভাষা
    ৩.৪.২ ব্ৰজাৱলী এবিধ কৃত্ৰিম ভাষা
৩.৫ ব্ৰজাৱলী ভাষাৰ উপাদান
৩.৬ সাৰাংশ (Summing Up)
৩.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


## ৩.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত মধ্যযুগীয়া অসমীয়া ভাষাৰ বিষয়ে আলোচনা কৰা হৈছে। এই বিভাগটিত ব্ৰজাৱলীৰ উত্থান সম্পৰ্কে পৰ্যালোচনা কৰা হ'ব।

অসমৰ ধৰ্ম-সমাজ-সংস্কৃতিৰ সমানে ভাষা-সাহিত্যৰ ক্ষেত্ৰখনলৈকো শংকৰদেৱৰ অৱদান অসামান্য। পঞ্চদশ-ষোড়শ শতিকাৰ অসমৰ আজিৰ ধৰ্মীয়-সামাজিক পৰিস্থিতিত তেওঁৰ দ্বাৰা প্ৰচাৰিত নৱ বৈষ্ণৱ ধৰ্মৰ "এক দেৱ এক সেৱ, একত বিনে নাই কেৱ" আদৰ্শই অসমৰ ভিন ভিন জাতি-বৰ্ণ-সম্প্ৰদায়ৰ লোকক ঐক্যবদ্ধ কৰিছিল। ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচনা কৰা নানা শ্ৰেণীৰ সাহিত্যই অসমীয়া ভাষাৰ লিখিত পৰম্পৰাক নিৰৱিচ্ছিন্নভাৱে আগুৱাই যোৱাত সহায় কৰিছিল আৰু ভাষাটো বিকশিত হোৱাত অৰিহণা যোগাইছিল। তেওঁ ৰচনা কৰা কাব্য-নাট-গীত আদিত 'কৃষ্ণস্তু ভগৱান স্বয়ম্' মূল কথা হ'লেও সিবোৰ সাহিত্যিক গুণ বৰ্জিত নাছিল। তেওঁক আদৰ্শ হিচাপে লৈ তেওঁৰ শিষ্য মাধৱদেৱ, অনন্ত কন্দলি আৰু অন্য বৈষ্ণৱ শিষ্যসকলেও ধৰ্ম প্ৰচাৰত সুবিধা হোৱাকৈ সাহিত্য ৰচনা কৰি সেই পৰম্পৰা অব্যাহত ৰাখিছিল। নিঃসন্দেহে এই সাহিত্য ৰচনাই সমকালীন অসমীয়া ভাষাটোকো পৰিপক্ক হোৱাত সহায় কৰিছিল।

ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচনা কৰা সাহিত্যৰাজিয়ে শংকৰদেৱৰ কবিত্ব গুণৰ সমানকৈ তেওঁৰ ভাষিক দক্ষতাকো তুলি ধৰে। সংস্কৃতত অগাধ পাণ্ডিত্য থকাৰ পাছতো তেওঁৰ অধিকাংশ কাব্যৰ ভাষা অসমীয়া আছিল। 'ভক্তি ৰত্নাকৰ' আৰু 'অনাদি পাতন' গ্ৰন্থক বাদ দি তেওঁৰ 'কীৰ্ত্তন', 'গুণমালা', 'ৰুক্মিণী হৰণ', 'হৰিচন্দ্ৰ উপাখ্যান', ভাগৱতৰ অনুদিত স্কন্ধ আদিৰ ভাষা অসমীয়া আছিল। মনকৰিবলগীয়া যে সংস্কৃত আৰু অসমীয়া ভাষাত

কাব্য ৰচনা কৰা কবিগৰাকীয়ে তেওঁৰ গীত আৰু নাটসমূহ 'ব্ৰজাৱলী' নামৰ অইন এটা ভাষাতহে ৰচনা কৰিছিল। সৰ্বভাৰতীয় প্ৰেক্ষাপটত গীত আৰু নাটসমূহৰ প্ৰসাৰ বৃদ্ধিৰ উদ্দেশ্যে তেওঁ ব্ৰজাৱলী ভাষাত গীত-নাট ৰচনা কৰিছিল বুলি সমালোচকসকলে অনুমান কৰে। গতিকে 'ব্ৰজাৱলী' ভাষাটোৰ উত্থানৰ আঁৰত 'নৱ বৈষ্ণৱ ধৰ্ম' কাৰক হিচাপে ক্ৰিয়াশীল হৈছিল। বহুকেইজন ভাষাতাত্ত্বিক আৰু বৈষ্ণৱ সাহিত্যৰ গৱেষক পণ্ডিতৰ মতে, ব্ৰজাৱলী ভাষা এটা বিশুদ্ধ ভাষা নহয়। কেইবাটাও ভাষাৰ উপাদান মিশ্ৰিত হৈ ভাষাটো গঢ় লৈ উঠিছে। সেই দিশেৰে ব্ৰজাৱলী ভাষাক ভাষিক সংযোগৰ সুন্দৰ নিদৰ্শন বুলিব পাৰি। প্ৰস্তাৱিত বিভাগটিত এই সন্দৰ্ভত কিছু কথা আলোচনা কৰা হ'ব।

## ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটিত অধ্যয়ন কৰাৰ অন্তত আপুনি—

- ব্ৰজাৱলী ভাষাৰ প্ৰকৃতি সম্বন্ধে অৱগত হ'ব,
- ব্ৰজাৱলী ভাষাত বিবিধ ভাষাৰ উপাদান কিদৰে সংযোগ হৈ আছে, সেই সম্পৰ্কে জ্ঞাত হ'ব,
- ব্ৰজাৱলীৰ উত্থানত ধৰ্ম আৰু সমাজৰ ভূমিকা সন্দৰ্ভত জ্ঞান লাভ কৰিব।

## ৩.৩ ব্ৰজাৱলীৰ সাধাৰণ পৰিচয়

'ব্ৰজাৱলী' বুলিলে শংকৰদেৱ-মাধৱদেৱে ৰচনা কৰা গীত-নাটৰ ভাষাটোকে বুজা যায়। এই ভাষাটো শংকৰদেৱৰ 'কীৰ্ত্তন', 'ৰুক্মিণী হৰণ কাব্য', 'অনাদি পাতন', 'বলি ছলন' আদি কাব্যৰ অসমীয়া ভাষাতকৈ ভিন্ন। সংস্কৃত ভাষাত বিশেষ ব্যুৎপত্তি থকা কবিজনাই 'ভক্তি প্ৰদীপ' আৰু 'ভক্তি ৰত্নাকৰ' গ্ৰন্থতে সংস্কৃত চৰ্চা সীমিত ৰাখি অনাখৰী জনসাধাৰণক শাস্ত্ৰ জ্ঞান দিবলৈ আৰু কাব্যৰ ৰসাস্বাদন কৰাবলৈ পূৰ্বসূৰী কবিসকলৰপৰা উত্তৰাধিকাৰ সূত্ৰে পোৱা অসমীয়া ভাষাটোতে সৰহভাগ পুথি ৰচনা কৰিছিল। তেনে স্থলত তেওঁ নাট আৰু গীতসমূহ একে অসমীয়া ভাষাত ৰচনা নকৰি বেলেগ এটা ভাষাত ৰচনা কৰাটো স্বাভাৱিকতে কৌতূহলৰ বিষয়। উল্লেখ্য যে, পঞ্চদশ-ষোড়শ শতিকাত অসমত শংকৰদেৱে ৰচনা কৰা গীত-নাটৰ ভাষাৰ সৈতে মিল থকা ভাষাত বংগ, উৰিষ্যা, মিথিলা আৰু নেপালতো কবিসকলে কৃষ্ণৰ লীলা বিষয়ক গীত আৰু নাট ৰচনা কৰিছিল। বংগ আৰু উৰিষ্যাত সেই ভাষাটোক 'ব্ৰজবুলি বুলি কোৱা হ'ল। হিন্দু 'বোলী' (ভাষা)-ৰ অনুকৰণত বংগ দেশৰ কবি ঈশ্বৰচন্দ্ৰ গুপ্তই 'ব্ৰজবুলি' শব্দটো প্ৰয়োগ কৰিছিল। আনহাতে, অসমৰ প্ৰেক্ষাপটত শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা গীত-নাটৰ ভাষাক 'ব্ৰজাৱলী' বোলা হৈছিল। শংকৰদেৱৰ কোনো ৰচনাতে 'ব্ৰজাৱলী' শব্দটো পাবলৈ নাই। শংকৰোত্তৰ গীত পুথিতো শব্দটোৰ উল্লেখ নাই। সুকুমাৰ সেনে 'বৈষ্ণৱীয় নিবন্ধ' গ্ৰন্থত 'ব্ৰজাৱলী' শব্দটো ষোড়শ শতাব্দীত মাধৱদেৱে প্ৰয়োগ কৰা বুলি মন্তব্য কৰিলেও মাধৱদেৱৰ ৰচনাতো তাৰ উল্লেখ পোৱা নাযায়। ইয়াৰ পৰা ধাৰণা কৰিব পাৰি, 'ব্ৰজাৱলী' শব্দটোৰ

ইতিহাস সাহিত্যৰ সমানে প্ৰাচীন নহয়। পঞ্চদশ-ষোড়শ শতিকাত বংগ-উৰিষ্যা-অসম-নেপালত সমৰূপৰ ভাষা প্ৰচলিত হ'লেও তাৰ নামৰ ভিন্নতা আছিল আৰু 'ব্ৰজাৱলী'য়ে সেই সময়ত শংকৰদেৱে আৰম্ভ কৰা নাট-গীতৰ স্বকীয় বিশেষত্ব সম্বলিত ভাষাক বুজায়। গঠনৰ ফালেৰে 'ব্ৰজাৱলী' শব্দটো এনেদৰে ভাঙিব পাৰি ঃ ব্ৰজ + আৱলী। 'ব্ৰজ' মানে 'ব্ৰজধাম' আৰু 'আৱলী' মানে সমূহ বা শাৰী। শংকৰদেৱৰ ৰচনাতো '-আৱলী' প্ৰত্যয়েৰে সাধিত শব্দ আছে। যেনে ঃ চন্দ্ৰাৱলী।

ব্ৰজাৱলী সাহিত্য বুলিলে সততে শংকৰদেৱ-মাধৱদেৱৰ নাট-গীতখিনিয়ে বিচাৰৰ আওতালৈ আহে। তেওঁলোকৰ অৱশ্যে গোপাল আতা, দৈত্যাৰি ঠাকুৰ আৰু অন্য অনুগামী শিষ্য কিছুমানেও ব্ৰজাৱলী ভাষাত নাট ৰচনা কৰিছিল। কোনো কোনোৱে যশোহৰ খানক প্ৰথম ব্ৰজাবুলি কবি বুলি ক'লেও কৃষ্ণপ্ৰসাদ মাগধে শংকৰদেৱকহে প্ৰথমজন ব্ৰজবুলি কবি বুলি যুক্তিসহ প্ৰতিষ্ঠা কৰিছে। ১৪৮৯ খ্ৰীঃ ত বদৰিকাশ্ৰমত ৰচনা কৰা 'মন মেৰি ৰাম চৰণেহি লাগু' গীতটি ব্ৰজাৱলী ভাষাৰ প্ৰথম কৃতি। সমালোচকসকলৰ মতে, শংকৰদেৱে নাট আৰু গীতসমূহ কেৱল অসমৰ মানুহৰ বাবে ৰচনা কৰা নাছিল, অসমৰ বাহিৰতো নাট-গীতৰ মহত্ত্ব সম্প্ৰসাৰিত কৰোৱাৰ উদ্দেশ্যে আৰু ইষ্টদেৱৰ ক্ৰীড়াভূমিৰ ভাষা বুলি দৰ্শকৰ মনত সাঁচ বহুৱাবলৈ ব্ৰজাৱলীত নাট-গীতসমূহ ৰচিছিল। শংকৰোত্তৰ যুগতো শংকৰদেৱৰ আদৰ্শত ধৰ্মপ্ৰচাৰক সত্ৰাধিকাৰসকলে ব্ৰজাৱলী ভাষাত নাট ৰচনা কৰিছিল যদিও তাত শংকৰ যুগৰ নাটৰ ভাষা গাম্ভীৰ্য ৰক্ষিত হোৱা নাছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) ব্ৰজাৱলী ভাষা মানে কি?

..........................................................................................

..........................................................................................

..........................................................................................

(২) ব্ৰজাৱলী ভাষাত কোনবোৰ সাহিত্য ৰচিত হৈছে?

..........................................................................................

..........................................................................................

..........................................................................................

## ৩.৪ ব্ৰজাৱলী ভাষাৰ প্ৰকৃতি

### ৩.৪.১ ব্ৰজাৱলী স্বাভাৱিক ভাষা

ব্ৰজাৱলী কি প্ৰকৃতিৰ ভাষা? সেই সন্দৰ্ভত পণ্ডিতসকলৰ মাজত মতভেদ আছে। এচাম পণ্ডিতৰ মতে, ব্ৰজাৱলী স্বাভাৱিকভাৱে বিকশিত ভাষা। তেওঁলোকৰ সৰহভাগেই ভাষাটোক অৱহট্‌ঠৰ পৰা উদ্ভৱ হোৱা বুলি ভাবে। ব্ৰজাৱলীক স্বাভাৱিক ভাষা বুলি

বিবেচনা কৰা পণ্ডিতসকলৰ ভিতৰত সুকুমাৰ সেন, কণিকা তোমৰ, কৃষ্ণপ্ৰসাদ মাগধ, উপেন্দ্ৰনাথ গোস্বামী আদি অন্যতম। সুকুমাৰ সেন, কৃষ্ণপ্ৰসাদ মাগধ, কণিকা তোমৰৰ মতে ব্ৰজাৱলী স্বাভাৱিক ভাষা। 'A History of Brajabuli Literature' গ্ৰন্থত সুকুমাৰ সেনে পোনতে ব্ৰজাবুলি ভাষাক বঙলা ভাষাৰ সাহিত্যিক উপভাষা বুলি আখ্যা দিছিল। এইখন গ্ৰন্থত তেওঁ স্পষ্টভাৱে মৈথিলী ভাষাক ব্ৰজাবুলি ভাষাৰ 'মাতৃ' আৰু বাংলা ভাষাক 'ধাত্ৰী' আখ্যা দি ব্ৰজাবুলি ভাষাক কৃত্ৰিম ভাষা আখ্যা দিছিল। পৰৱৰ্তী সময়ত তেওঁ নিজৰ মত সলনি কৰে আৰু ব্ৰজাবুলি স্বাভাৱিক ৰূপত বিকশিত ভাষা বুলি মন্তব্য কৰে। তেওঁৰ বিচাৰত ব্ৰজাবুলি ভাষা মৈথিলীৰ পৰা নহয়, অৱহট্‌ঠৰ পৰাহে বিকশিত হৈছে। ব্ৰজাবুলি কোনো ঠাইৰ সাহিত্যিক ভাষাও নহয়, পঞ্চদশ শতাব্দীত এই ভাষা ভাৰতৰ উমৈহতীয়া সাহিত্যিক ভাষা আছিল। ইয়াৰ পূৰ্বতে অৰ্থাৎ নৱম শতাব্দীৰপৰা পঞ্চদশ শতাব্দীৰ আৰম্ভণিলৈকে ভাৰতবৰ্ষত লোকসাহিত্যৰ ভাষা আছিল অৱহট্‌ঠ। পূৰ্বৰ কামৰূপ, বংগদেশৰ পৰা পশ্চিমৰ গুজৰাটলৈকে এই ভাষাটো বিস্তৃত হৈ আছিল গুণে ইয়াক পূৰ্বী অৱহট্‌ঠ আৰু পশ্চিমা অৱহট্‌ঠ নামেৰে দুটা ভাগত ভগোৱা হৈছিল। ই কোনো ৰাজ্যৰ নিজা ভাষা নাছিল, বৰং ই ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ সম্পত্তি আছিল। সেই সূত্ৰে ই কনিষ্ঠতম ভাৰতীয় আৰ্যভাষা আছিল আৰু পোন্ধৰ শতিকাত এই অৱহট্‌ঠৰ পৰা পূব ভাৰতৰ বিভিন্ন ৰাজ্যত (অসম, বংগ, উৰিষ্যা, মিথিলা) স্বকীয় বিশেষত্বসহ ব্ৰজাবুলি ভাষাৰ উৎপত্তি হৈছিল।

কৃষ্ণপ্ৰসাদ মাগধৰ মতে, দ্বাদশ-ত্ৰয়োদশ শতিকাৰ মাজভাগত সকলো প্ৰাকৃতৰ ভিতৰতে শৌৰশেনী প্ৰাকৃত গুৰুত্বপূৰ্ণ আছিল আৰু দক্ষিণ ভাৰতৰ বাহিৰে ভাৰতবৰ্ষৰ আন ঠাইত সি সাহিত্যিক ভাষা ৰূপে প্ৰচলিত আছিল। অৱশ্যে পূব ভাৰতত মাগধী প্ৰাকৃতৰ প্ৰাধান্য আছিল। মাগধীৰ প্ৰাকৃতৰ প্ৰভাৱত তাত শৌৰসেনী প্ৰাকৃতৰ বৈশিষ্ট্য কিছু সলনি হৈছিল। দ্বাদশ-ত্ৰয়োদশ শতিকাত মাগধী অপভ্ৰংশৰ পৰা অসমত অসমীয়া, বংগত বাংলা, উৰিষ্যাত উড়িয়া আৰু মিথিলাত মৈথিলী ভাষা বিকশিত হোৱাৰ কালতো পূব ভাৰতত সাহিত্যিক ভাষা শৌৰসেনীয়ে আছিল আৰু স্থানীয় ভাষাসমূহৰ দ্বাৰা প্ৰভাৱিত শৌৰসেনীৰপৰা ব্ৰজাৱলী ভাষাৰ উৎপত্তি হৈছিল।

কণিকা তোমৰৰ মতেও ব্ৰজাবুলি স্বাভাৱিক ভাষা। ইয়াৰ মূল হৈছে পূৰ্বী অৱহট্‌ঠ। এই ভাষা মৈথিলী ভাষাৰ দ্বাৰাও প্ৰভাৱিত হৈছিল। অসমীয়া ভাষাৰ বিশিষ্ট পণ্ডিত উপেন্দ্ৰনাথ গোস্বামীয়েও ব্ৰজাৱলী ভাষাক স্বাভাৱিক বুলি মন্তব্য কৰিছে। 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ' গ্ৰন্থত তেখেতে স্পষ্টভাৱে কৈছে ঃ "অসমীয়া ব্ৰজাবুলি ভাষা মিথিলাৰপৰা অহা কৃত্ৰিম ভাষা নহয়, ই বংগৰ মাজেৰে আহিও অসমত প্ৰতিষ্ঠিত হোৱা নাই। চৰ্যাপদৰ ভাষাই প্ৰতিনিধিত্ব কৰা পূৰ্বকালীন সাহিত্যিক ভাষা ব্ৰজাৱলীৰ মূল আছিল। অসমীয়া ব্ৰজাবুলিৰ ঘাই শিপাডাল অসমৰ মাটিতে আছে।" তেখেতে শংকৰদেৱৰ পূৰ্বৱৰ্তী সাহিত্যৰ ভাষা আৰু অসমীয়া ভাষাৰ উপভাষাৰ সৈতে ব্ৰজাৱলী ভাষাৰ তুলনা কৰি ইয়াৰ যথাৰ্থতা প্ৰতিপন্ন কৰিবলৈকো বিচাৰিছে।

### ৩.৪.২ ব্ৰজাৱলী এবিধ কৃত্ৰিম ভাষা

ব্ৰজাৱলীক কৃত্ৰিম বা মিশ্ৰ ভাষা বুলি বিবেচনা কৰা পণ্ডিতসকলৰ ভিতৰত বিৰিঞ্চি কুমাৰ বৰুৱা অন্যতম। বৰুৱাৰ মতে, অসমীয়া ভাষা আৰু মৈথিলী ভাষাৰ সংমিশ্ৰণত ব্ৰজাৱলী ভাষা সৃষ্টি হৈছে। শংকৰদেৱে ব্ৰজাৱলী ভাষাত নাটসমূহ ৰচনা কৰাৰ কাৰণ হিচাপে বৰুৱাই সংস্কৃত নাটকৰ প্ৰভাৱলৈ আঙুলিয়াইছে। সংস্কৃত নাটকত প্ৰধান পুৰুষ চৰিত্ৰই সংস্কৃতত আৰু গৌণ পুৰুষ চৰিত্ৰ আৰু মহিলা চৰিত্ৰই মাগধী অথবা শৌৰসেনী প্ৰাকৃতত সংলাপ কৈছিল। শংকৰদেৱে মধ্যম পন্থা অৱলম্বন কৰি তেওঁৰ নাটসমূহ মৈথিলী মিশ্ৰিত  অসমীয়া ভাষাৰে সৃষ্ট এটা মিশ্ৰ ভাষাত নাটসমূহ ৰচনা কৰিছিল আৰু তেনে কৰাত নাটৰ চৰিত্ৰসমূহৰ গাম্ভীৰ্যও ৰক্ষিত হৈছিল। বিশিষ্ট পণ্ডিত মহেশ্বৰ নেওগেও ব্ৰজাৱলীক কৃত্ৰিম ভাষা আখ্যা দিছে। তেখেতৰ দৃষ্টিত, মৈথিলী, অসমীয়া আৰু পশ্চিমা হিন্দীৰ মিশ্ৰণত ব্ৰজাৱলী ভাষাৰ সৃষ্টি হৈছে। শংকৰী সাহিত্যৰ জ্যেষ্ঠ পণ্ডিত বাপচন্দ্ৰ মহন্তৰ মতে, ব্ৰজাৱলী হৈছে এক প্ৰকাৰৰ কাব্যভাষা শৈলী। ব্ৰজভাষা, শৌৰসেনী প্ৰাকৃত আৰু অপভ্ৰংশ মিলি ব্ৰজাৱলী ভাষাৰ উৎপত্তি হৈছে। ব্ৰজভূমিৰ ব্ৰজবোলী তথা শৌৰসেনী প্ৰাকৃত আৰু অপভ্ৰংশৰ সৈতে ইয়াৰ প্ৰত্যক্ষ সম্পৰ্ক আছে। এইসকল পণ্ডিতৰ মতামতৰ পৰা স্পষ্ট হয়, বিভিন্ন ভাষাৰ সংযোগত ব্ৰজাৱলী ভাষাৰ সৃষ্টি হৈছে।

মন কৰিবলগীয়া, শংকৰদেৱে তীৰ্থ ভ্ৰমণ কালত ব্ৰজাৱলী ভাষাত প্ৰথমটো বৰগীত 'মন মেৰি ৰাম চৰণেহি লাগু' ৰচনা কৰিছিল আৰু তীৰ্থ ভ্ৰমণৰ পৰা ঘূৰি আহি নাট ৰচনাত প্ৰবৃত্ত হৈছিল। অৰ্থাৎ তীৰ্থ ভ্ৰমণ কালত তেওঁ সাহিত্য ৰচনাৰ বাবে নতুন ভাষা এটা নিৰ্বাচন কৰিছিল। সমালোচকসকলে কোৱাৰ দৰে ভাৰতবৰ্ষৰ অন্য প্ৰান্তৰ লোকক নাট-গীতৰ আদৰ্শৰ প্ৰতি আকৃষ্ট কৰিবলৈ হ'লে আৰু ব্ৰজাৱলীত আন ভাষাৰ উপাদান থকালৈ চাই ধাৰণা কৰিব পাৰি যে শংকৰদেৱে নিশ্চয় তীৰ্থ ভ্ৰমণ কালত অন্য ভাষা-সংস্কৃতিৰ মানুহৰ সংস্পৰ্শলৈ আহিছিল। চৰিত পুথি বা অন্য পুথি-পাজিৰ তথ্যই এই ধাৰণাক সত্য বুলি প্ৰমাণো কৰে। সমালোচকসকলে ব্ৰজাৱলীত অসমীয়া ভাষাৰ বাহিৰে উপাদান থকা বুলি কোৱা আন ভাষাকেইটা (মৈথিলী, ব্ৰজভাষা, পশ্চিমা হিন্দী) উত্তৰ ভাৰতত প্ৰচলিত ভাষা। চৰিত পুথি মতে, শংকৰদেৱে উত্তৰ ভাৰতলৈ দুবাৰকৈ তীৰ্থ ভ্ৰমণৰ উদ্দেশ্যে গৈছিল। তীৰ্থ ভ্ৰমণ কালত তেওঁ মথুৰা, বৃন্দাবন প্ৰভৃতি ঠাই পৰিভ্ৰমণ কৰিছিল। সম্ভৱতঃ মিথিলাকো তেওঁ সামৰি লৈছিল। গতিকে সেই সময়ছোৱাত তেওঁ সেই ঠাইসমূহৰ ভাষা-সংস্কৃতিৰ সংস্পৰ্শলৈ আহিছিল আৰু নিৰ্দিষ্ট সম্প্ৰদায়টোৰ ধৰ্মীয় চেতনাও সম্ভৱতঃ অনুধাৱন কৰিবলৈ সক্ষম হৈছিল। বিৰিঞ্চি কুমাৰ বৰুৱাই তেখেতৰ দ্বাৰা সম্পাদিত 'অংকীয়া নাট' গ্ৰন্থৰ পাতনিত উল্লেখ কৰা অনুসৰি শংকৰদেৱৰ সমকালত উত্তৰ ভাৰতত বিদ্যাপতিৰ মৈথিলী ভাষাত ৰচিত ৰাধা-কৃষ্ণৰ পদাৱলীৰ জনপ্ৰিয়তা আছিল অসামান্য। পদৰ ভাষাৰ লালিত্য, সৰলতা, সুৰৰ মধুৰতাই উত্তৰ ভাৰতলৈ যোৱা সকলো মানুহক আকৰ্ষণ কৰিছিল আৰু তাৰ পৰা উভতি অহাৰ সময়ত সেই সুৰ-ভাষা লগত লৈ আহিছিল। হয়তো তীৰ্থ ভ্ৰমণলৈ যোৱা শংকৰদেৱে সেই অসামান্য লোকপ্ৰিয়তাৰ

কাৰ্যকাৰণ উপলব্ধি কৰিছিল আৰু লগতে উত্তৰ ভাৰতত কৃষ্ণ উক্তিৰ গভীৰতা অনুধাৱন কৰি অসমৰ জনসাধাৰণৰ লগতে সেই প্ৰান্তৰ জনসাধাৰণকো তেওঁৰ ধৰ্মমতেৰে উদ্বুদ্ধ কৰাবলৈ অসমীয়া ভাষাৰ লগত উত্তৰ ভাৰতৰ ভাষা বিশেষৰ উপাদান সংযোগেৰে ব্ৰজাৱলীৰ বিকাশ ঘটাইছিল।

**আত্মমূল্যায়ণ প্ৰশ্ন**

ব্ৰজাবুলি স্বাভাৱিক নে কৃত্ৰিম ভাষা বুলি ধাৰণা কৰিব পাৰি? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৩.৫ ব্ৰজাৱলী ভাষাৰ উপাদান**

অসমৰ জনসাধাৰণৰ মাজত একশৰণ নামধৰ্মৰ প্ৰসাৰ ঘটাবলৈ শংকৰদেৱে নামঘৰ স্থাপনৰ উপৰি সাহিত্যক মুখ্য মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। সাহিত্যৰ মাজেৰে মানুহক আকৃষ্ট কৰিবলৈ যাওঁতেও তেওঁ অনেক কৌশল অৱলম্বন কৰিছিল। বিবিধ ৰূপৰ সাহিত্য ৰচনা অৰ্থাৎ কাব্যৰে, নাটেৰে, গীতেৰে, অনুবাদেৰে তেওঁ ‘কৃষ্ণস্তু ভগৱান স্বয়ম’ ভাৱেই প্ৰতিপাদিত কৰিছে। একেটা আখ্যানকে কেতিয়াবা কাব্য ৰূপ দিছে, কেতিয়াবা নাটকীয় ৰূপ দিছে। কেতিয়াবা আকৌ অনুবাদ কৰি উলিয়াইছে। নাটসমূহৰ ক্ষেত্ৰত আকৌ একেখিনি কথাকে বচনৰূপে উপস্থাপন কৰিছে, শ্লোক হিচাপে সংযোগ কৰিছে আৰু গীত হিচাপেও ৰূপ দিছে। ফলত প্ৰতিটো ক্ষেত্ৰতে সি অভিনৱত্বৰে পাঠকক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। সাহিত্য ৰচনাৰ ক্ষেত্ৰত এনে কৌশল অৱলম্বন কৰা কবিজনাৰ সাহিত্য ৰচনাৰ মাধ্যম ৰূপে ভাষাৰ নিৰ্বাচনতো সিদ্ধহস্ততা পৰিলক্ষিত হয়। মাধৱ কন্দলিৰ কাব্যৰ ভাষাৰ পৰম্পৰা অনুযায়ী ‘কীৰ্ত্তন’, ‘দশম’, ‘ৰুক্মিণী হৰণ’ কাব্য আদি ৰচনা কৰাৰ পিছত তেওঁ তাৰপৰা ফালৰি কাটি আহি সুকীয়া প্ৰকৃতিৰ ব্ৰজাৱলী ভাষাত নাট-গীতসমূহ ৰচনা কৰাটো সঁচাকৈয়ে কৌতূহল উদ্ৰেককাৰী বিষয়। কাব্য, অনুবাদ, নাট, গীতত বিষয়বস্তু উপস্থাপনত একোটা সুকীয়া সুকীয়া কৌশল অৱলম্বন কৰাৰ দৰে ভাষা প্ৰয়োগৰ ক্ষেত্ৰতো প্ৰতিটো সাহিত্য কৰ্মত ধৰ্ম গুৰু গৰাকীৰ একোটা শৈলীৰ পৰিচয় আছে। নাট-গীতসমূহ ৰচিত হোৱা ব্ৰজাৱলী ভাষাক পূৰ্ণৰূপত সমকালৰ অসমীয়া ভাষাৰ সৈতে একে বুলিব নোৱাৰি। সমকালীন অসমীয়া ভাষাত নথকা বহু উপাদান ইয়াত আছে। প্ৰত্ন-অসমীয়া স্তৰৰ উপাদানো ভাষাটোত মিহলি হৈ আছে। তেনেদৰে সমকালীন সাহিত্যিক ভাষাৰ উপাদানৰ সৈতে কিছু পৰিমাণে মিল আছে। অসমৰ বিভিন্ন প্ৰান্তৰ আঞ্চলিক ভাষাৰ উপাদানো আছে। কিছুমান সমালোচকৰ মতে, উত্তৰ ভাৰতৰ কেইবাটাও ভাষাৰ স’তে

ব্ৰজাৱলীৰ সাদৃশ্য পৰিলক্ষিত হয়। সকলোবোৰ দিশ চালি-জাৰি চালে দেখা যায় যে অসমীয়া ভাষাৰ প্ৰাচীন স্তৰত এই ভাষাৰূপৰ সংযোজনে ভাষা-ধৰ্ম-সমাজৰ অংগাংগী সম্পৰ্কক প্ৰতিফলিত কৰিছে।

ব্ৰজাৱলী ভাষাৰ উপাদান বা বৈশিষ্ট্য বিচাৰ কৰিবলৈ গ'লে পোনতে অসমীয়া ভাষাৰ সৈতে তাৰ সাদৃশ্যৰ কথা বিচাৰ কৰা উচিত। পঞ্চদশ-ষোড়শ শতিকাত ব্ৰজাৱলীৰ উন্মেষ ঘটিলেও তাৰ পূৰ্বকালীন স্তৰত ৰচিত 'চৰ্যাপদ'ৰ ভাষাৰ সৈতেও কিছু সাদৃশ্য চকুত পৰে। উল্লেখ্য যে, চৰ্যাপদসমূহৰ ভাষাই অৱহট্‌ঠ ভাষাৰ কিছুমান ৰূপ নিৰ্দেশ কৰে আৰু সেই সময়ৰ সাহিত্যিক ভাষাৰো প্ৰতিনিধিত্ব কৰে বুলি কিছুসংখ্যক পণ্ডিতে মত পোষণ কৰে। চৰ্যাৰ ভাষাত পৰিলক্ষিত হোৱা কেতবোৰ অৱহট্‌ঠকালীন লক্ষণৰ সৈতে ব্ৰজাৱলীৰ মিল আছে। এই কথাৰ ওপৰত ভিত্তি কৰিয়ে কিছুসংখ্যকে ব্ৰজাৱলী ভাষাৰ ভিত্তি ৰূপে অৱহট্‌ঠ ভাষালৈ আঙুলিয়ায়। তলত চৰ্যাপদৰ ভাষাৰ সৈতে মিল থকা ব্ৰজাৱলী ভাষাৰ লক্ষণ কেতবোৰ উল্লেখ কৰা হ'ল—

**সৰ্বনাম ঃ**

মই ঃ লুই ভণই মই ভাইৰ কীষ (চৰ্যা— ২৯)
মই তেৰি দাসু দাস (বৰ./মা.)

মোৰ ঃ টালত মোৰ ঘৰ নাহি (চৰ্যা— ৩৩)
হৰি মোৰ এ দীন দয়াল (বৰ/মা.)

মোহোৰ ঃ মোহৰ বিগোআ (চৰ্যা—২০)
হৰি পদ মোহোৰ পৰম ধন (বৰ./মা.)

তোহাৰি ঃ তোহাৰি কুড়িআ (চৰ্যা— ১০)
তোহাৰি নাম গুণ (বৰ./মা.)

তাহেৰ ঃ তাহেৰ উহ ণ দিস (চৰ্যা — ২৯)
তাহেৰ দুখ শুনি (বৰ./শং)

কে ঃ কেডুআল নাহি কেঁ কি ৰাহবকে পাৰঅ (চৰ্যা— ৬)
নাৰায়ণ কে গুণ জানব কোই (বৰ/মা.)

কাহেৰে ঃ কাহেৰে ঘিণি মেলি অচ্ছহু কীস (চৰ্যা— ৬)
কাহেৰি সাৰ (বৰ., শং)

কেহো ঃ কেহো কেহো তোহোৰে বিৰুআ বোলই (চৰ্যা— ১৮)
কেহো কেহো নাচে (বৰ./শং)

এ ঃ এ ভৱ থিৰা (চৰ্যা— ২০)
এ নন্দ কুমাৰ মনোমোহনু (বৰ/মা)

এহু ঃ জ এহু জঅতি (চৰ্যা — ২৬)
এহু শংকৰ ভাণা (বৰ./শং)

সো ঃ সো ব্ৰাহ্মণ নাড়িআ (চৰ্যা— ১০)

সোহি ভূমিভাৰ (বৰ./শং)

জো ঃ জো মন গোঅৰ (চৰ্যা— ৭)

জো জন্তু নিত্য জল্পত ৰামা (বৰ./শং.)

কোই ঃ ভৱ জাই ণ আৱই এসু কোই (চৰ্যা— ৪২)

নাৰায়ণ লীলা জানব কোই (বৰ/শং)

**ক্ৰিয়া বিশেষণ ঃ**

এথু ঃ জা এথু বাহাম (চৰ্যা— ২০)

এথাএ খেলাইছিল (বৰ/শং)

অইসন ঃ অইসন চৰ্যা কুক্কুৰীপাএ (চৰ্যা— ২)

ঐচন মোহন বেণু (বৰ/মা.)

কইসন ঃ জাম মৰণ ভৱ কইসন হোই (চৰ্যা— ২২)

কৈচন ধৰব চিত্ত (বৰ/মা)

জইস ঃ জইসো জাম (চৰ্যা— ২২)

যৈচে বণিক চিন্তা মণিক (বৰ/শং)

ইয়াৰ উপৰি চৰ্যাত ব্যৱহৃত 'জবেঁ', তবে, ক্ৰিয়া বিশেষণ পদ দুটি অংকীয়া নাটৰ ভাষাত প্ৰয়োগ হোৱা দেখা যায়। যেনে—

চৰ্যা ঃ জবে মুষাএৰ (চৰ্যা— ২১)

তবেঁ বান্ধন ফিটঅ (চৰ্যা— ২১)

তুলনীয় ঃ জব তোহাৰ গৃহিনী হএ (ৰু. হ.)

তবে তোহাৰ গৃহবাস সব সাফল হএ (ৰু. হ.)

**কাৰক আৰু শব্দ বিভক্তি ঃ**

কৰ্তা কাৰক ঃ ঃ $\phi$/ -এ

ভুসুক ভণই (চৰ্যা— ৬)

শংকৰ কহু অভিলাষা (বৰ)

কাণেট চোৰে নিল (চৰ্যা— ২)

কৰ্ম কাৰক ঃ ঃ $\phi$/ -ক

গুৰু পুচ্ছিঅ জাণ (চৰ্যা— ১)

ঠাকুৰক পৰিণিবিতা (চৰ্যা— ১২)

হৰিক সুমৰি (বৰ/মা)

কৰণ কাৰক ঃ -এ

কুঠাৰে চিজ অ (চৰ্যা — ১৯)

আপুন কৰমে জনম মাহা হোই (বৰ/ম)

সম্বন্ধ পদ ঃ -ৰ/ক

হৰিণীৰ নিলআ (চৰ্যা— ৬)

হৰিৰ নাম (বৰ./মা.)

ছান্দক বান্ধ (চৰ্যা— ১)

ৰামক বাণী (বৰ/মা)

অধিকৰণ কাৰক ঃ -এ

মাঝেঁ ন থাহী (চৰ্যা— ৫)

হৰিপদে কৰু আশা (বৰ./মা.)

**কালবাচক প্ৰত্যয় ঃ**

অতীত কাল ঃ -ল

সুসুৰা নিদ গেল (চৰ্যা— ২)

জো ৰথে চড়িলা (চৰ্যা— ১৪)

হামাৰ ভেলি (বৰ./শং.)

মনোৰথ কাঢ়ল (বৰ./শং)

ভৱিষ্যত কাল ঃ -ইব/-ব

পাঅপএঁ জাইব (চৰ্যা— ১৪)

কৰিবে ম সাঙ্গ (চৰ্যা— ১০)

নেৰিবা বান্ধৱ মোক (বৰ./মা.)

ৰহব অৰ জীৱন (বৰ/শং)

**পুৰুষবাচক বিভক্তি ঃ**

১ম পুৰুষ ঃ -হু

এন চ্ছাড়ী হোহু ভান্তো (চৰ্যা— ৬)

খেলহুঁ নঅবল (চৰ্যা— ১২)

হৰিপদে শৰণা লেহু (বৰ./মা)

চৰণে শৰণ লেহু (বৰ./মা.)

৩য় পুৰুষ ঃ -অ/ই

খনহ ন ছাড়অ (চৰ্যা— ৬)

হৰিল নয়ন সুখ (বৰ/শং)

ধৰ্মাৰ্থে চাটিল সাঙ্কম গঢ়ই (চৰ্যা— ৫)

কে জানিতে পাৰয় (মা/বৰ)

অনুজ্ঞাবাচক বিভক্তি ঃ -হ, -হু

বিন্ধহ পৰম নিবাণেঁ (চৰ্যা-২৮)

ছোড়হ মায়া (বৰ./মা.)

কমল কুলিশ ঘাণ্ট কৰহুঁ বিআলী (চৰ্যা— ৪)

কৰহু কৰুণা নাথ (বৰ./মা.)

অসমাপিকা ক্ৰিয়া গঠনৰ প্ৰত্যয় ঃ -ই, -ঈয়া

কৰুণা পিহাড়ি (চৰ্যা- ১২

তা দেখি (চৰ্যা— ৭)

কালিন্দী দেখি (বৰ/শং)

ভাবি চৰণ না তেৰি (বৰ/শং)

চিহ্ন দেখিআ (চৰ্যা- ৩)

অৰশ কৰিআ (চৰ্যা- ১২)

মন জানিয়া (বৰ./শং)

অন্ন কৰিয়া ভোজন (বৰ./শং)

**ক্ৰিয়াৰ নঞৰ্থকতা ঃ**

বৰগীতৰ ক্ৰিয়াৰ নঞৰ্থকতা সাধন পদ্ধতি চৰ্যাৰ ভাষাৰ সৈতে মিলে আৰু ই পৰৱৰ্তী স্তৰলৈকে অব্যাহত আছে। যেনে—

ৰূপা যোই নাহিকে ঠাৱী (চৰ্যা— ৮)

হাড়ীত ভাত নাহি (চৰ্যা— ৩৩)

তুলনীয় ঃ নাহি ৰাজত বেণু বিষাণ (বৰ/শং)

ধৰম কৰম কৰত নাহি মুকুতি (বৰ./শং)

দুলি দুহি পিটা ধৰণ ণ জাই (চৰ্যা—২)

তুলনীয় ঃ নদেখস অন্ধা (বৰ./শং) ; ইত্যাদি।

ব্যাকৰণিক সাদৃশ্যৰ উপৰি চৰ্যা আৰু বৰগীতৰ মাজত শব্দগত মিলো আছে। এই প্ৰসংগত পৰীক্ষিত হাজৰিকাৰ ‘চৰ্যাপদ’ গ্ৰন্থ বিশেষ দ্ৰষ্টব্য।

ব্ৰজাৱলী ভাষাশৈলী ‘কীৰ্ত্তন’, ‘ৰুক্মিণী হৰণ’ কাব্য আদিৰ পুৰণি অসমীয়া ভাষাতকৈ বেলেগ হ’লেও উক্ত ভাষা ৰূপেই ব্ৰজাৱলীৰ ভেটি নিৰ্মাণ কৰিছে। বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰমুখ্যে কেইবাজনো পণ্ডিতৰ মতে, অসমীয়া ভাষাক ভেটি কৰি অইন ভাষা সংযোগে ব্ৰজাৱলীৰ জন্ম দিছে। গতিকে ব্ৰজাৱলীত অসমীয়া ভাষা হৈছে আধাৰ উপাদান। ইয়াৰ গঠনত অসমীয়া ভাষাই মূল জকাঁটো নিৰ্মাণ কৰিছে। এই ভাষা ৰূপত প্ৰত্ন অসমীয়া স্তৰৰ পৰা শংকৰোত্তৰ কাললৈকে অসমীয়া ভাষাৰ উপাদান চিহ্নিত কৰিব পাৰি। সিপিঠিত ব্ৰজাৱলী ভাষাত পৰিলক্ষিত হোৱা তেনে বৈশিষ্ট্য কেতবোৰ উল্লেখ কৰা হ’ল —

ক) **বহুবচন ঃ**

| <u>অসমীয়া ভাষা</u> | <u>ব্ৰজাৱলী ভাষা</u> |
|---|---|
| -সব ঃ এসব এৰিয়া | গোপ গোপিসব (কা. দ.) |
| -জন ঃ সাধুজন মনোনীত | গোপিজন সহিত (কে. গো.) |
| -সকলে ঃ নৃপ সকলে | জেসকল সুৰাসুৰ বন্দিত (কে. গো.) |
| -গণ ঃ দেৱ দ্বিজগণ | লক্ষ্মী ব্ৰহ্মা মহেশ প্ৰভৃতি দেৱগণে (কা. দ.) |
| -চয় ঃ লোমচয় | বুলিবে লাগিলা গোপচয় (প. প্ৰ.) |

**(খ) কাৰক-শব্দবিভক্তি ঃ**

| <u>অসমীয়া ভাষা</u> | <u>ব্ৰজাৱলী ভাষা</u> |
|---|---|
| কৰ্ত্তাকাৰক ঃ -এ | পিতৃ পুত্ৰভাতৃসবে (প. প্ৰ.) |
| দশৰথে বোলন্ত (মাধৱ কন্দলিৰ ৰামায়ণ) | |
| কৰ্মকাৰক ঃ ক | |
| মই অনাথক নছাৰিবা (প্ৰহ্লাদ চৰিত্ৰ) | প্ৰাণ কৃষ্ণক সুমৰি (কে. গো.) |
| নিৰঞ্জনক চিন্তিলে (গুৰু চৰিত কথা) | নিজ তনয়ক দেখি (অ. ভ.) |
| নিমিত্ত কাৰক ঃ ক | |
| হাটক না জাইব (শ্ৰীকৃষ্ণ কীৰ্ত্তন) | কে ব্ৰজক জাৱব (কা. দ.) |
| যুৱৰাজো গৃহক আসিলা (সাতসৰী অসম বুৰঞ্জী) | |
| অপাদান কাৰক ঃ হন্তে | |
| অসুৰৰ হন্তে গদা পাইল জৰাসন্ধে (সাত্যিকি প্ৰৱেশ) | কথা হন্তে এথাৱলি থিক (ৰু. হ.) |
| কিসক লাগি পলাইলাহা সমৰৰ হন্তে (বব্ৰুবাহনৰ যুদ্ধ) | বোকাহন্তে কৃষ্ণে নমাৱল (কে. পো) |
| অধিকৰণ কাৰক ঃ ত | |
| স্বৰ্গ মৰ্ত্য পাতালত লাগিল তৰাস (প্ৰহ্লাদ চৰিত্ৰ) | গোকুলত নানা বিমঙ্গল মিলল (অ. ভ.) |
| সেই যুদ্ধ পুহত লাগিল (সাতসৰী অসম বুৰঞ্জী) | |

**(গ) সৰ্বনাম ঃ**

| **অসমীয়া ভাষা** | **ব্ৰজাৱলী ভাষা** |
|---|---|
| মঞিও, মোক, মোৰ, আমি, তুমি, তোমাৰ, তোৰ, তোহোৰ, তোহাৰি | মঞিও, মোক, মোৰ, তোমাৰ, তোৰ, তোহোৰ, তোহাৰি, তোহোক, |

| | |
|---|---|
| তোহোক, তোৰা, তুহু, তযু, তই, তঞিঃ, তোহোসব | তোৰা, তুহু, তযু, তই, তঞিঃ, তোহোসব; আদি। |

উপেন্দ্ৰনাথ গোস্বামীয়ে শংকৰদেৱৰ নাটৰ ভাষাত হোৱা স্থানীয় ঘৰুৱা ঠাঁচযুক্ত প্ৰয়োগ কেতবোৰলৈকো আঙুলিয়াই দিছে। যেনে ঃ চিত হুৱা (ৰা. বি. নাট) দোপ দিয়া তুলি (ৰা. বি. নাট), জোকাৰ পাৰল (কা. দ. নাট), নাকে মুখে (কা. দ. নাট), গলে কানি বান্ধি (কা. দ. নাট), লাগ ধৰহ (ৰু. হ. নাট), উলট-পালট কৰি (কা. দ. নাট), হাৰাসাস্তি হুয়া (কা. দ. নাট), লাড়িবাক নাপাৰি (ৰা. বি. নাট), জীউ যাই (ৰু. হ. নাট), লাভক চাহন্তে মূল ঘাটয় (ৰু. হ. নাট)। তেখেতে মাধৱদেৱৰ 'তেজৰে কমলাপতি' নামৰ বৰগীতটোৰো নিন্দ, চান্দ, ডাকে, গেল, গোৱাল, ৰাখোৱাল, বাথান, উঠিয়া, লৈয়া. উঠ ৰে. সকালে শব্দকেইটা গোৱালপৰীয়া উপভাষাৰ শব্দ বুলি উল্লেখ কৰিছে।

কৃষ্ণ নাৰায়ণ প্ৰসাদ মাগধৰ মতে, ব্ৰজাৱলী ভাষা শৌৰসেনী প্ৰাকৃতৰ পৰা উদ্ভূত হৈছে। সেইসূত্ৰে শৌৰসেনীৰ পৰা উদ্ভৱ হোৱা ব্ৰজভাষাৰ সৈতে ব্ৰজাৱলীৰ ঘনিষ্ঠ সম্পৰ্ক আছে (শংকৰদেৱ ঃ সাহিত্যকাৰ আৰু বিচাৰক, পৃ. ৩৬৪)। আকৌ, অসমৰ পটভূমিত ব্ৰজাৱলী ভাষাৰ বিকাশ হোৱা হেতুকে প্ৰাদেশিক ভাষা অসমীয়াৰো উপাদান মিশ্ৰিত হৈ পৰিছে বুলি কৈছে। ইয়াৰ উপৰি ব্ৰজাৱলী ভাষাৰ কেতবোৰ বিশেষত্ব মগহী, ভোজপুৰী, অৱধী আৰু মৈথিলীতো পৰিলক্ষিত হয়। তথাপি ব্ৰজাৱলীত ব্ৰজ ভাষাৰ উপাদান বেছি। মাগধে আঙুলিয়াই দিয়া মতে ব্ৰজাৱলী ভাষাত প্ৰাচীন ব্ৰজভাষাৰ স্বৰ ব্যঞ্জন ধ্বনিসমূহ অবিকৃত ৰূপত ৰক্ষিত হৈছে। ব্ৰজ ভাষাৰ দৰে 'স' ধ্বনিৰ সলনি 'চ', 'ছ', 'জ'ৰ সলনি 'য়', 'ত'ৰ সলনি 'ট', 'হ'ৰ সলনি 'ৱ', 'ঝ'ৰ সলনি 'জ' আদিৰ ব্যৱহাৰো পৰিলক্ষিত হয়। উচ্চাৰণৰ ক্ষেত্ৰত ব্ৰজাৱলী ভাষা অসমীয়া ভাষাৰদ্বাৰা যথেষ্ট পৰিমাণে প্ৰভাৱান্বিত হৈছে বুলি মাগধে কৈছে। ব্যাকৰণিক ক্ষেত্ৰত সাহিত্যিকগৰাকীয়ে ব্ৰজ ভাষাৰ দৰে দুই প্ৰকাৰৰ লিংগ চিহ্নিত কৰাৰ লগতে ব্ৰজভাষাৰ দৰে বহু পুংলিংগ শব্দ স্ত্ৰীলিংগ অৰ্থত ব্যৱহাৰ হোৱা বুলি দেখুৱাইছে। কৰে লাগল (কে. গো.) বোলয়ে লাগল (ৰু. হ), বহি জাই (ৰু. হ.) লুটি পৰল চলিতে লাগল, খেদি খায়, (বৰ.) ধায়া আসে (বৰ.) আদি সংযুক্ত ক্ৰিয়াৰূপ তথা চাৰব, ধৰব, আৱব, কৰবি, ধৰবো, সুনবো, ভেটবো আদি ভৱিষ্যকালিক ক্ৰিয়া আধুনিক মগহীৰ অনুৰূপ। বৰ্তমান কালত তিনিও পুৰুষৰ বাবে ব্যৱহৃত চলৈছে চলৈছি, কৰৈছ, ৰহইছে (ৰা. বি.) সহায়ক ক্ৰিয়াযুক্ত ক্ৰিয়াপদ, অতীত কালত ব্যৱহাৰ হোৱা 'থিক' সহায়ক ক্ৰিয়া মাগধে ৰাজস্থানী, গুজৰাটী, মৈথিলী, বঙলা আৰু অসমীয়া ভাষাত প্ৰচলিত বুলি ক'বলৈ যত্ন কৰিছে। একেদৰে তেওঁ বৰ্তমান কালৰ মধ্যম পুৰুষত পৰিদৃষ্ট হোৱা দেসি (ৰু. হ.) কৰসি (পা. হ.), জানস (অ. ভ.), জানহ, কৰহ (পা. হ.) আদি '-স, -সি, -হ' সৰ্গযুক্ত ক্ৰিয়া; বৰ্তমান কালৰ অন্য পুৰুষৰ বাবে ব্যৱহৃত কহয় (ৰা. বি.), পুছয় (বৰ.) ধাৱে (বৰ.), মোহে (পা. হ.) লোলে, ৰোলে (বৰ.), হই (ৰা. বি) ধাই (বৰ. তাৰহু, লেহু, সেৱহু, হেৰহু (বৰ.) আদি -য়, -এ, -উ আৰু -ই সৰ্গ যুক্ত ক্ৰিয়া মগহী ভাষাৰ অনুৰূপ বুলি কৈছে। সৰ্বনামৰ ক্ষেত্ৰতো মোহি (ৰু. হ)। মোহে (প. প্ৰ.) মোক (কে.

গো.) সর্বনাম হিন্দী ভাষাত; হামাৰ (ৰূ. হ.), হামাকু (বৰ.), হামাৰু (বৰ.) সর্বনাম আধুনিক মগহীত পৰিলক্ষিত হয়। সর্বনামৰ আন ৰূপ যেনে— হম, হামাৰ, তোহাৰ, তাৰা, তোহোক, তোম্হাৰ, তোহাৰি, আদিও কিঞ্চিত পৰিৱৰ্তিত ৰূপত হিন্দী ভাষাৰ বিভিন্ন আঞ্চলিক ৰূপত প্ৰাপ্ত বুলি মাগধে উল্লেখ কৰিছে।

শংকৰী সাহিত্যৰ বিশিষ্ট সাধক বাপচন্দ্ৰ মহন্তই ব্ৰজাৱলীক এটা 'ভাষা' বুলি নকৈ কাব্য আৰু নাট্য ভাষাৰ এটা 'শৈলী' বুলিহে অভিহিত কৰিছে। তেওঁৰ মতে, অসম ৰাজ্যৰ মহাপুৰুষীয়া বৈষ্ণৱসকলৰ সাহিত্যৰ এটা বিশেষ অংশৰ ভাষা হৈছে ব্ৰজাৱলী। মথুৰা-বৃন্দাবন আদিত বিস্তৃত ব্ৰজভাষা বা ব্ৰজবোলীৰ শব্দযুক্ত ভাষা তথা ব্ৰজপৰ্যন্ত পৰিভ্ৰমণ বা ব্ৰজন কৰাসকলৰ ভাষা অৰ্থত তেওঁ উক্ত ভাষাশৈলীক 'ব্ৰজাৱলী' আখ্যা দিয়াৰ প্ৰয়াস কৰিছে। তেওঁৰ বিচাৰত মধ্যযুগত অসম, বংগ আৰু উৰিষ্যাৰপৰা কৃষ্ণ ভক্ত তীৰ্থযাত্ৰীসকলে পদব্ৰজে ব্ৰজধাম পৰ্যন্ত গৈছিল। উক্ত যাত্ৰাকালত তেওঁলোকে উক্ত অঞ্চলৰ নানা ভাষা-উপভাষাৰ শব্দ গ্ৰহণ কৰিছিল। তেওঁলোকৰ লক্ষ্যস্থান ব্ৰজভূমি হোৱা হেতুকে ব্ৰজভাষাৰ শব্দ অন্য উপভাষা বা বোলিতকৈ তেওঁলোকৰ ভাষাত বেছিকৈ সোমাই পৰিছিল। আনকি পৰৱৰ্তী সময়ত তেওঁলোকৰ ভাষাত অন্তৰ্ভুক্ত হোৱা আন ভাষাৰ শব্দকো ব্ৰজভাষাৰ শব্দ বুলিয়ে কোৱা হৈছিল। সাহিত্যিক গৰাকীৰ মতে ব্ৰজাৱলী তেনেভাৱে সৃষ্ট এটা কৃত্ৰিম ভাষাশৈলী। তৎকালীন উত্তৰ পূৰ আৰু পশ্চিম ভাৰতবৰ্ষত ব্ৰজাৱলীৰ দৰে মিশ্ৰিত শব্দৰ সমাহাৰ ঘটা তেনে ভাষা ৰূপ ধৰ্মীয় সাহিত্যৰ সৰ্বভাৰতীয় মাধ্যমৰ প্ৰচলন হৈছিল বুলিও তেওঁ উল্লেখ কৰিছে।

অৱশ্যে অসমত প্ৰচলিত ব্ৰজাৱলী শৈলীৰ মূল জঁকাটো তেওঁ অসমীয়া ভাষাৰ বুলিয়ে উল্লেখ কৰিছে। ব্ৰজাৱলী ভাষাত চাৰিটা ভাষাৰ উপাদান মিশ্ৰিত হৈ থকা বুলি মহন্তই দেখুৱাবলৈ যত্ন কৰিছে ঃ অসমীয়া সাহিত্যিক ভাষা, উত্তৰ ভাৰতীয় ভাষা, সংস্কৃত আৰু প্ৰাকৃত অপভ্ৰংশ ভাষা। ইয়াৰ ভিতৰত অসমীয়া সৰ্বপ্ৰধান উপাদান। উত্তৰ ভাৰতীয় ভাষাসমূহৰ ভিতৰতো ব্ৰজবোলী বা ব্ৰজভাষাৰ প্ৰভাৱ ব্ৰজাৱলীত সৰ্বাধিক। তেওঁ কাৰক শব্দবিভক্তি, ক্ৰিয়াবিভক্তি, সৰ্বনাম আদিৰ ক্ষেত্ৰত অসমীয়া, ব্ৰজভাষা, মৈথিলী আদি ভাষাৰ উপাদান মিশ্ৰণেৰে কিদৰে ব্ৰজাৱলী ভাষাৰ বৈয়াকৰণিক দিশটো গঢ় লৈ উঠিছে সেয়া সমান্তৰালভাৱে ফঁহিয়াই দেখুৱাইছে। উদাহৰণস্বৰূপে, ব্ৰজাৱলী ভাষাৰ বৰ্তমানৰ কালৰ 'ৰহতু', 'কৰতু' ৰূপ, মধ্যম পুৰুষৰ 'দেখু', 'ৰাখু', 'কৰু' আদি ৰূপ ব্ৰজভাষাৰ সৈতে একে বুলি দেখুৱাইছে। ব্ৰজাৱলী ভাষাৰ ল-কাৰান্ত অতীত কালৰ ৰূপত থকা মাগধী ভাষাৰ প্ৰভাৱ বুলি কৈছে। শব্দ বিভক্তিৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ লগতে বঙলা, মৈথিলী, ব্ৰজভাষাৰ নানা ৰূপ ব্ৰজাৱলীত সোমাইছেহি। হামু, হাম, হামি, হামো সৰ্বনাম ব্ৰজভাষাৰ সৈতে একে। প্ৰথম পুৰুষ একবচনৰ বাবে ব্যৱহৃত ৰূপত ব্ৰজভাষা, অসমীয়া, অৱধী, মৈথিলী, অসমীয়া ভাষাৰ উপাদান,খড়ীবোলী আদি বিভিন্ন ভাষাৰ প্ৰভাৱ মিশ্ৰিত হৈছে। দ্বিতীয় পুৰুষৰ সৰ্বনামৰ ক্ষেত্ৰত সংস্কৃত, প্ৰাকৃত, অপভ্ৰংশৰ লগতে অসমীয়া, অৱধী, খড়ীবোলী, মৈথিলীৰো প্ৰভাৱ আছে। তৃতীয় পুৰুষৰ উনিকৰ, তনিকৰ, তসু,

তাসু, এহি, এহু আদি ৰূপত সংস্কৃত, প্ৰাকৃত অপভ্ৰংশ শব্দৰ সম্পৰ্ক থাকিব পাৰে বুলি মত প্ৰকাশ কৰিছে। ব্ৰজাৱলীৰ জো, জাহে, যাহে, জাসু, জসু, জাহে, যে, যিটোত অসমীয়া ভাষাৰ উপৰিও প্ৰাকৃত অপভ্ৰংশ খড়ীবোলীৰ সৈতেও মিল দেখুৱাইছে।

**অগ্ৰগতিৰ খতিয়ান ঃ**

(১) স্বাভাৱিক ভাষা হিচাপে ব্ৰজাৱলী বিচাৰ কৰিব পাৰিনে?

..........................................................................................

..........................................................................................

..........................................................................................

(২) কিছুমান পণ্ডিতে কিয় ব্ৰজাৱলী ভাষাক কৃত্ৰিম ভাষা বুলি অভিহিত কৰিছে?

..........................................................................................

..........................................................................................

..........................................................................................

## ৩.৬ সাৰাংশ (Summing Up)

এনেদৰে বিভিন্ন পণ্ডিতে বিভিন্ন ব্যাকৰণিক দিশৰ ক্ষেত্ৰত কৰা ভিন্ন ভাষাৰ সাদৃশ্যৰ উল্লেখ ব্ৰজাৱলীৰ সৃষ্টিৰ আঁৰত থকা ভাষিক সংযোগৰ স্পষ্ট আভাস দিয়ে। ব্ৰজাৱলী ভাষা স্বাভাৱিক নে কৃত্ৰিম, অথবা কি কি ভাষাৰ উপাদান মিশ্ৰিত হৈ ভাষাটো গঢ় লৈ উঠিছে, সেই সন্দৰ্ভত মতভেদ থাকিলেও এটা কথা ঠিক যে ব্ৰজাৱলী ভাষা সেই সময়ৰ সাহিত্যিক অসমীয়া ভাষাটোৰপৰা পৃথক আছিল। ভাষাটোৰ ভালেমান বৈশিষ্ট্য তৎকালীন ভাৰতৰ বিভিন্ন ভাষাৰ সৈতে মিলি পৰাটোও লক্ষণীয় বিষয় আছিল। হয়তো কৃষ্ণভক্তিৰ ঢৌৰে প্লাৱিত কৰা ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থ ভ্ৰমিবলৈ যাওঁতে শংকৰদেৱে সমালোচকসকলে কোৱাৰ দৰে বিভিন্ন ভাষা-উপভাষাৰ সংযোগলৈ আহিছিল আৰু তেওঁৰ দ্বাৰা প্ৰচাৰিত 'কৃষ্ণস্তু ভগৱান স্বয়ম' ভাৱাদৰ্শকো সৰ্বভাৰতীয় প্ৰেক্ষাপটৰ সৈতে সংযোজিত কৰাৰ উদ্দেশ্যে অসমীয়া ভাষাৰ সৈতে তেনে ভাষা-উপভাষাৰ মিশ্ৰণেৰে ব্ৰজাৱলী ভাষাৰ সৃষ্টি কৰিছিল।

## ৩.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

(ক) অসমীয়া ভাষাৰ ইতিহাসত ব্ৰজাৱলী ভাষাৰ স্থান বিচাৰ কৰক।

(খ) পুৰণি অসমীয়া ভাষাৰ সৈতে ব্ৰজাৱলী ভাষাৰ এটি তুলনামূলক আলোচনা প্ৰস্তুত কৰক।

(গ) ব্ৰজাৱলী ভাষাই কিদৰে ভাষিক সংযোগৰ নিদৰ্শন দাঙি ধৰিছে? আলোচনা কৰা।

(ঘ) "ব্ৰজাৱলী ভাষাৰ উত্থানৰ আঁৰত নৱবৈষ্ণৱ ধৰ্ম ক্ৰিয়াশীল হৈ আছে।" — কথাষাৰৰ সত্যতা বিচাৰ কৰক।

### ৩.৮ প্ৰসংগ গ্ৰন্থ (**References/Suggested Readings**)


| | | |
|---|---|---|
| গোস্বামী, উপেন্দ্ৰ নাথ | ঃ | অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ। গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ, ১৯৯১। প্ৰকাশিত |
| গোস্বামী, নাৰায়ণ চন্দ্ৰ | ঃ | ব্ৰজাৱলী ভাষাৰ ব্যাকৰণ আৰু অভিধান। গুৱাহাটী, লয়াৰ্ছ বুক ষ্টল, ১৯৯০। প্ৰকাশিত। |
| চুতীয়া ধৰ্মেশ্বৰ | ঃ | মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বাক্যামৃত। শ্ৰীমন্ত শংকৰদেৱ সংঘ, ১৯৯৮। প্ৰকাশিত। |
| দাস, নাৰায়ণ | ঃ | ব্ৰজবুলি ভাষা আৰু সাহিত্য। গুৱাহাটী ঃ বীণা লাইব্ৰেৰী, ২০১২ (পুনঃ মুদ্ৰিত)। প্ৰকাশিত |
| নেওগ, মহেশ্বৰ (সম্পা.) | ঃ | গুৰুচৰিত কথা। গুৱাহাটী ঃ প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৮৭। প্ৰকাশিত। |
| মহন্ত, বাপচন্দ্ৰ | ঃ | সামাজিক পটভূমি সহিত অসম কে বৰগীত। যোৰহাট ঃ কমল কুমাৰী বৰুৱা ট্ৰাষ্ট, ১৯৮৮। প্ৰকাশিত। |
| মাগধ, কৃষ্ণপ্ৰসাদ | ঃ | শংকৰদেৱ সাহিত্যিক ওৰ বিচাৰক। পাটিয়ালা ঃ পাঞ্জাৱ য়ুনিভাৰ্ছিটি, ১৯৭৬। প্ৰকাশিত। |


* * *

## চতুৰ্থ বিভাগ
# চৰিত পুথিৰ ভাষা

**বিভাগৰ গঠন ঃ**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ চৰিত পুথি ৰচনাৰ পটভূমি
৪.৪ চৰিতকাৰ আৰু চৰিত পুথি
৪.৫ চৰিত পুথিৰ ভাষাৰ বৈশিষ্ট্য
৪.৬ চৰিত পুথিৰ ভাষা ঃ সমন্বয়ৰ ভাষা
৪.৭ সাৰাংশ (Summing Up)
৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

## ৪.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত ব্ৰজাৱলীৰ উত্থান আৰু ভাষাটিৰ বিভিন্ন দিশ আলোচনা কৰা হৈছে। এই বিভাগটিত চৰিত পুথিৰ ভাষা সম্পৰ্কে বিস্তৃতভাৱে পৰ্যালোচনা কৰা হ'ব।

ভাষাৰ উত্থান আৰু সমৃদ্ধিত ধৰ্মৰ বিশিষ্ট ভূমিকা আছে। ধৰ্মৰ প্ৰসাৰৰ বাবে মহাপুৰুষসকলে ৰচনা কৰা সাহিত্য অথবা ধৰ্মক কেন্দ্ৰ কৰি ৰচনা হোৱা সাহিত্যই ধৰ্মৰ ভেঁটি সবল কৰাৰ লগতে ভাষাৰো ভিত্তি সুদৃঢ় কৰে। ভাৰতীয় আৰ্যভাষাৰ ইতিহাসলৈ চালে দেখা যায়, বৈদিক-ব্ৰাহ্মণ্য ধৰ্মক কেন্দ্ৰ কৰি প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ বিকাশ ত্বৰান্বিত হৈছিল। সংস্কৃত ভাষাৰ উন্মেষৰ কাৰণো ধৰ্মই আছিল। বেদৰ সূক্তসমূহৰ পৱিত্ৰতা ৰক্ষাৰ বাবে পাণিনিয়ে আৰ্যভাষাৰ পৰিৱৰ্তন হ'ব নোৱাৰাকৈ তাক নিয়মেৰে বান্ধি পেলাইছিল। ধৰ্মীয় কাৰ্যৰ শুদ্ধতাৰ বাবে ভাষাক সংস্কাৰ কৰি লোৱা বাবেই যি 'সংস্কৃত' ভাষা নামেৰে পৰিচিত হৈছিল। মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰথমটো স্তৰ 'পালি' ভাষা ৰূপে পৰিচিত। বৌদ্ধ ধৰ্মৰ বাণীসমূহ সংৰক্ষণ-প্ৰতিপালনৰ বাবেই এই ভাষাৰ জন্ম হৈছিল। মধ্য ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয়টো স্তৰ 'প্ৰাকৃত' ভাষাৰ উত্থান আৰু বিকাশৰ আঁৰতো ধৰ্ম ক্ৰিয়াশীল হৈ আছিল। জৈন ধৰ্মৰ প্ৰচাৰে এই ভাষা সৃষ্টিত অৰিহনা যোগাইছিল। একেধৰণে মধ্য ভাৰতীয় আৰ্যভাষাৰ শেষৰ স্তৰ অপভ্ৰংশৰ শেহতীয়া ৰূপ 'অৱহট্‌ঠ' ভাষাৰ ভিত্তি সবল হোৱাত বৌদ্ধ তান্ত্ৰিক ধৰ্মই সহায়তা কৰিছিল। মগধীয় ভাষাসমূহৰ উমৈহতীয়া নিদৰ্শন বুলি চিহ্নিত চৰ্যাপদসমূহৰ ভাষা অৱহট্‌ঠ আছিল। অপভ্ৰংশ-অৱহট্‌ঠ স্তৰৰপৰা বিকশিত হোৱা নব্য ভাৰতীয় আৰ্যভাষাৰ প্ৰতিনিধি ভাষা অসমীয়া ভাষাৰ উত্থান

আৰু সমৃদ্ধিতো ধৰ্মৰ ভূমিকা অনস্বীকাৰ্য। খ্ৰীষ্টীয় দশম শতিকাত উদ্ভৱ হোৱা এই ভাষা খ্ৰীষ্টীয় পঞ্চদশ শতিকাত শংকৰদেৱ প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্মক কেন্দ্ৰ কৰি পঞ্চদশ-ষোড়শ শতিকাত বেছি সুদৃঢ় হৈ পৰিছিল।

অসমৰ ধৰ্ম ক্ষেত্ৰৰ সমান্তৰালভাৱে ভাষাৰ ক্ষেত্ৰতো শংকৰদেৱ প্ৰচাৰিত ধৰ্মমতৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ পৰিলক্ষিত হয়। সাহিত্যক ধৰ্মীয় আদৰ্শ প্ৰচাৰৰ বাহন হিচাপে লোৱা হেতুকে ধৰ্মমত প্ৰকাশক সাহিত্যৰাজিয়ে অসমীয়া ভাষাৰ লিখিত পৰম্পৰাক সমৃদ্ধ কৰিছিল, ভাষাটো ক্ৰমশঃ পৰিপক্ক হৈ উঠিছিল। প্ৰাক্‌শংকৰ যুগৰ হেম সৰস্বতী, মাধৱ কন্দলি আদিৰ কাব্যৰ ভাষা শংকৰদেৱৰ ৰচনাত অধিক পৰিশীলিত হৈ পৰিছিল। আকৌ শংকৰদেৱক অনুকৰণ কৰি তেওঁৰ শিষ্য-প্ৰশিষ্যসকলেও কাব্য-গীত-নাট ৰচনা কৰি সংস্কৃত গ্ৰন্থ অসমীয়ালৈ ভাঙনি কৰি ধৰ্মৰ প্ৰসাৰত হাত উজান দিছিল। তেওঁলোকৰ এনে কাব্য ৰচনাই আওপকীয়াকৈ ভাষাটোৰ সমৃদ্ধিত সহায়ো কৰিছিল। কিয়নো ধাৰাবাহিকভাৱে লিখিত সাহিত্য সৃষ্টি হ'লেহে ভাষা সুদৃঢ় আৰু পৈণত হ'বলৈ অৱকাশ পায়। শংকৰদেৱৰ তিৰোভাৱৰ পাছত ধৰ্মৰ উত্তৰাধিকাৰক লৈ শিষ্যসকলৰ মাজত সামান্য বিৰোধভাৱ হ'লেও ধৰ্মটোৰ প্ৰসাৰৰ বাবে সকলোৱে যত্ন কৰিছিল। সত্ৰ আৰু নামঘৰৰ যোগে ধৰ্মীয় আদৰ্শ প্ৰচাৰৰ লগতে সাহিত্য ৰচনাতো যত্নশীল হৈছিল। তেনে কাব্য-নাট-গীতে সমকালীন অসমীয়া ভাষাৰ বিকাশৰ বাট কাটিছিল। নৱবৈষ্ণৱ ধৰ্মমতে অসমৰ জনজীৱনক অসমান্য ৰূপত প্ৰভাৱিত কৰাৰ লেখীয়াকৈ বৈষ্ণৱ সন্ত-মহন্ত, ধৰ্মপ্ৰচাৰকসকলৰ আদৰ্শ-ব্যক্তিত্বয়ো জনগণক বিস্ময়াভিভূত কৰিছিল আৰু তেওঁলোকৰ ব্যক্তিত্ব-কাৰ্যৰ চৰ্চা কৰাটো পৱিত্ৰ বুলি গণ্য কৰা হৈছিল। সপ্তদশ শতিকাত শংকৰদেৱ-মাধৱদেৱ প্ৰমুখ্যে আন আন বৈষ্ণৱ ধৰ্মগুৰুসকলক লৈ 'চৰিত পুথি' নামেৰে এক শ্ৰেণীৰ  সাহিত্য ৰচনা হ'বলৈ ধৰিছিল। অসমীয়া ধৰ্ম-সমাজ জীৱনত বৈষ্ণৱ ধৰ্মৰ অপৰিসীম প্ৰভাৱ সাক্ষ্য বহন কৰা এই সাহিত্য শ্ৰেণীয়ে মধ্যযুগৰ অসমীয়া ভাষাৰ বিকাশত বিশেষকৈ গদ্যৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। সেয়ে মধ্যযুগীয় অসমীয়া ভাষাৰ বিকাশ-সমৃদ্ধি আলোচনা কৰোঁতে এই সাহিত্যশ্ৰেণীক সামৰিবলগীয়া হয়। এই বিভাগটিত এই সাহিত্য শ্ৰেণীৰ ভাষাৰ স্বৰূপ সম্পৰ্কে বিশ্লেষণ কৰা হ'ব।

## ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপুনি—

- চৰিত সাহিত্য সৃষ্টিৰ পটভূমি সম্পৰ্কে অৱগত হ'ব পাৰিব,
- চৰিত পুথিৰ ৰচক আৰু পুথিৰ পৰিচয় লাভ কৰিব পাৰিব,
- চৰিত পুথিৰ ভাষাৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব,
- চৰিত পুথিৰ ভাষাত কিদৰে সমন্বয় সাধিত হৈছে সেয়া অৱগত হ'ব পাৰিব।

## ৪.৩ চৰিত পুথি ৰচনাৰ পটভূমি

বৈষ্ণৱ সত্ৰ আৰু থানসমূহত 'চৰিত তোলা প্ৰথা' নামেৰে চৈধ্য প্ৰসংগৰ অন্তত ভকতসকলে গুৰুৰ জীৱনৰ কাৰ্যকলাপ, ক্ৰিয়া কাণ্ডৰ বিষয়ে শুনাৰ নিয়ম আছিল। প্ৰসংগ শেষ হোৱাৰ পাছত এগৰাকী জ্যেষ্ঠ ভকতে আন ভকতসকলক গুৰুৰ জীৱন পৰিক্ৰমাৰ এছোৱা বিৱৰি কয় আৰু ভকতসকলে তাক ভক্তিভাৱেৰে শ্ৰৱণ কৰে। কেতিয়াবা কোনো ভকতৰ গৃহতো দহ-বাৰজন ভকত লগ লাগি গুৰু-ঠাকুৰৰ এনেদৰে কাম-কাজ-চৰিত্ৰৰ চৰ্চা কৰে। ভকতৰ হৰি ভকতি-গুৰুভকতিৰ গভীৰতাই এনে চৰিত্ৰ চৰ্চন কাৰ্যক কেইবাদিনীয়া অনুষ্ঠান কৰি তুলিছিল। চৰিত পুথিমতে, মাধৱদেৱে পোনতে শংকৰদেৱৰ গুণানুকীৰ্ত্তন কৰি 'চৰিত তোলা প্ৰথা'ৰ আৰম্ভণি কৰিছিল। পিছলৈ ই সত্ৰ আৰু ভক্ত সমাজত ব্যাপক হৈ পৰে। প্ৰথম অৱস্থাত ভক্তসকলে মুখে মুখে গুৰুৰ চৰিত্ৰ কীৰ্ত্তন কৰিছিল। সপ্তদশ শতিকাত মুখ বাগৰি অহা কথাবোৰ কোনো কোনো ভকতৰ দ্বাৰা লিপিবদ্ধ হৈ পুথিৰ ৰূপ ল'বলৈ ধৰে। এনে পুথিসমূহেই হৈছে 'চৰিত সাহিত্য'। সত্ৰ-ভকত গৃহত প্ৰচলিত চৰিত ব্যাখ্যা প্ৰথা বা 'চৰিত তোলা' প্ৰথাই হৈছে পুথিসমূহৰ জন্ম উৎস। সত্যেন্দ্ৰনাথ শৰ্মাই বৈষ্ণৱ গুৰু-সত্ৰাধিকাৰসকলৰ গুণ-গৰিমা বৰ্ণিত হোৱা চৰিত পুথিসমূহক দুই শ্ৰেণীৰ বুলি উল্লেখ কৰিছে। (অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ১৭৬)। এক শ্ৰেণীৰ পুথিত কেৱল কোনো এজন সন্ত পুৰুষৰ জীৱন বৃত্তান্ত থাকে আৰু আন শ্ৰেণীৰ পুথিত একাধিক সন্ত-মহন্তৰ কাৰ্য আৰু গুণ গৰিমাৰ বৰ্ণনা থাকে বুলি তেখেতে মন্তব্য কৰিছে। সেয়া হ'লেও স্বৰূপ বিচাৰত দুয়ো শ্ৰেণীৰ পুথিতে বৈষ্ণৱ গুৰুসকলৰ জীৱনী আৰু কাৰ্যকলাপ বৰ্ণিত হৈছে। উল্লেখ কৰা ভাল, মধ্য যুগত (সপ্তদশ শতিকাত) অসমীয়া সাহিত্যত চৰিত পুথি ৰচিত হোৱাৰ আগেয়ে ভাৰতীয় আৰ্যভাষাত চৰিত পুথিৰ লেখীয়া সাহিত্য ৰচিত হৈছিল। সংস্কৃত ভাষাত ৰচিত 'বুদ্ধ চৰিত', 'হৰ্ষ চৰিত', পালি ভাষাৰ 'অশোকাৱদান', গ্ৰন্থ আদি জীৱনভিত্তিক কাব্য। মধ্যযুগৰ ইউৰোপতো খৃষ্টান সাধুপুৰুষসকলৰ অলৌকিকত্বৰ গুণ-গান কৰি এক শ্ৰেণীৰ গ্ৰন্থ ৰচনা হৈছিল। সিবোৰ 'Hagiography' নামে পৰিচিত। অসমীয়া চৰিত পুথিবোৰকো এই শ্ৰেণীত থ'ব পাৰি। ইয়াতো বৈষ্ণৱ ধৰ্ম প্ৰচাৰকসকলক সাধাৰণ মানৱ ৰূপে নাচাই অৱতাৰী পুৰুষ হিচাপে তেওঁলোকৰ কাৰ্যকলাপৰ বিৱৰণ দিয়া হৈছে।

## ৪.৪ চৰিতকাৰ আৰু চৰিত পুথি

অসমীয়া ভাষাৰ প্ৰথম চৰিতকাৰ ৰামচৰণ ঠাকুৰ নে দৈত্যাৰি ঠাকুৰ সেই লৈ পণ্ডিতসকলৰ মাজত মতভেদ আছে। কোনো কোনোৰ মতে, মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰে পোনপ্ৰথমে 'শংকৰ চৰিত' নামৰ চৰিত পুথি এখন ১৬শ শতিকাৰ শেষ অথবা ১৭শ শতিকাৰ আদিভাগত ৰচনা কৰিছিল। অনেক

অলৌকিক কথা সন্নিবিষ্ট হ'লেও পুথিখনত শংকৰদেৱৰ জীৱনৰ বিস্তৃত বৰ্ণনা আছে। আন কিছুমান পণ্ডিতৰ মতে, ৰামচৰণ ঠাকুৰৰ পুতেক দৈত্যাৰি ঠাকুৰেই পোনতে সপ্তদশ শতিকাৰ চতুৰ্থ-পঞ্চম দশকত 'শংকৰদেউ-মাধৱদেউ' নামৰ চৰিত পুথি ৰচনা কৰিছিল। দুগৰাকী পুৰুষৰ জীৱন আধাৰিত হ'লেও এইখন পুথিত মাধৱদেৱৰ কাৰ্যাৱলী বেছিকৈ বিবৃত হৈছে। শংকৰদেৱৰ শিষ্য চক্ৰপাণি ব্ৰাহ্মণৰ নাতি ভূষণ দ্বিজে সপ্তদশ শতিকাৰ প্ৰথমাৰ্দ্ধত শংকৰদেৱ নাতি আৰু নাৰায়ণ ঠাকুৰ আদি সন্তৰ পৰা সমল লৈ 'শংকৰ চৰিত' ৰচনা কৰে। সপ্তদশ শতিকাৰ শেষাৰ্দ্ধত ৰামানন্দ দ্বিজই 'গুৰু চৰিত' নামৰ চৰিত পুথিত শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱন কাহিনী বৰ্ণনা কৰে। বৈকুণ্ঠনাথ দ্বিজয়ো তেওঁৰ 'সন্তমালা' পুথিত শংকৰদেৱ-মাধৱদেৱৰ পৰা পুৰুষোত্তম চতুৰ্ভুজলৈকে বৈষ্ণৱ গুৰুসকলৰ জীৱনৰ কাৰ্যকলাপ সামৰি লৈছে। অষ্টাদশ শতিকাত ৰচিত বুলি ধাৰণা কৰি লোৱা চক্ৰপাণি বৈৰাগী কথিত উপেন্দ্ৰ চন্দ্ৰ লেখাৰুদেৱৰ সম্পাদিত 'কথা গুৰুচৰিত' (১৯৩২) তথা মহেশ্বৰ নেওগে সম্পাদনা কৰা 'গুৰুচৰিত কথা' (১৯৮৭) পুথি দুখনো শংকৰদেৱ-মাধৱদেৱকে ধৰি অনেকজনৰ কাৰ্যকলাপ লিপিবদ্ধ হৈছে। শংকৰদেৱৰ তিৰোধামৰ পাছত বৈষ্ণৱ ধৰ্মক নৱ গতি প্ৰদান কৰা বৈষ্ণৱ গুৰুসকলৰ ভিতৰত অন্যতম দামোদৰদেৱক লৈও তেওঁৰ শিষ্য-প্ৰশিষ্যসকলে চৰিত পুথি ৰচনা কৰিছিল । তাৰ ভিতৰত দামোদৰদেৱৰ প্ৰধান শিষ্য ৰামৰায় দ্বিজৰ 'গুৰুলীলা' পুথিখন উল্লেখযোগ্য। এই পুথিখনত ভট্টদেৱৰ জীৱনীও সন্নিবিষ্ট হৈছে। ইয়াৰ উপৰিও নীলকণ্ঠ দাসে 'দামোদৰ চৰিত', কৃষ্ণ মিশ্ৰই 'দামোদৰ চৰিত' নামে দুখন পুথি পদত ৰচনা কৰিছিল। উজনিত বৈষ্ণৱ ধৰ্ম প্ৰচাৰত আগভাগ লোৱা গুৰু বংশীগোপাল দেৱক লৈ ৰমানন্দই 'বংশী গোপালদেৱ চৰিত' ৰচনা কৰে। পূৰ্ণানন্দৰ 'গোপালদেৱ চৰিতো' এইজনা বৈষ্ণৱ গুৰুক লৈয়ে ৰচিত। সপ্তদশ শতিকাৰ শেষৰফালে ৰচিত ৰমাকান্তৰ 'বনমালীদেৱ চৰিত'ত বনমালীদেৱৰ জীৱন কাহিনী বিবৃত হৈছে। ভৱানন্দ দ্বিজে খটৰা সত্ৰৰ লেচাকনীয়া গোবিন্দ আতৈৰ চৰিত্ৰক লৈ 'গোবিন্দ চৰিত' আৰু শংকৰদেৱৰ নাতি চতুৰ্ভুজ আৰু পুৰুষোত্তম ঠাকুৰৰ জীৱনী আৰু কাৰ্যক লৈ বিদ্যানন্দ ওজাই 'ঠাকুৰ চৰিত' ৰচনা কৰিছিল। আন আন চৰিতকাৰ আৰু চৰিতপুথিৰ ভিতৰত দিবাকৰ দ্বিজ আৰু বাণেশ্বৰৰ 'হৰিদেৱ চৰিত', পূৰ্ণানন্দৰ 'গোপালদেৱ চৰিত', 'জয় নাৰায়ণৰ 'লক্ষ্মীপতি চৰিত', 'ৰামগোপাল চৰিত', অম্বৰীশ দ্বিজৰ 'কেশৱদেৱ চৰিত', বাসুদেৱ দ্বিজৰ 'শ্ৰীশ্ৰী ৰামদেৱ চৰিত', ৰামনাথ মহন্তৰ 'সন্ত-মুক্তাৱলী', কৃষ্ণ ভাৰতীৰ 'সন্ত-নিৰ্ণয়', কৃষ্ণাচাৰ্যৰ 'সন্ত-চৰিত' আদি উল্লেখযোগ্য। ভট্টদেৱৰ নামতো 'সৎ সম্প্ৰদায় কথা' নামৰ গদ্যত ৰচিত চৰিত পুথি এখন পোৱা যায়।

উল্লেখ কৰা ভাল, গুৰুসকলৰ জীৱন আৰু কৃতিক সুঁৱৰি আধুনিক যুগতো পুথি ৰচিত হৈছে। সেয়ে শংকৰদেৱ অধ্যয়নৰ বিশিষ্ট পণ্ডিত ড° সঞ্জীৱ কুমাৰ বৰকাকতীয়ে চৰিত পুথি লেখকসকলক মধ্যযুগীয়া আৰু আধুনিক বুলি দুটা ভাগত

বিভক্ত কৰিছে। তেখেতে ভূষণ দ্বিজ, চক্ৰপাণি বৈৰাগী, দৈত্যাৰি ঠাকুৰ, ৰামানন্দ দ্বিজ, ৰামচৰণ ঠাকুৰ, আদিক মধ্যযুগীয় চৰিতকাৰ আৰু পুৰাৰাম মহন্ত, দীননাথ বেজবৰুৱাক আধুনিক যুগৰ চৰিতকাৰ বুলি উল্লেখ কৰিছে। ভাষাশৈলীৰ দিশেৰে চৰিতসমূহক গদ্য চৰিত আৰু পদ্য চৰিত বুলিও দুটা ভাগত ভগাব পাৰি। দৈত্যাৰি ঠাকুৰৰ 'শংকৰদেউ মাধৱদেউ চৰিত', ভূষণ দ্বিজৰ 'গুৰু চৰিত', ভবানন্দ দ্বিজৰ 'গোবিন্দ চৰিত' আদি পদ্যত ৰচিত চৰিত পুথি। আকৌ চক্ৰপাণি বৈৰাগী কথিত তথা মহেশ্বৰ নেওগ সম্পাদিত 'গুৰু চৰিত কথা', 'লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী'ত প্ৰকাশিত এটকা মহন্তৰ 'বৰদোৱা গুৰু চৰিত' গদ্যত ৰচিত চৰিত পুথি।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

১। 'চৰিত তোলা' প্ৰথা মানে কি?

.....................................................................................................

.....................................................................................................

.....................................................................................................

২। ভাৰতীয় সাহিত্যত চৰিত পুথিৰ পৰম্পৰা দেখিবলৈ পোৱা যায় নে?

.....................................................................................................

.....................................................................................................

.....................................................................................................

### ৪.৫ চৰিত পুথিৰ ভাষাৰ বৈশিষ্ট্য

ওপৰত উল্লেখ কৰি অহা হৈছে যে, চৰিত পুথিসমূহ পদ্য আৰু গদ্যত ৰচিত গদ্যত ৰচিত পুথিসমূহ অষ্টাদশ শতিকাৰ সৃষ্টি। গদ্য-পদ্যত ৰচিত পুথিসমূহৰপৰা বৈষ্ণৱ গুৰুসকলৰ জীৱন আৰু কাৰ্যৰ আভাস পোৱাৰ উপৰিও সমকালীন অসমৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক দিশৰো খণ্ড-বিখণ্ড চিত্ৰ পোৱা যায়। অসমীয়া ভাষাৰ পৰিপুষ্টিতো পুথিসমূহে বিশিষ্ট বৰঙণি যোগাইছে। শংকৰোত্তৰ যুগৰ সাহিত্য হিচাপে পুথিসমূহৰ দ্বাৰা ভাষাটোৰ ধাৰাবাহিক চৰ্চা হোৱাত অব্যাহত আছিল। বিশেষকৈ গদ্যত ৰচিত পুথিসমূহে অসমীয়া গদ্যক পৰিপুষ্ট কৰি তুলিছিল। তলত চৰিত পুথিৰ ভাষাৰ কেতবোৰ বৈশিষ্ট্য উল্লেখ কৰা হ'ল—

১। সংস্কৃতৰ 'ঐ' আৰু 'ঔ' ধ্বনি চৰিত পুথিৰ ভাষাত ভাঙি লিখা হয়। যেনে—

চউ

মউ

ৰই

হই

২। 'ই' আৰু 'ও' ধ্বনি বহু সময়ত 'এও' হিচাপে ব্যৱহাৰ হৈছে। 'ওঁ'ৰ পৰিপূৰক ৰূপে 'ঞ' ব্যৱহৃত হৈছে। যেনে—

মই > মঞ
যাওতে > যাঞতে
তেওঁ > তেঞ
পাওঁ > পাঞ
যাওঁ > জাঞ

৩। আধুনিক মান্য অসমীয়া ভাষাৰ নিম্ন মধ্য /অ'/ ধ্বনিৰ ব্যৱহাৰ চৰিত পুথিৰ ভাষাত নাই। যেনে—

গ'ল > গল
ৰ'ল> ৰল
হ'ল> হল

৪। আধুনিক মান্য অসমীয়া ভাষাৰ সংযুক্ত ব্যঞ্জনৰ স্থিতি চৰিত পুথিৰ ভাষাত নাই। যেনে—

আশ্চৰ্য্য > আছৰ্য্য
স্তন> তন
শ্ৰীৰাম > চিৰাম
স্কন্ধ > কন্ধ
আশ্বিন > আচিন
বিদ্যুৎ > বিযুত
উত্তৰ > উতৰ

৫। মএ, মই, আমি, আমাক, মোক, এই, তুমি, তোক, মোৰ, আমাৰ, হামু, মও, তোমা, তোম্রা, তোম্রাই, তাক, তাৰো, তেঞৰ, এখেৎ, এখেলৈ, তোম্রাসব, আৰা, এইভোৰ, জি, জিহে, কি কেহো, কোনু, কোনবা, এটাইভোৰ, কিচু, কেও, জো, তযু, আদি সৰ্বনামীয় ৰূপৰ ব্যৱহাৰ।

৬। -জন, -জনা, -জনি, -গচ, -গচি, -আক, -যন, -খান, -খানি, -খিনি, -টা, -টি, -টো, -ভাৰ, -থোক, -কঠা, -কঠি, -খাৰ, -কুৰি, -বেলা, -মুঠি, -ডাল, -ডালি, -যোপ, -গোটা, -পুৰা, -টুপি, -সেৰ, -যুপি, -জোপা, -পাত, -আখি, -জুৰি আদি নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ।

৭। -মান, -চাৰেক, -চাৰি আদি অনিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ।

৮। -ই/ঈ, ইনী, আনি স্ত্ৰী প্ৰত্যয়ৰ ব্যৱহাৰ।

৯। চৰিত পুথিৰ ভাষাত প্ৰয়োগ হোৱা কাৰক-শব্দবিভক্তি তলত দিয়া ধৰণৰ—

কৰ্ত্তা কাৰক ঃ $\phi$, -এ

গৰখিয়া দলৈ ৰাজা হৈ দেৱীক মানুহৰ বলি দিচে (গু. চ. ক)

এদিন গোসানিএ বোলে (গু. চ. ক)

কৰ্ম কাৰক ঃ -ক, -ত

নিৰঞ্জনক চিন্তিলে (গু. চ. ক.)

শংকৰদেৱত কলেহি (গু. চ. ক.)

কৰণ কাৰক ঃ -এ

আতা আগ হৈ বাম হাতে দলি মাৰি পঠালে (গু. চ. ক.)

নিমিত্ত কাৰক ঃ -গৈ

জীৱক কৃপাৰে নামিল পৃথিৰীলৈ (গু. চ. ক.)

সম্বন্ধ পদ ঃ -ৰ

তোম্ৰাসৱৰ পূজা নাই (গু. চ. ক.)

অপাদান কাৰক ঃ -ৰ + পৰা

মাটিৰে পৰা পাম গোট পাৰোতা নাই (গু. চ. ক.)

অধিকৰণ কাৰক ঃ -এ, -ত

বৃন্দাবনে অংকুৰসমে পূৰ্ণ হল (গু. চ. ক.)

আহি ভাৰত হাটত দোকান পাতিলে (গু. চ. ক.)

১০। -ভোৰ, -সব, -হত, -গণ, -ঠে, -লোক, -হান আদি বহু বচনাত্মক প্ৰত্যয়ৰ ব্যৱহাৰ; যেনে ঃ এইভোৰ, দ্বিজসব, আইসব, গোপগণ, তোম্ৰাঠেৰ, অনেক লোক, সাৰাহান আদি।

১১। চৰিত পুথিৰ ভাষাত বৰ্তমান কালৰ বাবে '-ও', অতীত কালৰ বাবে '-হ'ল' আৰু ভৱিষ্যত কালৰ বাবে '-ইব' কালবাচক প্ৰত্যয় ব্যৱহাৰ হয়। লগতে ঘটিত আৰু ঘটমান দশা বুজাবলৈ '-ইছ' প্ৰত্যয়ৰ ব্যৱহাৰ আছে। যেনে ঃ আহো, বান্ধো, কৰিলে, ঘটালে, নিলে, নুবুলিব, নেথাকিবা, গৈছিল, ৰৈচিল, কৰিচিল, কৰিছে, থৈছে আদি।

১২। বহুতো ক্ৰিয়াত মধ্য ব্যঞ্জন ধ্বনি লোপ পাইছে। যেনে—

আইলে (আনিলে)

ধৈলে (ধৰিলে)

কৈলে (কৰিলে)

তুইলে (তুলিলে)

খুইচো (খুজিচো) ; আদি।

### ৪.৬ চৰিত পুথিৰ ভাষা সমন্বয়ৰ ভাষা

চৰিত পুথিৰ ভাষা অসমীয়া যদিও প্ৰকৃতি বিচাৰত সি সমন্বয়ৰ ভাষা। পুথিসমূহৰ ভাষাত পূব আৰু পশ্চিম অসমৰ আঞ্চলিক ভাষাৰ বৈশিষ্ট্যৰ লগতে পুৰণি অসমীয়া ভাষাৰ লক্ষণো পৰিদৃষ্ট হয়। ইয়াৰ উপৰি পুথিসমূহৰ সংস্কৃতভাষা, বিদেশী ভাষা, জনজাতীয় ভাষাৰো উপাদান আছে। চৰিত পুথিসমূহত সংস্কৃত ভাষাৰ উপাদান প্ৰাপ্তিয়ে অসমীয়া ভাষাৰ উৎসগত বা মূলগত পৰম্পৰাক বহন কৰে। আকৌ জনজাতীয় তথা

বিদেশী ভাষাৰ উপাদানসমূহে সেইকালত অন্য ভাষী লোকৰ সৈতে অসমীয়া ভাষী লোকৰ ভাষা-সংস্কৃতিজনিত সংযোগ সাধিত হোৱাৰ কথাটো প্ৰতিপন্ন কৰে।

অসমীয়া ভাষাৰ মূল হৈছে প্ৰাচীন ভাৰতীয় আৰ্যভাষা। খৃষ্টীয় দশম শতিকাত এই ভাষাই স্বকীয়তা লাভ কৰাৰ উপক্ৰম হয় আৰু তেতিয়াৰে পৰা নানা পৰিৱৰ্তনৰ মাজেৰে আহি বৰ্তমানৰ অৱস্থা পাইছেহি। দশম শতিকাৰপৰা সপ্তদশ শতিকালৈকে ভাষাটোৰ বিভিন্ন স্তৰত বিভিন্ন প্ৰকাৰে অলেখ সংস্কৃত শব্দ সোমাই পৰিছে। কোনো কোনো সময়ত লিখিত সাহিত্যত সংস্কৃত বাক্যয়ো স্থান পাইছে। সপ্তদশ শতিকাত লিপিবদ্ধ হোৱা চৰিত পুথিসমূহৰ ভাষাতো অলেখ সংস্কৃত শব্দ আছে। যেনে ঃ শত, শ্ৰৱণ, গো, বস্ত্ৰ, ঋষি, জাত, কৃষ্ণ, সংকল্প, সুৱৰ্ণ, সদা, সৰ্বদা, গুৰু, বন্ধু, পণ্ডিত, সুশীল, মাতৃ, চন্দ্ৰ, মধু, ঘৃত, দুগ্ধ, ব্ৰাহ্মণ, দধি, সূৰ্য, সুহৃদ, দিব্য, সুন্দৰ, গম্ভীৰ, অগ্নি, দুহিতৃ, বৃষভ, বৰ্ষ, শান্ত, গোত্ৰ, দিব্য, সুন্দৰ, মুণ্ড, হংস, চক্ষু, সাধু, দৰিদ্ৰ, পঙ্গু, ব্যাঘ্ৰ, ভক্ত, অৰ্দ্ধ, মনুষ্য, ভৃত্য, জ্যেষ্ঠ, অভ্যন্তৰ, সহস্ৰ, ঊৰ্দ্ধ, তৰ্পণ আদি। পুথিসমূহত কেতিয়াবা একোটা বাক্য সম্পূৰ্ণ তৎসম শব্দৰেও গঠিত হৈছে। ‘গুৰু চৰিত কথা’ৰ বিশিষ্ট অধ্যয়নকাৰী ড° মুকুল চক্ৰৱৰ্তীয়ে তেখেতৰ ‘গুৰু চৰিত কথা অধ্যয়ন’ পুথিখনত এই বিষয়ে শৃংখলাবদ্ধভাৱে আলোচনা কৰিছে। তেখেতে তৎসম শব্দৰে গঠিত বাক্য উদাহৰণসহ আলোচনা কৰিছে। যেনে—

“কৌটি সূৰ্যৰ সদৃশ জৌতি ঃ গৌৰৱৰ্ণে ঃ ছত্ৰাকৃত মাথ ঃ নীল আকুঞ্চিত কেশঃ শঙ্খ প্ৰায় (গ্ৰীবা) কন্নত মকৰ কুণ্ডলে চাৰু ঃ উজ্জৰিত ঃ পদ্ম পাৰিসদৃশ আয়ত লোচনঃ মদন চাপ ভ্ৰুৰযুগঃ নাসাতিলফুলঃ অধৰ ৰক্তিমা ৰাতুল ঃ পূৰ্ণ শশী মুখ পদ্মঃ দশন কুন্দবাঢ়ি পান্তি ডাড়িম্ব ঃ শ্বেতহাস্যঃ বাক্য গম্ভীৰ মধুৰ অমৃত বৰিষে ঃ চাৰু চিবুক শ্যামঃ সিংহবন্ধ কন্ধ গ্ৰীৱ ঃ বহল বাহু বক্ষস্থান অশ্বত্থৰ পত্ৰণয় ঃ ভুজ বাসুকিপ্ৰাই আজানুলম্বিত ঃ ৰত্নৰ মোলান আঙ্গুলি ঃ নথ চন্দ্ৰসম জৌতি ঃ নিতম্ব কৃশ কটি ঃ পীত ভুনি উৰু ৰামকল ঃ জানু সুঠান, নৱপল্লৱ ঃ পাদপদ্মকোশ ঃ ৰত্নৰ পাকৰি আঙ্গুলি ঃ পদতল দুতয় পঞ্চ চিহ্নে বিৰাজি ঃ নেত পিচোৰা উজৰিত ঃ সাগৰ সদৃশ গহন ঃ পৃথিৱীৰ সম সহন ঃ বুদ্ধি বৃহষ্যতি ঃ ধৌৰ্যে মেৰু গম্ভীৰে বিষ্ণু।” (গুৰু-চৰিত-কথা, ১৯৮৭, দফা নং- ১৩৬)। চৰিত পুথিৰ আন ঠাইতো তৎসম শব্দৰে গঠিত এনে বাক্য আৰু পোৱা যায়।

তৎসম শব্দৰ তুলনাত সংখ্যাত তাকৰ হ’লেও চৰিত পুথিত অৰ্দ্ধ তৎসম শব্দৰো প্ৰয়োগ ঘটিছে। ঈৰিষা, কছপা, খীৰ, ভকতি, ভকত, মুকুতি, কিৰিষি, খিত, কাষ্ঠ, মৃতিকা, সুবন্ন, শবদ, শৃকাল, দান্ত, ৰিষি, মধ্যান, হংস আদি এনে শব্দ। চৰিত পুথিসমূহত প্ৰয়োগ হোৱা শব্দৰ অধিকাংশই হৈছে তদ্ভৱ শব্দ। সংস্কৃতৰ পৰা পৰিৱৰ্তিত হৈ শব্দবোৰে উক্ত ৰূপ লাভ কৰিছে। মানুহ, বোকা, ধান, পিঠা, আখৈ, মৈলাম, হাত, ভৰি, জুই, মেজি, গাখীৰ, কলা, হাঁহ, পাৰ, মাছ, কাছ, ধান, শিয়াল, এঘাৰ, গৰু, তাম, হাত, মুহুদি, মিঠাতেল, আঠ, দহ আদি এনে পৰিৱৰ্তিত শব্দৰ উদাহৰণ।

চৰিত পুথিৰ ভাষাত পশ্চিম অসমৰ উপভাষাৰ প্ৰভাৱ লক্ষণীয়। উপেন্দ্ৰনাথ গোস্বামীৰ মতে, সোতৰ শতিকাৰ 'কামৰূপ' নামেৰে প্ৰসিদ্ধ অসমৰ ভাষাটো কামৰূপী নামে পৰিচিত আছিল আৰু সি পশ্চিম অসমৰ উপভাষাই প্ৰতিনিধিত্ব কৰা এটি ধাৰা আৰু পূৱ অসমৰ মান্য ভাষাই প্ৰতিনিধিত্ব কৰা আন এটি ধাৰাৰে সম্পূৰ্ণ আছিল। সেই পশ্চিম অসমৰ উপভাষাই প্ৰতিনিধিত্ব কৰা ধাৰাটোৰ প্ৰভাৱ প্ৰাচীন অসমীয়া সাহিত্যৰ পৰা মধ্যযুগৰ সাহিত্যতো অতি স্পষ্ট। চৰিত পুথিসমূহৰ ভাষাও ইয়াৰ প্ৰভাৱমুক্ত নহয়। কামৰূপী উপভাষাৰ আদ্য অক্ষৰ কেন্দ্ৰক শ্বাসাঘাত, নিম্ন স্বৰধ্বনিৰ ঠাইত উচ্চ স্বৰৰ প্ৰয়োগ, দুটা 'আ' ধ্বনিৰ ওপৰা-উপৰি ব্যৱহাৰ, মহাপ্ৰাণীভৱন, ন আৰু ৰ>ল আদি বৈশিষ্ট্য চৰিত পুথিৰ ভাষাত পৰিলক্ষিত হয়। যেনে—

আদ্য অক্ষৰকেন্দ্ৰিক শ্বাসাঘাত—

দিঘলা, (গু. চ. ক.)
কমৰা (গু. চ. ক.)
তিনিটা (গু. চ. ক.)

নিম্ন স্বৰধ্বনি > উচ্চ স্বৰধ্বনি ঃ সিন্দুৰ, তামুল, ইন্দুৰ

দুটা 'আ' ধ্বনিৰ ব্যৱহাৰ—

ৰাজা (গু. চ. ক.)
দায়া (গু. চ. ক.)
কাটা (গু. চ. ক.)
বানা (গু. চ. ক.)
পাঠা (গু. চ. ক.)

শব্দগত দিশেৰেও চৰিত পুথিত পশ্চিম অসমৰ অলেখ শব্দ আছে। যেনে ঃ আপি, হনু, বুদবাৰ, নাইকা, বন্নাই, গেৰি, বান্ধা, পাক্‌ৰি, আকাল, লোম, বৰখুন, তেহে, নাইকাৎ, খাৰ, আগাৰ, গৃহস্ত, কাখে, মৰধ, ভাঠিবেলা, হাঠোতে, সুখাই, ঘলক, ফিৰদিনা, হাঠা, বয়া, খাচা, ডেৰা, দোচোৰা, গিহস্থ, বৌ, বহাৰি, বেইখান, কলাঠহুৰা, ফকাৰা, দগৰি, কাকা, অখট, ডুকুলি, বুৰা, বুৰি, গোৰে, ৰূপা, আতা, আবু, আদখান, আপী, নুসুমাঞ, ভিৰি, লাৰ, চুৰা, ডাউৰি, ইন্দুৰ, সিন্দুৰ, টাকা, হলু, মাথা, নেল, কান্তে, চাৰা, আধ্যা, ধুলা আদি। পশ্চিম অসমৰ উপভাষাৰ এনে প্ৰভাৱ লক্ষ্য কৰি হৰিনাথ শৰ্মা দলৈয়ে গদ্যত ৰচিত 'কথা গুৰুচৰিত'খনৰ ভাষাক কামৰূপী কথিত ভাষাৰ সৈতে বেছি সাদৃশ্যযুক্ত বুলি কৈছে। গোবিন্দ প্ৰসাদ শৰ্মায়ো বৰপেটা অঞ্চল বা অবিভক্ত কামৰূপৰ ভাষাৰ লগত মিলে বুলিছে।

অসমীয়া ভাষাৰ পৰিপুষ্টিত অসমৰ জনজাতীয় ভাষাসমূহৰ অৱদান অপৰিসীম। ভাৰতীয় আৰ্যভাষা-সম্ভূত হোৱা সত্বেও অসমীয়া ভাষাৰ ধ্বনি, ৰূপ আৰু শব্দৰাজিক জনজাতীয় ভাষাসমূহে প্ৰভাৱিত কৰিছে। অসমীয়া ভাষাৰ দন্তমূলীয় ধ্বনি, স্বতঃ অনুনাসিকীভৱন, নিৰ্দিষ্টতাবাচক প্ৰত্যয়, বহুবচনাত্মক প্ৰত্যয়, সম্বন্ধবাচক

নিৰ্দিষ্টতাবাচক প্ৰত্যয় আদিত জনজাতীয় বড়ো, ৰাভা, গাৰো, মিচিং খাটা আদিৰ ভাষাৰ প্ৰভাৱ থকা বুলি ভাষাতাত্ত্বিকসকলে আঙুলিয়াই দিছে। অসমীয়া ভাষাৰ জীৱ-জন্তু, মাছ-কাছ, গছ-গছনি, ঠাই, নদীৰ নাম বুজোৱা ভালেমান শব্দ জনজাতীয় ভাষাৰ পৰা অহা। মধ্যযুগৰ অসম আছিল নানা জাতি-জনজাতি সমন্বয়ভূমি শংকৰদেৱ প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্মই এই সকলো জাতি-জনজাতিৰ লোককে একেখন পৃষ্ঠত সহাৱস্থানৰ সুবিধা দিছিল। তেনে পৰিৱেশত অসমীয়া ভাষী লোকৰ সৈতে অন্য ভাষী লোকৰ ভাষিক-সাংস্কৃতিক মিশ্ৰণ ঘটাটো তেনেই স্বাভাৱিক আছিল। দৰাচলতে, পঞ্চদশ-ষষ্ঠদশ শতিকাত শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মক অৱলম্বন কৰি উমৈহতীয়া সমাজ-ব্যৱস্থাৰ ভেটি গঢ় লৈছিল আৰু অসম মুলুকত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ বৰ্ণাঢ্য ভাষা-সংস্কৃতিৰ উপাদানৰ সমন্বয়তে নৱবৈষ্ণৱ সংস্কৃতি গঢ় লৈ উঠিছিল।

গুৰুজনাৰ ভাষাত ঃ “কিৰাত কচাৰী খাছী গাৰো মিৰি যৱন কঙ্ক গোৱাল/অসম মুলুক ধোবা যে তুৰুক কুবাচ ম্লেচ্ছ চণ্ডাল।”

মুছলমানৰ চান্দসাই, গাৰোৰ গোবিন্দ, মিৰিৰ পৰমানন্দ, ব্ৰাহ্মণৰ হৰিদেৱ, কছাৰীৰ ৰমাই, কৈৱৰ্তৰ পূৰ্ণানন্দ আৰু শ্ৰীৰাম, নগাৰ নৰোত্তম, কাৰ্বিৰ জয়হৰি শংকৰ গুৰুৰ শিষ্য হোৱাটোৱেই উক্ত সময়ছোৱাত সাধিত হোৱা সমন্বয়ৰ পৰিঘটনাৰ পৰিচয় দিয়ে।

এনে সমন্বয়ৰ প্ৰেক্ষাপটত চৰিত পুথিসমূহ লিপিবদ্ধ হোৱাৰ সময়ত অনেক জনজাতীয় শব্দৰ অন্তৰ্ভুক্তি ঘটাটো স্বাভাৱিক। ড° উপেন ৰাভা হাকাচামে তেখেতৰ ‘প্ৰাক্-শংকৰী, শংকৰী আৰু শংকৰোত্তৰ যুগৰ সাহিত্যত আৰ্যভিন্ন ভাষাৰ সমল’ নামৰ প্ৰবন্ধত; ড° মুকুল চক্ৰৱৰ্তীয়ে ‘গুৰু-চৰিত-কথা অধ্যয়ন’ গ্ৰন্থত গদ্যত ৰচিত চৰিত পুথিখনৰ আলোচনা প্ৰসংগত অতি সুন্দৰকৈ জনজাতীয় এনে অলেখ শব্দৰ কথা উল্লেখ কৰিছে। ভাষাবিদ দুগৰাকীয়ে তিব্বতমূলীয়, অষ্ট্ৰিকমূলীয়, দ্ৰাবিড়মূলীয় হিচাপত জনজাতীয় শব্দসমূহ শ্ৰেণীভুক্ত কৰিছে। যেনে—

**(ক) অষ্ট্ৰিকমূলীয় শব্দ ঃ**

কামাখ্যা, কামৰূপ, কমতাবাৰী, কালজাৰ, কুপাজাৰ, ৰৌতা, কমতা, পাতালী, গংগা, হাবুঙ্গঁ, কলঙ, দৰঙ্গ, জপা, জঞ্জাল, খং, মুগা, বোকা; আদি

**(খ) দ্ৰাবিড়মূলীয় শব্দ ঃ**

ফুলগুৰি, পাকৰিগুৰি, মধুপুৰ, সুকনাআটি, হাতীসালভিটা, তান্তিকুছি, গণককুছি, বৰপেটা, ব্ৰহ্মকুণ্ড, মালৈবাৰি, বেলতলা, সালকচা, গুৱাকচা, হিৰাবৰি, মৰণাবৰি, নগৰা, নাজিৰাঘাট; আদি

**(গ) তিব্বতমূলীয় শব্দ ঃ**

(i) **বড়োমূলীয় শব্দ ঃ** সিলিখা, হোজা, চাঙ্গ, লফা, দিহিং, মংগলদৈ, দিখৌ, হাৰিয়াদিয়া, ভেলা-ডোবা, বৰদোৱা, দলদোৱা, হেৰেমদ, হাউৰাঘাট, হাকমা, জিৰোৱা, বাকৰানি, ডাবৰ, ডুকুলি, টুনি, টেপচি, ডৰিক; আদি

(ii) **টাই আহোমমূলীয় শব্দ ঃ** জান, পাকৈ, হাই, লিকচৌ, মাইহাঙ্গঁ, ৰাজখৰা বালিচৰি, সিংসাপ, লিগিৰা, হেঙ্গঁদান, ধনজান, শান্তিজান, লেতেকুজান, নাওজান; আদি

ভাষা নির্দিষ্ট সমাজ এখনত প্ৰচলিত হ'লেও তাক সমাজ, ক্ষেত্ৰ, সম্প্ৰদায়, সংস্কৃতিৰ পৰিসীমাৰে বান্ধিব নোৱাৰি। অন্য ভাষা ব্যৱহাৰকাৰী সেই ঠাইলৈ আহিলে বা নিজেও অইন ঠাইলৈ গ'লে এটা ভাষা আনটোৰ দ্বাৰা প্ৰভাৱিত হয়। শংকৰদেৱ আৰু তেওঁৰ শিষ্য-সংগীসকলে ভাৰতবৰ্ষৰ বিভিন্ন ঠাই বিশেষকৈ উত্তৰ ভাৰতৰ বৃন্দাবন-মথুৰা আদি ঠাইৰ তীৰ্থলৈ যাওঁতে সেই ঠাইসমূহৰ পণ্ডিত-কবিসকলৰ সান্নিধ্যলৈ আহিছিল আৰু তেওঁলোকৰ ভাষাৰ ৰূপৰ সৈতে পৰিচিত হৈছিল বুলি নিশ্চিতকৈ ধাৰণা কৰিব পাৰি। তেওঁলোকৰ কথা-বতৰাত হয়তো তাৰ প্ৰভাৱো পৰিছিল। শংকৰদেৱে প্ৰথম তীৰ্থ যাত্ৰাৰ অভিজ্ঞতা বৰ্ণাওতে কোৱা ঃ “জি তীৰ্থৰ জি ভাৱ কথা কাট মাত বলি ফাৰ্চ্ছি (দফা নং. ৬৯)” কথাযাৰে ইয়াকে দাঙি ধৰে। তেনেদৰে মাধৱদেৱেও দ্বিতীয় তীৰ্থ যাত্ৰাৰ শেষত “জত জি খানদান মাত বলি ফাৰ্চ্ছি খোটা বেৱস্থা ক্ৰম” ব্যাখ্যা কৰিছিল। মন কৰিবলগীয়া যে দুয়োজন গুৰুৱে উল্লেখ কৰা ‘বলি’, ‘ফাৰ্চ্ছি’ শব্দই হিন্দী তথা উত্তৰ ভাৰতৰ উৰ্দু-হিন্দুস্থানী আদি ভাষাক বুজোৱাৰ সম্ভাৱনা আছে। ভাষাতাত্ত্বিকসকলৰ মতে সেইসময়ত ফাৰ্চী লিপিৰে উত্তৰ ভাৰতৰ ‘খড়ীবোলী’ লিখা হৈছিল। চৰিত পুথিসমূহত আৰবী, ফাৰ্চী, তুৰ্কী ভাষাৰো শব্দ প্ৰাপ্ত হয়। যেনে—

**আৰবী ভাষাৰ শব্দ ঃ**

ওজকৈ, কৰ্যা, কাজি, খতৰ, খবৰদাৰ, খসম, নেফৰ, বহি, মখমল, মহজৰ, ৰাৱত, সিকা, হজ, হাউলি, মকৰ্ত্তমা, হাৰামি; আদি

**পাৰ্চী ভাষাৰ পৰা অহা শব্দ ঃ**

জমি, জামিন, কিনাৰ, কাৰসনা, কৈসনা, খানদান, চিজ, খিৰিসা, জাইগিৰি, জামিনখানি, জোলা, দগলা, দৰ্য্যি, দোপদৰ, নানকাৰ, বাজি, বাব, বালিচ, মজিদাৰ, মৰধ, ৰোজ, লস্কৰ, খুনি, চাকৰ, দৰমহা, জেমা, জেমাদাৰ, দৰমহা; আদি

**তুৰ্কীৰপৰা অহা শব্দ ঃ** কুলি

বঙলা, উড়িয়া আৰু হিন্দী ভাষাৰ শব্দও পুথিসমূহত পৰিলক্ষিত হয়। যেনে—

**বঙলা ভাষাৰ শব্দ ঃ** মধ্যে, চলে, চফাৰি, জেখন, তেখন, পৰে, জামাই, কে, কেন, মহাচাই, ৰুষা

**উড়িয়া ভাষাৰ শব্দ ঃ** ওডাষা, ওডেষা, বানা, আটিকা

**হিন্দী ভাষাৰ শব্দ ঃ**

জেমাদাৰ, ঠাণ্ডা, তৰ্কাৰি, গোলা, খাদ, চাও, কুতা, জেগা, বনা, ফাহি, বকচুন, ধুপ, পৰঙ্গা, বানত, ভৈচ, সুৰৰ, সামান্য, দাৰু, বিহান, পৰগনা আদি।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

১। চৰিত পুথি ৰচনাৰ পটভূমি কি?

..........................................................................................

..........................................................................................

..........................................................................................

## ৪.৭ সাৰাংশ (Summing Up)

সংস্কৃত ভাষা, পশ্চিম অসমৰ উপভাষা, জনজাতীয় ভাষা, অন্য ভাৰতীয় ভাষা, আৰবী, পাৰ্চী আদি ভাষাৰ শব্দৰ সন্নিবিষ্টিয়ে প্ৰতীতি জন্মায় যে সপ্তদশ-অষ্টাদশ শতিকাত সত্ৰীয়া সমাজৰ পৃষ্ঠপোষকতাত চৰিত পুথিসমূহ ৰচিত হ'লেও সত্ৰীয়া সমাজৰ ভকতসকলৰ অন্য ভাষা-সংস্কৃতিৰ লোকৰ সৈতে সংযোগ সাধিত হৈছিল। আকৌ, ভিন্ন সম্প্ৰদায়-ধৰ্মৰ লোকে একশৰণ ভাগৱতী ধৰ্মত দীক্ষিত হৈ একোটা পৃষ্ঠভূমিত অৱস্থান কৰিবলৈ সুযোগ পোৱাত তেওঁলোকৰ মাজতে ভাষা-উপভাষাৰ মিশ্ৰণ ঘটিছিল আৰু সেই মিশ্ৰণে লিখিত সাহিত্যৰ ভাষাতো প্ৰতিফলিত হৈছিল। চৰিত পুথিসমূহৰ সামগ্ৰিক প্ৰকাশভংগীৰ ক্ষেত্ৰতো কামৰূপী উপভাষাৰ কথনভংগী, শাস্ত্ৰীয় পদৰ উদ্ধৃতি, সংস্কৃত বাক্য, জতুৱা ঠাঁচ, ভকতীয়া ফকৰা আদিৰ সমিলমিলেৰে এক অপূৰ্ব শৈলীৰ সৃষ্টি হৈছে।

## ৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১। অসমীয়া ভাষাৰ উত্থানত নৱবৈষ্ণৱ ধৰ্মই কিদৰে বৰঙণি যোগাইছে? আলোচনা কৰক।

২। চৰিত পুথিৰ ভাষা সমন্বয়ৰ ভাষা — কথাষাৰ ব্যাখ্যা কৰক।

৩। চৰিত পুথিৰ ভাষাত জনজাতীয় ভাষাৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰক।

## ৪.৯ প্ৰসংগ-পুথি (References/Suggested Readings)

চক্ৰৱৰ্তী, মুকুল ঃ গুৰু-চৰিত-কথা অধ্যয়ন। গুৱাহাটী ঃ নৱ-বীণা প্ৰকাশ, ২০১২। প্ৰকাশিত।

পাটগিৰি, দীপ্তি ফুকন ঃ মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্য ৰেঙনি। গুৱাহাটী ঃ বনলতা, ২০১১। প্ৰকাশিত।

শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত। গুৱাহাটী ঃ প্ৰতিমা দেৱী, ১৯৯৬ (৭ম সংস্কৰণ)। প্ৰকাশিত।

শৰ্মা, হেমন্ত কুমাৰ ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত। গুৱাহাটী ঃ বীণা লাইব্ৰেৰী, ১৯৮৭ (৫ ম সংস্কৰণ)। প্ৰকাশিত।

হাজৰিকা, বিশ্বেশ্বৰ (সম্পা.) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (১ম খণ্ড)। গুৱাহাটী ঃ আবিলাক, ২০০৩। প্ৰকাশিত।

* * *

পঞ্চম বিভাগ

# বুৰঞ্জী পুথিৰ ভাষা

**বিভাগৰ গঠন ঃ**

৫.১ ভূমিকা (Introduction)
৫.২ উদ্দেশ্য (Objectives)
৫.৩ অসমীয়া ভাষাৰ ইতিহাসত বুৰঞ্জীৰ গুৰুত্ব
৫.৪ বুৰঞ্জীৰ ভাষাৰ সাধাৰণ বিশেষত্ব
৫.৫ বুৰঞ্জীৰ ভাষাত ভাষিক-সাংস্কৃতিক সংযোগ
৫.৬ সাৰাংশ (Summing Up)
৫.৭ প্ৰসংগ গ্ৰন্থ (Sample Questions)
৫.৮ আৰ্হি প্ৰশ্ন (References/Suggested Readings)

## ৫.১ ভূমিকা (Introduction)

পূৰ্ব্বৰ্তী বিভাগটিত চৰিত পুথিৰ ভাষা সম্পৰ্কে আলোচনা কৰি অহা হৈছে। এই বিভাগটিৰ আলোচ্য বিষয় হ'ল বুৰঞ্জী পুথিৰ ভাষা।

অসমীয়া ভাষা-সাহিত্যৰ ক্ৰম বিকাশৰ ইতিহাসত বুৰঞ্জী পুথিসমূহ চৰিত পুথিৰ সমানে গুৰুত্বপূৰ্ণ। বুৰঞ্জী পুথিসমূহ অসমীয়া সাহিত্যলৈ আহোম ৰজাৰ সোণসেৰীয়া অৰদান। “বাটত যি হয় যাকে পায় পণ্ডিতে তাকে লিখি থ'ব”— প্ৰথমজনা আহোম ৰজা স্বৰ্গদেৱ চুকাফাৰ এই নিৰ্দেশানুযায়ী বুৰঞ্জী লেখনৰ পৰম্পৰা আৰম্ভ হৈছিল। বুৰঞ্জীবোৰ প্ৰথমে আহোম ভাষাত লেখা হৈছিল। কিন্তু সুদীৰ্ঘ দিন অসমৰ স্থানীয় মানুহৰ লগত মিলা-মিছা কৰাত আৰু বৈবাহিক সম্বন্ধও স্থাপিত হোৱাত ৰাজকাৰ্য পৰিচালনাৰ সুবিধাৰ কাৰণেই তেওঁলোকে লাহে লাহে আহোম ভাষা এৰি অসমীয়া ভাষাত বুৰঞ্জী লেখিবলৈ লয়। বুৰঞ্জীবিদ সূৰ্যকুমাৰ ভূএঞাদেৱে বুৰঞ্জীসমূহক তিনিটা শাখাত ভগাইছে—

(ক) ৰজা ভগদত্তৰ দিনৰেপৰা আহোম ৰাজত্বৰ আৰম্ভণিলৈ অৰ্থাৎ ১২২৮ খৃষ্টাব্দলৈ প্ৰাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ অসংলগ্ন ইতিহাস।

(খ) আহোম ৰজাসকলৰ ৰাজত্বকালৰ আৰম্ভণিৰপৰা অৰ্থাৎ ১২২৮ খৃষ্টাব্দৰপৰা আহোম ৰাজত্বৰ শেষলৈ অৰ্থাৎ ১৮৩৮ খৃষ্টাব্দলৈ বা তাৰো পাছলৈ আহোম ৰাজ্যৰ বুৰঞ্জী

(গ) অসমৰ বাহিৰৰ ওচৰ-চুবুৰীয়া অন্য দেশৰ বুৰঞ্জী

প্ৰথম শ্ৰেণীৰ বুৰঞ্জীৰ নিদৰ্শন বুলিলে সূৰ্য্যকুমাৰ ভূএঞা সম্পাদিত ‘কামৰূপৰ বুৰঞ্জী’ আৰু মহামহোপাধ্যায় পদ্মনাথ ভট্টাচাৰ্য প্ৰণীত ‘কামৰূপ শাসনাৱলী’ৰ কথা আঙুলিয়াব পাৰি। এই শ্ৰেণীৰ বুৰঞ্জীত ৰজা-মহাৰজাৰ চৰিত্ৰ, তেওঁলোকৰ কাৰ্যাৱলী,

পৌৰাণিক কাহিনী আদি লিপিবদ্ধ হৈছে। দ্বিতীয় শাখাৰ বুৰঞ্জীৰ ভিতৰত হেমচন্দ্ৰ গোস্বামী সম্পাদিত ‘পুৰণি অসম বুৰঞ্জী’, ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঞি প্ৰণীত ‘বাঁহগড়ীয়া বুৰঞ্জী’, হৰকান্ত বৰুৱা সদৰামিনৰ ‘অসম বুৰঞ্জী’, ‘দেওধাই অসম বুৰঞ্জী’, ‘সাতসৰী অসম বুৰঞ্জী’ আদি উল্লেখযোগ্য। এই আটাইবোৰ বুৰঞ্জীত বিভিন্নজন আহোম ৰজাৰ ৰাজত্বকালৰ নানা ঘটনা বৰ্ণিত হৈছে। তৃতীয় শাখাৰ বুৰঞ্জীসমূহত আহোম ৰজাৰ সম্পৰ্কলৈ অহা ওচৰ-চুবুৰীয়া ৰজা আৰু তেওঁলোকৰ ৰাজ্যৰ বিৰৰণ আছে। আহোম ৰাজ্যৰ সৈতে থকা ওচৰ-চুবুৰীয়া ৰাজ্যৰ ৰাজনৈতিক-অৰ্থনৈতিক সাংস্কৃতিক সম্বন্ধৰ কথা এই শ্ৰেণীৰ বুৰঞ্জীয়ে বহন কৰে। ‘কছাৰী বুৰঞ্জী’, ‘জয়ন্তীয়া বুৰঞ্জী’, ‘ত্ৰিপুৰা বুৰঞ্জী’, ‘পাদশ্যাহ বুৰঞ্জী’ ইয়াৰ উদাহৰণ। এই বুৰঞ্জীকেইখনত ক্ৰমে কছাৰী-জয়ন্তীয়া আৰু খৈৰাম ৰজা, ত্ৰিপুৰা ৰজা আৰু মোগল সম্ৰাটৰ আহোম ৰাজ্য-ৰজাৰ লগত সম্বন্ধিত কাৰ্যৰ আভাস আছে। সূৰ্যকুমাৰ ভূঞাই কৰা বুৰঞ্জীৰ এই শ্ৰেণী বিভাজনৰ প্ৰথম শ্ৰেণীৰ বুৰঞ্জীসমূহক খণ্ডিত সময়ৰ ইতিহাস বুলি বাদ দিলেও দ্বিতীয়-তৃতীয় শ্ৰেণীৰ বুৰঞ্জীসমূহ অৰ্থাৎ আহোম ৰাজত্বকালত ৰচিত বুৰঞ্জীসমূহৰপৰা মধ্যযুগীয় অসমৰ ধাৰাবাহিক ৰাজনৈতিক ইতিহাসৰ লগতে আৰ্থ-সামাজিক, সাংস্কৃতিক প্ৰেক্ষাপটৰো সম্যক আভাস পাব পাৰি।

## ৫.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ অন্তত আপুনি—

- বুৰঞ্জী সাহিত্য সম্পৰ্কে এটি ধাৰণা পাব পাৰিব,
- অসমীয়া ভাষাৰ ইতিহাসত বুৰঞ্জী সাহিত্যৰ গুৰুত্বৰ বিষয়ে জানিব পাৰিব,
- বুৰঞ্জী সাহিত্যৰ ভাষাৰ প্ৰকৃতি সম্পৰ্কে অৱগত হ’ব পাৰিব।

## ৫.৩ অসমীয়া ভাষাৰ ইতিহাসত বুৰঞ্জীৰ গুৰুত্ব

সাহিত্যিকৰ ভাৱ প্ৰকাশৰ মাধ্যম দুটা— পদ্য আৰু গদ্য। পদ্যৰ ছন্দোবদ্ধতা গদ্যত নাথাকে। গদ্য মিলৰ বন্ধনৰপৰা মুক্ত। সুসংহত-সুসংগঠিত বাক্যৰে গদ্যৰ নিৰ্মাণ হয়; য’ত গাঁঠনিক উপাদানস্বৰূপে শব্দক এটা নিৰ্দিষ্ট ক্ৰমত সজ্জিত কৰা হয়। অসমীয়া ভাষাৰ ইতিহাসত এনে গদ্য সাহিত্যৰ নিৰ্মাণ পদ্য সাহিত্যতকৈ দুটামান শতিকাৰ পাছতহে আৰম্ভ হৈছিল। চতুৰ্দশ শতিকাত ৰচিত হেম সৰস্বতীৰ ‘প্ৰহ্লাদ চৰিত্ৰ’ কাব্য হৈছে প্ৰথমখন বিশুদ্ধ অসমীয়া কাব্য। আকৌ ষোড়শ শতিকাৰ বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য ওৰফে ভট্টদেৱৰ ‘কথা ভাগৱত’, ‘কথা গীতা’ যোগে প্ৰকৃত অৰ্থত গদ্য সাহিত্যৰ উত্থান ঘটে। অৱশ্যে পদ্য বা কাব্যসাহিত্যতকৈ দুশ বছৰ পাছত আৰম্ভ হোৱা অসমীয়া গদ্যৰ প্ৰাক্‌ৰূপ এটা শংকৰদেৱৰ অংকীয়া নাটত সূত্ৰধাৰৰ বচন আৰু চৰিত্ৰৰ সংলাপত প্ৰতিফলিত নোহোৱাকৈ থকা নাছিল। পিছে

লয়ধৰ্মিতাই তাক প্ৰকৃত গদ্য বোলাত বাধা দিয়ে। শংকৰদেৱৰ পৰৱৰ্তী সময়ত ভট্টদেৱেহে ছন্দোবদ্ধতা বা লয়মুক্তভাৱে গদ্য ৰচনা কৰে। কিন্তু ভক্তিতত্ব প্ৰধান গ্ৰন্থৰ ভাঙনি হোৱা বাবে ভট্টদেৱৰ গদ্য গাম্ভীৰ্যপূৰ্ণ আৰু কৃত্ৰিম আছিল। সমালোচকে তেওঁৰ গদ্য কথোপকথনধৰ্মী বুলি ক'লেও সি কথ্য ভাষাৰ ওচৰ চপা নাছিল। সংস্কৃতীয়া শব্দৰ প্ৰাচুৰ্যই বাক্যক গহীন জটিল কৰি তুলিছিল। এককথাত 'স্ত্ৰী-শূদ্ৰ সৰ্বলোকে' বুজিব পৰাকৈ ৰচনা কৰাৰ পাছতো গদ্যশৈলী ঘৰুৱা হৈ উঠা নাছিল। ভট্টদেৱৰ পৰৱৰ্তী সময়ত সত্ৰীয়া পৃষ্ঠপোষকতাত ৰচিত চৰিত সাহিত্য আৰু ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ৰচিত বুৰঞ্জী সাহিত্যৰ গদ্য সেই কৃত্ৰিমতা-জটিলতাৰ পৰা মুক্ত হৈছিল। চৰিত পুথিসমূহ ৰচিত হৈছিল সত্ৰ সমাজত প্ৰচলিত কথিত কামৰূপী উপভাষাত আৰু বুৰঞ্জীসমূহৰ ভাষা গড়গাঁৱক কেন্দ্ৰ কৰি চলি থকা কথ্য ভাষা আধাৰিত আছিল। চৰিত পুথিৰ ভাষাতকৈয়ো বুৰঞ্জীৰ ভাষা আৰু বেছি কথ্য ভাষাৰ ওচৰ চপা আছিল। দৰাচলতে বুৰঞ্জীৰ ভাষাই সপ্তদশ শতিকাৰপৰা অসমীয়া ভাষাৰ বিকাশৰ এটি নতুন দিশৰ সম্ভেদ দিয়ে। পুৰণি অসমীয়া ভাষাৰ ঐতিহ্য-পৰম্পৰা বহন কৰাৰ লগতে পূব অসম আৰু পশ্চিম অসমৰ ভাষাতাত্ত্বিক নিদৰ্শনো বুৰঞ্জীৰ ভাষাত ৰক্ষিত হৈছে। সংস্কৃত আৰবী-পাৰ্চী ভাষাৰ লগতে অনেক জনজাতীয় ভাষাৰ উপাদানৰ সমাহাৰেও বুৰঞ্জীৰ ভাষাক বিশেষত্ব প্ৰদান কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

১। বুৰঞ্জীসমূহ কোন সময়ত ৰচিত হৈছিল? ই কি বিষয়ক সাহিত্য?

.............................................................................................

.............................................................................................

.............................................................................................

২। বিভিন্ন প্ৰকাৰৰ বুৰঞ্জী সম্পৰ্কে চমুকৈ লিখক।

.............................................................................................

.............................................................................................

.............................................................................................

### ৫.৪ বুৰঞ্জীৰ ভাষাৰ সাধাৰণ বিশেষত্ব

বৰ্তমানলৈকে অসমত কামৰূপ অনুসন্ধান সমিতি, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে সহস্ৰাধিক বুৰঞ্জী উদ্ধাৰ কৰিছে। ইমানবোৰ বুৰঞ্জীৰ সামগ্ৰিক অধ্যয়ন সামৰি লোৱা সম্ভৱ নহয় যদিও 'সাতসৰী অসম বুৰঞ্জী', 'অসম বুৰঞ্জী', 'দেওধাই

‘অসম বুৰঞ্জী’, ‘পাদশ্যাহ বুৰঞ্জী’, ‘জয়ন্তীয়া বুৰঞ্জী’ আদি কেইখনমান বুৰঞ্জীক প্ৰতিনিধিস্থানীয় হিচাপে লৈ বুৰঞ্জীৰ ভাষাৰ সাধাৰণ বিশেষত্ব উল্লেখ কৰা হ’ল—

(ক) ধ্বনিতত্ত্বৰ দৃষ্টিৰে বুৰঞ্জীৰ ভাষাত সংস্কৃত আৰু মান্য অসমীয়া ভাষাৰ ধ্বনি কেতবোৰৰ বিশেষ পৰিৱৰ্তন ঘটিছে। যেনে—

ঙ > ঙ্গঁ ঃ ডাঙৰ > ডাঙ্গঁৰ, ৰঙ> ৰঙ্গঁ

ক > খ ঃ শিকাই > শিখাই

খ > ক্ষ ঃ প্ৰমুখ্যে > প্ৰমুক্ষে

জ > ঝ ঃ জীয়ৰী > ঝীয়ৰী

স, ষ > খ ঃ গোসাঞিঙ > গোখাঞিঙ, কাষৰ > কাখৰ

ৰ > ঞ ঃ কুৱৰী > কুঞৱী

হ > স ঃ বহি > বসি

ড় > ৰ ঃ গড়গঞা > গৰ্গয়া ; আদি

(খ) স্বৰধ্বনিৰ ক্ষেত্ৰতো তলত দিয়া ধৰণৰ পৰিৱৰ্তন চকুত পৰে। যেনে—

অ > এ ঃ ক্ষমা > খেমা

আ > অ ঃ মানাহ > মনাহ

ঈ > ই ঃ হাতী > হাতি, অধীন > অধিন

ও > উ ঃ বোপা > বুপা

এ > অ ঃ হেৰাল > হৰাল

ঐ > এ ঃ হিলৈদাৰী > হিলেদাৰী

এ > ই ঃ এন্দুৰ > ইন্দুৰ

অ > আ ঃ ৰজা > ৰাজা ; আদি

(গ) -খন, -খান, -খনি, -টি, -খানি, -ডালি, -টো আদি নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ। যেনে ঃ পানী তামুল ১খন, পত্ৰখান, পৰ্ব্বত খনি, জীয়েক এটি, ৰাজ্যখানি, চিয়ঁৰী এডালি; আদি।

(ঘ) -বোৰ, -বোলাক, -সব, -সকল, -মখা, -হত আদি বহুবচনাত্মক প্ৰত্যয়ৰ ব্যৱহাৰ। যেনে ঃ ডাঙ্গঁৰীয়াবোৰ, সিবোলাক, পহৰীয়াসব, পাত্ৰ-মন্ত্ৰীসকল, কছাৰী এমখা, ভূঞাহত; আদি।

(ঙ) ছয়টা কাৰক আৰু এটা সম্বন্ধ পদ বুজাবলৈ নিম্নলিখিত শব্দ বিভক্তি আৰু পৰসৰ্গ ব্যৱহাৰ হৈছে।

**কৰ্ত্তা কাৰক ঃ**

-এ ঃ আইকুঞৱীদেৰে আগতে ৰত্নাৱলী পুথি এখনি থৈছিল।

-$\phi$ ঃ পাচে মেচাৰ জীএক পৰ্ব্বতীয়া কুঁৱৰী তেওঁ খাটনীয়াৰ ৰজাক ৰাতিয়ে দিনে লগাই থাকে।

**কৰ্ম কাৰক ঃ**

-ক ঃ ৰজা হুই চয়নীয়া নগাক মাৰিছে।

-ত ঃ খাতোৱাল চেতিয়াই গোহাইদেৰসকলত কলেগৈ।

**কৰণ কাৰক ঃ**

-ৰে ঃ গোহাঞিদেৰ দুজনাক ধৰি হিলৈৰে খুন্দি দাত সৰাই চকু কাঢ়ি বিহ দি মাৰিলে।

-ৰ, -হতোৰা ঃ মজুন্দাৰৰ হতোৰা চৌখাম কৰাই কছাৰী ৰজাক বিদায় দিয়ালে।

**নিমিত্ত কাৰক ঃ**

-লৈ ঃ এই বুলি সলাল গোহাঞিক কলীয়াবৰলৈ পঠালে।

-ক ঃ লাচিত বৰফুকনৰ ঠাইক কটকী পঠাই বুলি আহিল।

**অপাদান কাৰক ঃ** -এ, -ৰ পৰা

-এ ঃ আগেও এই কথা ৰাজাদেৰে শুনিছে গাভৰুৰ মুখে।

-ৰ পৰা ঃ তহঁত কৰপৰা আহ?

**অধিকৰণ কাৰক ঃ** -এ, -ত

-এ ঃ বনুৰকেইটা লিগিৰা স্বৰ্গদেৰৰ ওচৰতে খাটৰ পছিমফালে থাকে।

-ত ঃ বৰঘৰৰ টুপত বিষয়াসকলে বহাৰ এই নিয়ম।

**সম্বন্ধ পদ ঃ** -ৰ

চমুৰা ফুকনসকল দুখনীয়া ছালকাঠৰ নুৰাত বহে।

(চ) তুমুনন্ত পদ গঠনৰ বাবে -ইতে, -ইব, -ইবাক, -ইবলৈ, -ইবৰ নিমিত্তে আদি প্ৰত্যয় পৰসৰ্গ ব্যৱহাৰ কৰা হৈছে। যেনে ঃ

-ইতে ঃ নৌকা খেলাইতে ইছা।

-ইব ঃ এইবুলি সিহঁতক বহাঘৰতে জিৰাই থাকিব দিলে।

-ইবাক ঃ পূৰ্ব্ব প্ৰীতি ৰাখিয়া ৰাজাক সেৱা কৰিবাক প্ৰতি এক কন্যা নিবেদিছে।

-ইবলৈ ঃ আমাৰ বৰগুৰু কটকীয়া পাচিলে জোৰণ দি কন্যা আনিবলৈ।

-ইবৰ নিমিত্তে ঃ আলিটি বান্ধিবৰ নিমিত্তে পোনাই চিয়ৰী পুতি লৈছে।

(ছ) -হি, -গৈ ক্ৰিয়াবাচক পৰসৰ্গৰ প্ৰয়োগো দেখা যায়। যেনে ঃ

হি ঃ সেৱা কৰহি

গৈ ঃ সিহঁতো পালেগৈ

### ৫.৫ বুৰঞ্জীৰ ভাষাত ভাষিক-সাংস্কৃতিক সংযোগ

"বাটত যি হয় যাকে পায় পণ্ডিতে তাকে লিখি থব"— চুকাফাৰ এই আদেশেই বুৰঞ্জীৰ ভাষাত ভাষিক-সাংস্কৃতিক সংযোগ ঘটাৰ পথ মুকলি ৰাখিছিল। ভিন্ন জাতি-জনজাতিৰ লোকৰ বাসভূমি অসমত ৰাজ্য স্থাপন কৰাৰ পাছত নিঃসন্দেহে আহোমসকলৰ অন্য জাতি-জনজাতিৰ লোকসকলৰ সৈতে সম্বন্ধ ঘটিছিল আৰু তেনে সম্বন্ধৰ অলেখ কথা বুৰঞ্জী পুথিত সন্নিবিষ্টও হৈছে। ওচৰ-চুবুৰীয়া ৰাজ্যৰ সৈতে সম্বন্ধ ৰখাৰ ক্ষেত্ৰতো আহোম ৰজাসকলে আগ্ৰহী আছিল। 'কছাৰী বুৰঞ্জী', 'জয়ন্তীয়া বুৰঞ্জী', 'ত্ৰিপুৰা বুৰঞ্জী', 'পাদশ্যাহ বুৰঞ্জী'য়ে এই আগ্ৰহক প্ৰমাণ কৰে। 'পাদ্শ্যাহ বুৰঞ্জী'ৰ সম্পাদকৰ পাতনিত সূৰ্য্যকুমাৰ ভূঞাই কৈছিল, "অসমীয়াই নিজ দেশৰ বুৰঞ্জীৰ বাহিৰেও যে দেশ-বিদেশৰ বুৰঞ্জী জানিবলৈ হেঁপাহ কৰিছিল আৰু আগৰ দিনৰ অসমীয়াৰ জ্ঞানৰ পৰিসৰ অসমৰ সীমা চেৰাই আন দেশতো ব্যাপ্ত হৈ পৰিছিল এই 'পাদ্শ্যাহ বুৰঞ্জীয়েই' তাৰ অব্যৰ্থ প্ৰমাণ।" ভূঞাই এই কথাখিনি 'পাদ্শ্যাহ বুৰঞ্জী'ৰ প্ৰসংগত ক'লেও সকলো বুৰঞ্জীৰ প্ৰসংগতে আহোমসকলৰ জ্ঞান-অনুসন্ধিৎসা পৰিলক্ষিত হয়। লগতে ভাষিক-সাংস্কৃতিক ক্ষেত্ৰত তেওঁলোকৰ আদান-প্ৰদানৰ মনোভাবো অতি স্পষ্টৰূপত অনুভূত হয়। অসমীয়াত ভাষাত লিখা হ'লেও বুৰঞ্জীকাৰে বিভিন্ন ভাষা-উপভাষাৰ শব্দ, বাক্যৰে বৰ্ণনীয় বিষয়ক স্পষ্ট কৰি তুলিছে। মন কৰিবলগীয়া যে, পোনতে আহোম ভাষাত বুৰঞ্জী লিখা হৈছিল। পৰৱৰ্তী সময়ত আহোমসকলে অসমীয়া ভাষা গ্ৰহণ কৰাত অসমীয়াত বুৰঞ্জী লিখিবলৈ ধৰা হয়। সেয়া হ'লেও আহোম ৰজাঘৰীয়া পৃষ্ঠপোষকতাত লিখা হোৱা বাবে বুৰঞ্জীসমূহত প্ৰচুৰ পৰিমাণে আহোম ভাষাৰ উপাদানো সোমাই পৰে। উদাহৰণস্বৰূপে 'দেওধাই অসম বুৰঞ্জী'ৰ অন্তৰ্গত কথাখিনি চাওক—

> "পাচে সেই বছৰতে চুকাফা ৰজাদেৱে আচল কৰি বুলিলে বোলে, "চুখ্ৰান্‌ফা ককাই ৰজাই এই ৰাজ্যত ৰজা হৈ থাকক, মই ভাটীৰ ৰাজ্যলৈ যাওঁ। এই বুলি চুকাফা ৰজাদেৱে বৰাবুৰুকে সৈতে আলচ কৰি পুথাৰকৰ ঠাইৰপৰা বাপেকৰ ৰাজ্য মুংজামুংজিলৈ আহিল, চোমচেঙ্গঁকো আনিলে। ভাতৰ টেকেলি তামৰ, তিনিটাৰ ভাত একেটাতে সিজে, এনে টেকেলি তিনিহাজাৰ, প্ৰজা ন-হাজাৰ, দন্তাল হস্তী খাম্‌কমুং ১, মাখুন্দী, হস্তী জেজিকিপ্‌কেউ ১, হাতী মাউত ফংপিম ১, বান্তু চকু বন্ধ ঘোঁৰা তিনি হাজাৰ, এই সকল লগত অহা।"

ইয়াত অসমীয়াৰ মাজে মাজে আহোম ভাষাৰ শব্দ মিহলি হৈ ভাৱৰ প্ৰকাশ ঘটিছে। ঠায়ে ঠায়ে সংস্কৃত শব্দৰো প্ৰয়োগ আছে। আন বুৰঞ্জীসমূহতো আহোম ভাষাৰ শব্দৰ প্ৰাচুৰ্য চকুত পৰা। উপেন্দ্ৰনাথ গোস্বামীয়ে বুৰঞ্জীত প্ৰাপ্ত এনে আহোম শব্দ আৰু বাক্যাংশৰ অনেক উদাহৰণ দিছে। যেনে ঃ মহাৰাজৰ থকা ঘৰ হোলোং

লেচাম বুলি ভালুক, লেচাই বুলি বাঘ, লাঙ্গুঁ বুলি সাপ, লাচিত বুলি উদ, লাপেত বুলি মেকুৰী, লাউ বুলি বান্দৰ, চৌখাম কৰি, খেম কৰ গৈ, থুন বাৰ, মাইহাং, চকলং, লাকনি কামুত, লাকনি বাইমিত আদি। (অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ, ২০১৫)।

'জয়ন্তীয়া বুৰঞ্জী'ৰ ক্ষেত্ৰত সংস্কৃত ভাষাৰ প্ৰয়োগ আৰু লক্ষ্যণীয়। এই বুৰঞ্জীখনত বহুত বাক্য সংস্কৃততে আছে। বিষয়ৰ আৰম্ভণি সংস্কৃতত কৰি তাৰ পিছতহে অসমীয়াত লিখা হৈছে। যেনে—

> স্বৰ্গদেৰলৈ জয়ন্তা ৰজাৰ পত্ৰ। -জয়ন্তা ৰাজাএ দিয়া এই পত্ৰ,
> —
> স্বস্তি পূৰ্ব্ব-পূৰ্ব্ব-পুৰুষাখিল-ধৰ্ম্ম প্ৰতিপালক- পূৰ্ব্ব ধৰ্ম্মচৰণ-প্ৰকাশীকৃত-হিমকুন্দেন্দু-পয়ঃ -পাৰা- বাৰামৃতঘন ৰসা-প্ৰতিপ্ৰকাশ-যশোৰাশি বিৰাজিত-সৌমাৰেশ্বৰ-শ্ৰীশ্ৰীযুত-স্বৰ্গনাৰায়ণ দেৱ- মহামহোগ্ৰ -প্ৰতাপেষ-সৌহাৰ্দ্দ-পৰম-প্ৰীতপূৰ্ব্বক লেখনং প্ৰযোজনঞ্চ। এথা আমাৰ কুশল তোমাৰ কুশল-মঙ্গঁল সৰ্ব্বদা বাঞ্ছা কৰি। পৰং সমাচাৰ এহি, - - এতদিন জানিছিলাম গড়গাঁও জয়ন্তী দুই নহয়, পূৰ্ব্বাৱধি সত্য নিবন্ধতে অভেদ প্ৰীতি-সম্বন্ধ চলি গৈছে।" (পৃ. ৮৬)

এই বুৰঞ্জীখনত বঙলা ভাষাৰ ঠাঁচো অতি সুস্পষ্ট। বহু শব্দ আৰু বাক্যাংশৰ প্ৰয়োগ বঙলাৰ অনুৰূপ। তলৰ বাক্যসমূহ চাওক—

> "এখনো আমি সেই পূৰ্ব্বপ্ৰীতিতে আছোঁ। কিন্তু তোমাৰ কটকীৰ থানে যে কহিছিলাম সে এখানেতে আছে। তাতে আমি এমও জানিছিলাম সে দেশ-বিদেশ চলিয়া যাইব। যদ্যাপি এখনো আমাৰ দেশতে থাকে তবে তাৰাৰ একখান হৈত।" (পৃ. ৫৬)

ইয়াত 'এখনো', 'তবে' 'বহিছিলাম', 'জানিছিলাম', 'যে', 'সে' আদি ৰূপসমূহে পুথিৰ অসমীয়া ভাষাক মিশ্ৰিত প্ৰকৃতি প্ৰদান কৰিছে। 'দেওধাই অসম বুৰঞ্জী'ৰ তৃতীয় খণ্ড বুৰঞ্জীত দাঁতিয়লীয়া বা দোৱনীয়া ভাষাৰ নমুনাও পৰিলক্ষিত হয়। দাঁতিয়লীয়া ৰজা বা কটকীৰ মুখত অসমীয়া ভাষাই তেওঁলোকৰ ভাষাৰ শব্দ আৰু ব্যাকৰণৰ সৈতে মিহলি হৈ বঙলুৱা ৰূপ লৈছে। বিদেশী কটকীৰ বোধগম্য হোৱাকৈ আহোম বিষয়ায়ো বঙলুৱা ভাষা ব্যৱহাৰ কৰিছে। (দীপ্তি ফুকন পাটগিৰি, মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙনি, পৃ. ৭৩)। তেনে মিশ্ৰিত অসমীয়া ভাষাৰ উদাহৰণ হ'ল ঃ "আইচ্ছা, আৰু পথক্ৰমে হাঠিয়া চলন্তে কি ভয়-ভ্ৰান্তি পালাম্যানা, নিৰ্ভয়ে পৌছিলাম। আৰু ঘুমটিয়ে পালাম, ঘুমটিয়ে পৌছিলাম।" (পৃ. ১২৮)

বুৰঞ্জীখনত একেটা পাঠত-অনুচ্ছেদত বঙলা-অসমীয়াৰ লগতে সংস্কৃত শব্দ বাক্যৰ পয়োভৰেও সংযোগৰ প্ৰকৃতিক আৰু গাঢ় কৰি তুলিছে। যেনে—

> "পৰম-স্নেহপূৰ্ব্বক-শুভাশী ঃ কাৰ্য্যঞ্চ। এথা কুশল, তোমাৰ কুশল সৰ্ব্বদা চাহি। পৰং বিশেষ সূৰ্য্য পচ্চিমে উদয় হৈব, লোহিত্য পূৰ্ব্বদিশক বহিব, ক'লা কাক শুক্ল হৈব, বক কৃষ্ণবৰ্ণ হৈব, তথাপি তোমাৰ আমাৰ প্ৰীতিগোট খলিব নাহৈব হেন বুলিছি।"

একেধৰণে বুৰঞ্জীখনত আৰবী-পাৰ্চী-হিন্দী আদি ভাষাৰ শব্দও আছে। অন্য বুৰঞ্জীসমূহতো আৰবী-পাৰ্চী শব্দৰ সঘন প্ৰয়োগ পৰিলক্ষিত হয়। আহোম ৰাজত্বৰ সময়ত মোগলৰ সঘন অসম আক্ৰমণ আৰু মোগল সম্ৰাটৰ সৈতে আহোম ৰাজ্যৰ সম্পৰ্ক ৰক্ষিত হোৱাৰ ফলত অসমীয়া ভাষী লোকৰ সৈতে আৰবী-পাৰ্চী মূলীয় মোগলসকলৰ ভাষাৰ প্ৰভাৱো বুৰঞ্জীকাৰৰ ভাষাত পৰিছিল আৰু তাৰেই ফলত বুৰঞ্জীসমূহত আৰবী-পাৰ্চী ভাষাৰ উপাদান পৰিলিক্ষত হয়। 'পাদশ্যাহ বুৰঞ্জী'ৰ ভাষাত অসমীয়াৰ সৈতে আৰবী-পাৰ্চী শব্দ মিহলি হৈ কথনভংগীক ভিন্ন প্ৰকৃতিৰ কৰি তুলিছে। যেনে—

> "এই বুলি মীৰ্‌জামুলাক অনেক বঁটাবাহন দি সন্মান কৰি বিদায় দিলে, আৰু বুলিলে বোলে, 'ছাস্তা খাঁ উজীৰ মোৰ মামু হয়। তাঞিৰ ঠাই ঢুকি যাবি। মীৰ্‌জামুলাই বুলিলে, ভাল, পাদ্‌শ্যাৰ হুকুমে ঢুকিম। যেই কি সময় মঞি নাযাওঁ, তাকিত বিদায় দিব, ছাস্তা-খাঁলৈ পাদ্‌শ্যাৰ হুকুম হ'ব।' আৰঙ্গঁজেবে বুলিলে, — 'ভাল, মঞি মামুৰ ঠাই জনাম, তাকিত বিদায় হ'ব।" (পৃ. ৮১)

তেনেদৰে,

> "পাচে শেৰাৰ ৰাজাত পাদ্‌শ্যাই সুধিলে, — 'তঞি পূৰ্ব্ব পৰ শেৰা মূলক এটা বৰ ৰাজা। তোৰ পিতৃ পিতামহে আমাৰ পিতৃ-পিতামহত খাটিছিলে। এতিয়া তঞি হাৰামখোৰ হলি, কাৰণ কি? কি তঞি কাতবা বল, পাই নামানিছ, কি মোক নামৰ্দ্দ দেখিছ" (পৃ. ৮৬)

আচোৱাৰ, চুভা, জায়গা, চাফ, বেসময়, বৰ-আদমি, পয়গম্বৰ, ৰোজ, আওতাৰ, কমী, বৰাবৰী, কাৰ্জি, হাৰামজাদা, গোৰ, খোদা, নিকাহ, তমাম, বিলায়ত, ছাবাছ, শাহবাজ, ফতিহা, বেহায়া, আখুন, গয়ৰহ, দিলাছা, চুফাৰিচ, ইনাম, লালচ, জহৰ, উজীৰ, কাজী, দিৱান আদি আন অনেক আৰবী-পাৰ্চী মূলীয় শব্দই বুৰঞ্জীখনত ভিৰ কৰিছেহি। অন্যান্য বুৰঞ্জী পুথিসমূহতো ডৰ, আদমি, ফৌজ, গোলাম, খুব, নবাব, খাজানা, নফৰ, ৰূপায়া, খোদা, কোৰাণ, লাল, ছফেদ, খাতিৰ, খুচি, মাল্লুম,

জৰ্দ, ছবুজ, সলাহ, পয়দা, চাগিৰ, মহিনা, দুসমন, নেমাজ, ওজু, ইচলাম, উকিল, উজিৰ, হাজাৰ আদি অনা-অসমীয়া শব্দৰ ব্যৱহাৰ আছে। এনে শব্দসমূহে অসমীয়া ভাষী লোকৰ ইছলাম ধৰ্মাৱলম্বী আৰু আৰবী-পাৰ্চী ভাষী লোকৰ সৈতে সংমিশ্ৰণ ঘটাৰ কথা প্ৰমাণ কৰে।

শব্দমালাৰ দৃষ্টিৰে বিচাৰ কৰিলে বুৰঞ্জীৰ ভাষাত প্ৰাচীন অসমীয়া ভাষা, পশ্চিম অসমৰ ভাষা তৎসম, অৰ্ধ-তৎসম, তদ্ভৱ আদি শব্দও পোৱা যায়। প্ৰাচীন অসমীয়া ভাষাৰ শব্দসমূহে ভাষাটোৰ ক্ৰমবিকাশৰ ধাৰাটোক অব্যাহত ৰূপত চলি থকাৰ সাক্ষ্য দিয়ে। যৈসানি, কেমনে, যেমনে, যে, সে, কে, কেহো, তাৰা, কাহাকো, তাসম্বা, কহন নাযায়, এই গোট, ইগোট, এগোটা, লোম, আসিবাৰ, মাথাত হন্তে, দিয়া, হুয়া, হইয়া, লৈয়া, হৈল, গৈল, জনমিল, ৰৈলা, থৈলা, চলন্তে, সেনামানে, ধৰিবাক প্ৰতি, তৈৰপৰা, তেবেসে, কৈক, কৈত, তান, পাঞ্চ, তাঙ্ক আদি বুৰঞ্জীৰ পুথিত সংৰক্ষিত প্ৰাচীন অসমীয়া ৰূপ।

পশ্চিম অসমৰ উপভাষাৰ অলেখ শব্দ, যেনে— জন্মো, বিশ্বনাথ, কাখ, এইখান, বেৰি, বেৰা, আঘণ, বেলা, চপকৰে, লোহা, চিৰি, ওঠেৰ, শেহ পখ, তৰ, গাছ, বয়া, গাএঙা, থাকোঁক, গেল, হৰাল, আন্ধাৰ, গল, আৰাঁ, লাঙঁতা, গিলিপ, গেল, খপ্, বৈনি, বৰিহনা, চাৰা, মামোৰা, কুৰুমা, ছাগল আদি শব্দই বুৰঞ্জীৰ ভাষাক কথ্য ঠাঁচ লাভত সহায় কৰিছে। এনে ঘৰুৱা শব্দৰ ব্যৱহাৰে প্ৰকাশভংগীক কিদৰে জতুৱা ঠাঁচ প্ৰদান কৰিছে, সেয়া তলৰ উদাহৰণৰ পৰা স্পষ্ট হ'ব—

> "সেইৰূপে মূৰত কানি এখন মেৰাই ধান হাত দিবলৈ যায়। এনেতে উত্তৰৰ পৰা দক্ষিণলৈ যাওঁতে এক দেওপাখীয়ে কন্যাৰ মূৰত লাদিলে। পাচে তাই বোলে— 'আই, মোৰ মূৰত চৰায়ে লাদিলে।' মাকে বোলে — 'গা ধোগৈ।' পাচে কন্যাইও গা ধুলেগৈ।" (পৃ. ১৭, দেওধাই অসম বুৰঞ্জী)

তৎসম শব্দ হিচাপে বুৰঞ্জীবোৰত দধি, দুগ্ধ, ঘৃত, দন্ত, দণ্ড-ছত্ৰ, গো-ব্ৰাহ্মণ, দৈৱজ্ঞ, বৈদ্য, সৰ্প, শয্যা, অৰ্ধ, তীৰ্থ, মনুষ্য, দেৱতা, বাত-বৃষ্টি, ৰাজ্য, মধ্য, পুত্ৰ, সৰ্প, মৎস, হস্তী, গণ্ড, কণ্টক, শুক্ল, বৰ্ণ, ৰাত্ৰি, গৰ্ব, অগ্নি, বস্ত্ৰ, ঘৃত, ধৰ্ম, নিদ্ৰা, গৃহ, স্বপ্ন আদি শব্দৰ ব্যৱহাৰ লক্ষ্য কৰিব পাৰি। ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে বহু বুৰঞ্জীত সংস্কৃতেৰে বিষয় বৰ্ণনা আৰম্ভ কৰি পৰৱৰ্তী বৰ্ণনা অসমীয়াত কৰা হৈছে। অসমীয়া বাক্যৰ মাজত সংস্কৃত বাক্যও সন্নিবিষ্ট কৰা হৈছে। কোনো কোনো ঠাইত বাক্যৰ গাঠনি অসমীয়া হ'লেও তৎসম শব্দই তেনে বাক্যত শাৰী পাতি বহিছে। যেনে ঃ "বালকৰ লক্ষণ ঃ আকুঞ্চিত কেশ, সিংহবন্ধ গ্ৰীবা, হস্ত-পাদ-চক্ষু ৰক্ত বৰ্ণ, দক্ষিণ হস্তত তিনিটা তিল, শঙ্খ-পদ্ম, বাম হস্তত অঙ্কুশ, গদা। উদৰত তিনিটা ৰেখা, কান্তি শ্ৰীমন্ত। এনয় চিহ্নযুক্ত ইন্দ্ৰপুত্ৰে ১০৭১ শকত ৰাজা হ'ল" (দেওধাই অসম বুৰঞ্জী)।

শুকুলা, মুকুতা, কিৰিষি, বৰিষণ, ঘৰিণী, পাতৰ, মেলেছ, মলুক আদি অৰ্দ্ধ তৎসম শব্দও বুৰঞ্জীত আছে। তেনেদৰে বুৰঞ্জীত প্ৰাপ্ত তদ্ভৱ শব্দৰ উদাহৰণ হ'লঃ হাতী, ঘোঁৰা, দাঁত, মূৰ, গৰু, ম'হ, গাহৰি, বামুণ, কাথ, কলিতা, হিলৈ, ডিঙি, ভূৰ, কাঁহৰ, সোণাৰী, তেলী, মালী, ধোৱা, বাঢ়ৈ, চমাৰ, কমাৰ, কুন্দাৰ, তাঁতী, কেওঁট, চুটিয়া, বেঙেনা, কপাহ, হাঁহ, পাৰ, কুকুৰা, ছাগ, পহু, কাছ, মাছ, চাউল, লোণ, তেল আদি। দৰাচলতে বুৰঞ্জীসমূহত তদ্ভৱ শব্দৰ সংখ্যাই সৰহ। সপ্তদশ শতিকালৈকে প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ অলেখ শব্দই পৰিৱৰ্তন লাভ কৰি তদ্ভৱ ৰূপ পাই লিখিত পৰম্পৰাত প্ৰৱেশ কৰিছিলহি।

**আত্মমূল্যায়ণ প্ৰশ্ন**

১। বুৰঞ্জীৰ গদ্যৰ মূল বিশেষত্বসমূহ কি কি?

........................................................................................................

........................................................................................................

........................................................................................................

২। অসমীয়া ভাষাৰ ইতিহাসত বুৰঞ্জী সাহিত্যৰ গুৰুত্ব আছেনে?

........................................................................................................

........................................................................................................

........................................................................................................

## ৫.৬ সাৰাংশ (Summing Up)

ওপৰৰ বিশ্লেষণৰ পৰা ক'ব পৰা যায় যে, বুৰঞ্জীসমূহ মধ্যযুগৰ পটভূমিত অসমীয়া ভাষাত লিখা হ'লেও ভাষাটো অমিশ্ৰিত অসমীয়া নাছিল। তৎসম, অৰ্দ্ধ তৎসম, তদ্ভৱ শব্দ প্ৰধান অসমীয়া ভাষাৰ সৈতে আহোম, আৰবী-পাৰ্চী ভাষা আদিৰ উপাদান মিহলি হৈ এটি সমন্বয়ৰ ভাষাতহে পুথিসমূহ ৰচিত হৈছিল। অসমৰ বৈচিত্ৰপূৰ্ণ জনগাঠনি, মোগলৰ আক্ৰমণত দাঁতি-কাষৰীয়া ৰাজ্যৰ সৈতে সম্পৰ্ক ৰক্ষা আদি কাৰণত আহোম ৰাজ্যৰ শাসনাধীন জনসাধাৰণৰ ভাষাত অন্য ভাষাৰ প্ৰভাৱ পৰিছিল। সেইহেতুকে বুৰঞ্জীৰ ভাষাত সংযোগজনিত পৰিঘটনা পৰিলক্ষিত হয় আৰু এনে সংযোগক তদানীন্তন অসমীয়া ভাষাৰ এটি বিশেষত্ব বুলিয়ে বিচাৰ কৰাৰ থল আছে।

## ৫.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। চৰিত সাহিত্যৰ ভাষাৰ সৈতে বুৰঞ্জী সাহিত্যৰ ভাষা এটি তুলনা আগবঢ়াওক।

২। বুৰঞ্জীৰ ভাষাৰ বিশেষত্ব বিচাৰ কৰক।

৩। বুৰঞ্জী পুথিৰ ভাষাত ভিন্ন ভাষাৰ উপাদান কিদৰে মিশ্ৰিত হৈ আছে? আলোচনা কৰক।

## ৫.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

গোস্বামী, উপেন্দ্ৰনাথ ঃ অসমীয়াৰ ভাষা উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ। গুৱাহাটী ঃ মণি মাণিক প্ৰকাশ, ১৯৯১। প্ৰকাশিত।

পাটগিৰি, দীপ্তি ফুকন ঃ মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙনি। গুৱাহাটী ঃ বনলতা, ২০১১ (২য় সংস্কৰণ)। প্ৰকাশিত।

ভট্টাচাৰ্য, বসন্ত কুমাৰ ঃ মধ্যযুগৰ সাহিত্য। গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, ২০০৮ (৩য় পৰিবৰ্দ্ধিত প্ৰকাশ, ২০০৮) প্ৰকাশিত।

নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰ প্ৰকাশ, ১৯৮৬। প্ৰকাশিত।

শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত। গুৱাহাটী ঃ সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং প্ৰাইভেট লিমিটেড, গুৱাহাটী, ১৯৮৬। প্ৰকাশিত।

ভূঞা, সূৰ্য্যকুমাৰ (সম্পা.) ঃ সাতসৰী অসম বুৰঞ্জী। গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৬০। প্ৰকাশিত।

—— (সম্পা.) ঃ জয়ন্তীয়া বুৰঞ্জী। গুৱাহাটী ঃ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, ১৯৬৪। প্ৰকাশিত।

—— (সম্পা.) ঃ পাদ্‌শ্যাহ-বুৰঞ্জী। গুৱাহাটী ঃ কামৰূপ অনুসন্ধান সমিতি, ১৯৩৩। প্ৰকাশিত।

—— (সম্পা.) ঃ দেওধাই অসম বুৰঞ্জী। গুৱাহাটী ঃ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, ১৯৯০। প্ৰকাশিত।

* * *